POL-RC-1016

INTRODUCTION TO POLITICAL THEORY

# GAUHATI UNIVERSITY
## Institute of Distance and Open Learning

B.A. First Semester
*(Regular Course)*

## Paper: POL-RC-1016

# INTRODUCTION TO POLITICAL THEORY

(Medium: Assamese)

www.idolgu.in

UG-POL-RC-1016

**GAUHATI UNIVERSITY**

# Institute of Distance and Open Learning

## B.A. First Semester

**(Regular Course)**

## POLITICAL SCIENCE

**Paper: POL-RC-1016**

## Introduction to Political Theory

**(Medium- Assamese)**

**বিষয়শূচী (Contents) :**

প্ৰথম বিভাগ ঃ ৰাজনৈকি তত্ত্ব, ভূমিকা আৰু প্ৰাসংগিকতা

দ্বিতীয় বিভাগ ঃ ৰাজনৈতিক ধাৰণা (গণতন্ত্ৰ, স্বাধীনতা, সমতা আৰু ন্যায়)

তৃতীয় বিভাগ ঃ ৰাজনৈতিক ধাৰণা ঃ অধিকাৰ, লিংগ, নাগৰিকত্ব, পৌৰ সমাজ আৰু ৰাষ্ট্ৰ

## Contributors:

Mr. Jintu Gohain — Unit- 1
Dept. of Political Science, G.U.

Swapna Rani Barman Deka — Unit- 2
Dept. of Pol. Science, Manikpur Anchalik College

Jagadish Ch. Ray — Unit- 3
Dept. of Pol. Science, Manikpur Anchalik College

## Course Coordination:

Prof. Amit Choudhury — Director, IDOL, Gauhati University

Dr. Dhruba Pratim Sarma — Associate Prof., Dept. of Pol. Science, G.U.

## Content Editor:

Prof. Jayanta Krishna Sarmah (Units: 1 & 2) — Dept. of Political Science, G.U.

Dr. Barnali Deka (Unit: 3) — Dept. of Pol. Science, Mangaldai College

## Cover Page Designing:

Bhaskar Jyoti Goswami — IDOL, Gauhati University


**N.B.: Unit 4 will be published later on.**


**ISBN:**

**November, 2019**



© Copyright by IDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.



Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

# প্ৰথম বিভাগ
# ৰাজনৈকি তত্ত্ব, ভূমিকা আৰু প্ৰাসংগিকতা

**বিভাগৰ গঠন ঃ**

**১.১ ভূমিকা (Introduction)**
**১.২ উদ্দেশ্য (Objectives)**
**১.৩ ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞান**
**১.৪ ৰাজনৈতিক তত্ত্ব কি ?**
**১.৪.১ ৰাজনৈতিক তত্ত্বৰ সংজ্ঞা**
**১.৪.২ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি**
**১.৪.৩ ৰাজনৈতিক তত্ত্বৰ প্ৰকাৰ**
**১.৫ ৰাজানৈতিক তত্ত্বৰ বৈশিষ্ট্য আৰু পৰিসৰ**
**১.৫.১ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তাধাৰা**
**১.৫.২ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক দৰ্শন**
**১.৫.৩ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতি বিজ্ঞান**
**১.৬ ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা**
**১.৭ ৰাজনৈতিক তত্ত্বৰ বিকাশ**
**১.৭.১ ৰাজনৈতিক তত্ত্বৰ গুৰু ধাৰাসমূহ**
**১.৮ সাৰাংশ (Summing Up)**
**১.৯ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings)**
**১.১০ আৰ্হি প্ৰশ্ন (Model Questions)**
**১.১১ অগ্ৰগতিৰ খতিয়ান অথবা আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ**

## ১.১ ভূমিকা (Introduction) ঃ

ৰাজনীতি শব্দটোৰ অৰ্থ ব্যাপক। সাধাৰণ ভাষাত ৰাষ্ট্ৰৰ বিভিন্ন উপাদান আৰু দিশ সম্পৰ্কে বিশ্লেষণ তথা আলোচনা কৰা বিষয়টোকেই ৰাজনীতি বিজ্ঞান বুলি কোৱা হয়। মানুহৰ বিৱৰ্তনৰ ইতিহাস চালে দেখা যায় আদিম অৱস্থাত মানুহৰ মাজত প্ৰথমতে পৰিয়ালৰ সৃষ্টি হৈছিল। বৰ্দ্ধিত পৰিয়ালৰ সংখ্যাই পৰৱৰ্তী সময়ত গোষ্ঠী নামৰ এক সমূহীয়া চিনাকীলৈ ৰূপান্তৰ ঘটিছিল। ক্ৰমাগত ভাবে এই গোষ্ঠীয়েই সমাজত উপজাতি ধাৰণাৰ বিকাশত সহায়ক হৈ অৱশেষত ৰাষ্টৰ জন্ম হৈছিল। ৰাষ্টৰ উৎপত্তি সমাজ বিৱৰ্তনৰ এক বিশেষ স্তৰ বুলিব পাৰি। আধুনিক যুগত ৰাষ্ট্ৰ মানুহৰ জীৱনৰ এক অন্যতম অংগ। ৰাষ্ট্ৰৰ বৰ্দ্ধিত পৰিসৰে ৰাজনীতি বিজ্ঞানৰো পৰিসৰ বৃদ্ধি কৰিছে। এতিয়া ৰাজনীতি বিজ্ঞান

কেৱল ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে অধ্যয়ন কৰা বিষয় হৈ থকা নাই। ইয়াৰ উপৰিও মানুহৰ ৰাজনৈতিক জীৱনৰ লগত জড়িত সকলো বিষয়কেই ৰাজনীতি বিজ্ঞানত আলোচনা কৰা হয়। লিপছেটৰ মতে ১৮৯০ চনত আমেৰিকান বিশ্ববিদ্যালয়ৰ গ্ৰন্থ তালিকাত পোন প্ৰথম বাৰৰ বাবে 'ৰাষ্ট্ৰবিজ্ঞান' বা 'ৰাজনীতি বিজ্ঞান' শব্দটো আধুনিক অৰ্থত ব্যৱহাৰ কৰা হয় যদিওঁ বহুতৰ মতে ১৭০১ চনত লিবনিজৰ চিঠিত 'ৰাষ্ট্ৰবিজ্ঞান' শব্দটোৰ প্ৰথম প্ৰয়োগ হয়।

শাস্ত্ৰগত অৰ্থ অনুসৰি ৰাজনীতি, অথবা ৰাজনৈতিক শব্দটো আহিছে গ্ৰীক শব্দ 'পলিছ'ৰ পৰা যাৰ অৰ্থ গ্ৰীকৰ নগৰ ৰাষ্ট্ৰ। পুৰণি নগৰ ৰাষ্ট্ৰসমূহ গ্ৰীকৰ তুলনামূলক ভাবে আধুনিক ৰাষ্ট্ৰৰ ধাৰণাতকৈ সৰু আছিল জনসংখ্যা, পৰিসীমা আৰু চৰকাৰৰ ক্ষেত্ৰত। প্ৰাকৃতিকগত ভাবে থকা অৰণ্য, পাহাৰ আৰু নৈ-নিজৰা সমূহৰ জৰিয়তেই সেই সমূহৰ সীমা নিৰ্ধাৰণ কৰা হৈছিল। এৰিষ্টটলে তেওঁৰ বিখ্যাত গ্ৰন্থ 'পলিটিক্স'ত কৈছে যে— 'মানুহ প্ৰাকৃতিক গত ভাবে এক ৰাজনৈতিক প্ৰাণী অৰ্থাৎ মানুহে প্ৰাকৃতিক গত ভাবেই সমাজত বসবাস কৰিবলৈ শিকে। পৰিয়াল, বিদ্যালয়, আৰু সম্প্ৰদায় সংস্থাৰ দৰে অনেক উপাদানেৰে গঠিত সমাজত বসবাস কৰিবলৈ শিকাটোৱেই মানুহক সামাজিক প্ৰাণী হিচাপে গঢ় দি তুলে। আধুনিক যুগত ৰাজনৈতিক শব্দৰ অৰ্থৰ বিকাশ ঘটি ইয়াৰ পৰিসৰ বৃদ্ধি হৈছে। সাম্প্ৰতিক সময়ত ৰাজনীতি মানুহৰ দৈনন্দিন জীৱনৰ এক এৰাব নোৱাৰা অংশ হৈ পৰিছে। 'পলিটি' শব্দটোৱে এক প্ৰশাসনিক ব্যৱস্থা অথবা সংস্থাক বুজায় যি সমাজ পৰিচালনাৰ বিভিন্ন নিয়ম-নীতিৰ নিৰ্মান আৰু সেই নীতি-নিয়ম সমূহৰ প্ৰয়োগিক দিশৰ ব্যৱস্থাক সূচায় আনহাতেদি 'ৰাজনৈতিক' শব্দটোৱে সমাজৰ সেই সকলো সংস্থা আৰু প্ৰশাসণীয় ব্যৱস্থা সমূহৰ চালিকা শক্তিক সূচায় যি সম্পূৰ্ণৰূপেৰে ৰাজহুৱা আৰু সকলো জনাসাধাৰণ ক্ষেত্ৰত প্ৰযোজ্য।

## ১.২ উদ্দেশ্য (Objectives) ঃ

এই অধ্যায়ৰ উদ্দেশ্য হ'ল ৰাজনৈতিক তত্ত্বৰ ধাৰণা আৰু গুৰুত্বক বিশ্লেষণ কৰা। এই অধ্যায়টি অধ্যয়নৰ পিছত শিক্ষাৰ্থীক নিম্নলিখিত বিষয় সমূহ জানিব পাৰিব—

- ৰাজনীতি কি?
- ৰাজনৈতিক তত্ত্বৰ সংজ্ঞা, ইয়াৰ প্ৰকৃতি আৰু প্ৰকাৰ
- ৰাজনৈতিক তত্ত্বৰ বৈশিষ্ট আৰু পৰিসৰৰ বিশ্লেষণ।
- ৰাজনৈতিক তত্ত্বৰ প্ৰাসঙ্গিকতাৰ আলোচনা আৰু পৰিক্ষণ।

## ১.৩ ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞান ঃ

ৰাজনীতিয়ে এখন দেশৰ পৰিচালনাৰ লগত জড়িত কৰ্মৰাজিক সূচায় অথবা এক ব্যৱস্থাক সূচায় যাৰ জৰিয়তে দেশৰ সকলো জনসাধাৰণৰ ওপৰত প্ৰযোজ্য হোৱাকৈ

দেশৰ সিদ্ধান্ত গ্ৰহন প্ৰক্ৰিয়াতো পৰিচালিত হয়। বিখ্যাত ৰাজনৈতিক বিজ্ঞানী হেৰল্ড লাছৱেল সংজ্ঞা মতে— "ৰাজনীতিৰ অৰ্থ কোনে কি লাভ কৰে, কেতিয়া আৰু কেনেকৈ?" ৰাজনীতিৰ বিষয়ে প্ৰথম বিশ্বজনীন কৰ্মৰাজী আছিল প্লেটোৰ 'ৰিপ্লাৱিক'

প্ৰথমে ৰাজনীতি বিজ্ঞানকো ৰাজনীতিৰ অধ্যয়নতে সীমাবদ্ধ বুলি গন্য কৰা হৈছিল দৰাচলতে যিটো প্ৰকৃত সত্য নহয়। ৰাজনীতি বিজ্ঞানে ৰাজনীতিৰ উপৰিওঁ ইয়াৰ বিস্তৃত্ব পৰিসৰৰ ভিতৰত বিভিন্ন ধৰণৰ বিষয়ৰ ওপৰত অধ্যয়ন কৰে। যেনে— ৰাজনৈতিক আচৰণ, ৰাষ্ট্ৰ অথবা ৰাজ্য, শাসন ব্যৱস্থা আৰু শাসিত শক্তি আৰু ক্ষমতাৰ ব্যৱহাৰ ইত্যাদি। 'গাৰ্ণাৰ'ৰ মতে—ৰাজনীতি বিজ্ঞানৰ আৰম্ভণী হয় ৰাষ্ট্ৰৰ স'তে আৰু ইয়াৰ সমাপ্তিওঁ ঘটে ৰাষ্ট্ৰত। সাধাৰণ অৰ্থত ক'বলৈ গ'লে ৰাজনীতি বিজ্ঞান এনে এক বিষয় যিয়ে ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে আলোচনা কৰে। ৰাজনীতি বিজ্ঞান সমান্তৰালভাবে এক নতুন আৰু পুৰণি বিষয়। সামাজিক বিজ্ঞান হিচাপে ই ৰাষ্ট্ৰ আৰু চৰকাৰৰ অন্তভুক্ত বিভিন্ন অনুষ্ঠান আৰু তেওঁলোকৰ কাৰ্যক্ৰমনিকা সম্পৰ্কে আলোচনা কৰাৰ পৰিপেক্ষিতত ৰাজনৈতিক অনুষ্ঠানৰ লগত জাড়িত বিভিন্ন তত্ত্ব আৰু নীতিৰ ওপৰতো অৱলোকন কৰে।

## ১.৪ ৰাজনীতি তত্ত্ব কি?

ৰাজনৈতিক তত্ত্বই বিভিন্ন ৰাজনৈতিক পৰিৱেশ সম্পৰ্কে এক প্ৰণালীবদ্ধ জ্ঞানৰ কথা সূচায়। ৰাজনীতি বিজ্ঞানৰ অন্যতম অংশই হৈছে ৰাজনৈতিক তত্ত্ব। ই মূলত ৰাজনীতি বিজ্ঞানৰ স্থাপনকাৰী তথা তত্ত্বগত প্ৰশ্ন আৰু বিৰ্তক সমূহৰ লগত জড়িত। আকৌ ই ৰাজহুৱা কল্যানৰ লগত জড়িত সমস্যা আৰু আলোচনা সমূহৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰে। উদাহৰণস্বৰূপে যেনে— গণতন্ত্ৰ, স্বাধীনতা, ন্যায় আৰু সমতা ইত্যাদি। মানৱ জীৱনৰ দুটি মূল শাখাৰ সৈতে ৰাজনৈতিক তত্ত্বৰ শিপা জড়িত হৈ আছে। প্ৰথমে, সমাজ সম্পৰ্কে বহুতো প্ৰশ্ন যে— কেনেকৈ সমাজ আয়োজিত হোৱা উচিত? দ্বিতীয়, চৰকাৰ আৰু প্ৰশাসন ব্যৱস্থাৰ প্ৰয়োজন মানুহৰ জীৱনত কিয়? চৰকাৰৰ শ্ৰেষ্ঠতম ধাৰণা কি? আইনে মানুহৰ স্বতন্ত্ৰতা আৰু স্বাধীনতা খৰ্ব কৰে নেকি? সহজ ভাৱে ক'বলৈ গ'লে ৰাজনৈতিক তত্ত্ব হ'ল এনে ধাৰণা আৰু নীতিৰ বিষয়ে অধ্যয়ন যি সমূহৰ জৰিয়তে মানুহে ৰাজনৈতিক ঘটনা আৰু ৰাজনৈতিক অনুষ্ঠানক বিৱৰণ, বিশ্লেষণ আৰু মূল্যায়ন কৰে।

**জানি থওঁ আহা**

ৰাজনীতিৰ অধ্যয়ন সৰ্ম্পকতথকা গুৰুত্বপূৰ্ণ দৃষ্টিভঙ্গী সমূহ—

(ক) পৰম্পৰাগত দৃষ্টিভঙ্গী

—দাৰ্শনিক দৃষ্টিভঙ্গী

—বুৰঞ্জীগত দৃষ্টিভঙ্গী

— আইনগত দৃষ্টিভঙ্গী

—আনুষ্ঠানিক দৃষ্টিভঙ্গী

(খ) সাম্প্ৰতিক দৃষ্টিভঙ্গী

— ক্ষমতাৰ দৃষ্টিভঙ্গী

— আচৰণবাদী দৃষ্টিভঙ্গী

—পৰৱৰ্তী আচৰণ বাদী দৃষ্টিভঙ্গী

(গ) অন্যান্য আধুনিক দৃষ্টিভঙ্গী

—ব্যৱস্থা বিশ্লেষণাত্মক

— গাথনি আৰু কাৰ্যবিষয়ক

—সংযোগ গত

—সিদ্ধান্ত গ্ৰহণৰ বিশ্লেষনা

### ১.৪.১ ৰাজনৈতিক তত্ত্বৰ সংজ্ঞা ঃ

জৰ্জ কেটলিনৰ মতে 'তত্ত্ব' শব্দটোৰ অৰ্থ হৈছে এখন খালী চেক্ সদ্‌শ। ইয়াৰ প্ৰয়োগৰ ওপৰতেই ইয়াৰ মূল্য আৰু উপযোগিতা নিৰ্ভৰ কৰে। ৰাজনৈতিক তত্ত্ব হ'ল— ৰাজনীতি বিজ্ঞান আৰু ৰাজনৈতিক দৰ্শনৰ সমষ্টি। ৰাজনীতি বিজ্ঞানে ৰাজনৈতিক ব্যৱস্থাৰ নিয়ন্ত্ৰণৰ পৰিৱেশ বিশ্লেষণৰ জৰিয়তে সমাজ বাক্যানৰ উপায় সমূহক তুলি ধৰে। আনহাতে ৰাজনৈতিক দৰ্শনে এই উপায় আৰু মাধ্যম সমূহৰ লক্ষ্য সমূহৰ ইঙ্গিত বহন কৰে যেনে ৰাষ্ট্ৰীয় কল্যান কি? অথবা ভাল সমাজ কি আৰু কেনে হোৱা উচিত? আকৌ 'চেবাইন'ৰ মতে ৰাজনৈতিক তত্ত্ব হ'ল যিকোনো ৰাজনৈতিক সমস্যাৰ শৃংখলাবদ্ধ অনুসন্ধান, যিয়ে বহল অৰ্থত ৰাজনীতিৰ লগত জড়িত অথবা প্ৰাসঙ্গিক যি কোনো উপাদানকে সূচায়। ডেভিদ হেল্ডৰ মতে— ৰাজনৈতিক তত্ত্বই সাধাৰণতে ৰাজনৈতিক জীৱনৰ পৰা নিৰ্গত হোৱা বিষয় সমূহক বিশ্লেষণ কৰাৰ লক্ষ্য আগত ৰাখে।

কাৰ্ল পপাৰৰ মতামত অনুসৰি, তত্ত্ব হ'ল এখন জাল যাৰ জৰিয়তে ব্যক্তিয়ে পৃথিবীখনক বুজিবৰ বাবে ধৰি থ'ব পাৰে। সাধাৰণ অৰ্থত ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ পৰিৱেশ সৰ্ন্দভত এক প্ৰণালীবদ্ধ জ্ঞানক সূচোৱক বিপৰীতে ৰাজনীতিয়ে জনসাধাৰণৰ দৈনন্দিন জীৱনৰ লগত গুৰুত্ব লাভ কৰা যিকোনো বিষয়ক সূচায়। এনড্ৰিওঁ হেকাৰৰ মতে

ৰাজনৈতিক তত্ত্ব এফালে ভাল ৰাষ্ট আৰু ভাল সমাজৰ আৰ্দশৰ সন্দানৰ জ্ঞান আৰু আনফালে সামাজিক আৰু ৰাজনৈতিক বাস্তৱতাৰ সম্পৰ্কে কৰা সন্ধানৰ এক অনাগ্ৰহী প্ৰচেষ্টাৰ সমষ্টি।

ৰাজনৈকিত তত্ত্ব আলোচনা ৰাজনীতি বিজ্ঞানৰ অংশবিশেষ। ৰাষ্ট্ৰৰ উৎপত্তিৰ পৰৱৰ্তী সময়ত মানুহে ৰাষ্ট্ৰৰ উৎপত্তি, কাৰ্য্যপন্থা আদিৰ বিষয়ে চিন্তা চৰ্চা কৰিছিল আৰু এইদৰেই ৰাজনৈতিক তত্ত্বৰ সূচনা হৈছিল। পৰিৱৰ্তীত সময়ৰ বৰ্ধিত নতুন ধৰণৰ চিন্তা চৰ্চাই ৰাষ্ট্ৰ আৰু চৰকাৰ সম্পৰ্কে বিভিন্ন নতুন মতবাদৰ বিকাশ হোৱাত অৰিহনা যোগাইছিল। ৰাজনীতি বিজ্ঞানৰ অংশ হিচাপে ইয়াৰ প্ৰধান কাৰ্য্য হৈছে ৰাজনৈতিক বিষয়ে কিছুমান সাধাৰণ নীতিক সুত্ৰবদ্ধ কৰা। উপৰোক্ত বিভিন্ন ৰাজনৈতিক চিন্তাবিদৰ সংজ্ঞা সমূহৰ উপৰিওঁ ৰাজনৈতিক তত্ত্বই বিভিন্ন ৰাজনৈতিক দ্বাৰণাৰ অৰ্থৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে। যেনে— স্বাধীনতা, সমতা, ন্যায়, গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতা ইত্যাদি। এই ধাৰণা সমূহৰ লগত সঙ্গতি ৰাখি ই আনকেতবোৰ আৰ্দশতো বিশ্লেষণ কৰি সেই সমূহৰ তাৎপৰ্য্য ডাঙি ধৰে। যেনে— আইনৰ শাসন, ক্ষমতাৰ পৃথকীকৰণ আৰু ন্যায়িক পুনৰীক্ষন ইত্যাদি। ৰাজনৈতিক তত্ত্বই বিভিন্ন ৰাজনৈতিক চিন্তাবিদৰ মত আৰু যুক্তিসমূহক লৈ সংবিধান, ৰাষ্ট্ৰ, চৰকাৰ আৰু সমাজ জীৱন সৰ্ন্ধভত এক প্ৰণালীবদ্ধ অধ্যয়ন যুগুত কৰে। সেই ৰাজনৈতিক চিন্তাবিদ সকলৰ ভিতৰত এৰিষ্ট'টল জাৰ্মিনো, হেল্ড, কবান, ইষ্টন আৰু ৱেবাৰৰ দৰে ব্যাক্তি বিশেষৰ নাম উল্লেখযোগ্য।

### ১.৪.২ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি ঃ

ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত ৰাজনৈতিক তত্ত্বৰ যথেষ্ট গুৰুত্ব আছে। ৰাজনীতি বিজ্ঞানক এক স্বয়ংসম্পূৰ্ন বিষয় হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাজনৈতিক তত্ত্বৰ গুৰুত্ব অসীম। তত্ত্বই ৰাজনৈতিক বিষয়ৰ অধ্যয়ন, ঘটনাৰাজিৰ বিশ্লেষন আৰু সিদ্ধান্ত গ্ৰহনৰ প্ৰক্ৰিয়াক মসৃণ কৰি তোলে। ৰাজনৈতিক তত্ত্বৰ ভেটি হৈছে অনুমান আৰু প্ৰত্যক্ষ পূৰ্ব বিশ্লেষণ। ই ৰাজনীতি বিজ্ঞানৰ কেন্দ্ৰীয় সমস্যা সমূহৰ পদ্ধতিগত আলোচনাৰ বাট মুকলি কৰিছে। স্থাপনকাৰী অথবা অভিজ্ঞতাবাদী দৃষ্টিভঙ্গীয়ে ৰাজনৈতিক তত্ত্বৰ অধ্যয়নত বিভিন্ন ধাৰা সৃষ্টি কৰি নতুন নতুন ৰূপ দি অধ্যয়নৰ পৰিসৰ বৃদ্ধি কৰিছে। বহুতো ৰাজনীতি বিজ্ঞানীয়ে ৰাজনৈতিক সমস্যা সমাধানৰ বাবে তত্ত্বগতভাৱে পদক্ষেপ লোৱা দেখা যায়। উদাহৰণ স্বৰূপে ৰাষ্ট্ৰৰ ক্ৰমবিকাশ তত্ব, ব্যক্তি স্বতন্ত্ৰতাতত্ত্ব, গনতন্ত্ৰৰ তত্ব, জাতীয়তাবাদৰ তত্ত্বৰ বাখ্যা। ই প্ৰমান কৰে ৰাজনৈতিক তত্ত্বই মানুহৰ গৱেষনামূলক চিন্তাশক্তিৰ ক্ৰমবিকাশৰ ওপৰত নিৰ্ভৰ কৰে। ৰাজনৈতি তত্ত্বৰ সংজ্ঞা আৰু অৰ্থৰ সন্দৰ্ভত হোৱা উপৰোক্ত আলোচনাৰ পৰা নিম্নলিখিত বিষয় সমূহৰ ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি বুলিব পাৰি—

- ৰাজনৈতিক তত্ত্ব স্থাপনকাৰী ধৰ্মী হ'ব পাৰে আৰু অভিজ্ঞতাবাদী ধৰ্মীওঁ হ'ব পাৰে অথবা একে সময়তে দুয়োটা হ'ব পাৰে।

- ৰাজনৈতিক তত্বই প্ৰণালীবদ্ধ ভাৱে, ৰাজনীতি, ৰাষ্ট্ৰ, চৰকাৰ, অথবা যি কোনো ৰাজনৈতিক অনুষ্ঠানৰ সম্পৰ্কত অৱলোকন কৰে।
- ৰাজনৈতিক তত্ব ৰাজনীতি বিজ্ঞান, ৰাজনৈতিক চিন্তাধাৰা, ৰাজনৈতিক দৰ্শন অথবা ৰাজনৈতিক আৰ্দশতকৈ এক পৃথক অধ্যয়নৰ বিষয়বস্তু।
- যি কোনো ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক পৰিৱেশ, ৰাজনৈতিক সংস্থা, সমাজিক উপাদান অথবা ৰাজনীতিৰ যি কোনো উপাদান সম্পৰ্কে বিশ্লেষণ, বিৱৰণ, বাখ্যা অথবা আনুমানিক অধ্যয়ন আৰু পৰিৱৰ্তন ধৰ্মী অধ্যয়ন কৰাটোৱেই ৰাজনৈতিক তত্বৰ উদ্দেশ্য।

ৰাজনৈতিক চিন্তাবিদ সকলৰ লিখনিৰ পৰাই বিভিন্ন সময়ত ৰাজনৈতিক পৰিকাথাম সম্পৰ্কে অথবা ৰাজনৈতিক মতবাদ সমূহৰ বিষয়ে জনা যায়। অতীতৰ পৰা বৰ্তমানলৈকে থকা এনে লিখনি সমূহত থকা বিভিন্ন ৰাজনৈতিক পৰিৱেশৰ ওপৰত কৰা ৰাজনৈতিক চিন্তাবিদ সকলৰ মতবাদ সমূহ ৰাজনৈতিক তত্বৰ এক উল্লেখযোগ্য উৎস।

**অগ্ৰগতিৰ খতিয়ান-১**

১. খালী ঠাই পূৰণ কৰা ঃ

(ক) ৰাজনীতি আৰু ৰাজনৈতিক শব্দটো আহিছে গ্ৰীক শব্দ..............

(খ) ...........হ’ল ৰাজনীতি বিজ্ঞানৰ এক মূল উপাদান।

(গ) পুৰণি গ্ৰীক নগৰ-ৰাষ্ট্ৰ সমূহ .................আধুনিক ৰাষ্ট্ৰৰ আকাৰৰ তুলনাত।

(ঘ) ৰাজনৈতিক তত্ব .....................অভিজ্ঞতাবাদী অথবা দুয়োটা হ’ব পাৰে।

২. ৰাজনৈতিক তত্বৰ এটি সংজ্ঞা ডাঙি ধৰা।

৩. ৰাজনৈতিক তত্ব কি?

৪. ৰাজনৈতিক তত্ব প্ৰকৃতি বুলিলে কি বুজা আৰু কি কি?

### ১.৪.৩ ৰাজনৈতিক তত্বৰ প্ৰকাৰ ঃ

ৰাজনৈতিক তত্ব মূলত তিনিপ্ৰকাৰৰ — স্থাপনকাৰী, বিশ্লেষণাত্মক আৰু মনোযোগ গত।

(১) স্থাপনকাৰী— স্থাপনকাৰী ৰাজনৈতিক তত্ব সমূহ মূলত কিছু নীতি বা আৰ্দশৰ ওপৰত প্ৰষ্ঠিত হোৱা দেখা যায়। ই সমাজ অথবা ৰাজনৈতিক ব্যৱস্থাত কিছু মূল্য গত বিষয় স্থাপন কৰি খোজে। উদাহৰণ স্বৰূপে— ৰ’লছৰ বিতৰণৰ ন্যায় তত্ব আৰু গান্ধীৰ অহিংস ধাৰণা।

(২) বিশ্লেষণাত্মক তত্ত্বই বিভিন্ন ব্যৱস্থাৰ সৃষ্টি, বিকাশ আৰু কাৰ্যক্ৰমনিকা বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। উদাহৰণ স্বৰূপে— বিকাশৰ তত্ত্ব আৰু পুজিবাদৰ তত্ত্বই ক্ৰমে অনুন্নতৰ উন্নতি আৰু পুজিবাদৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে।

(৩) মনোযোগ গত এনেধৰণৰ তত্ত্বই স্থাপনকাৰী আৰু বিশ্লেষণাত্মক তত্ত্বৰ পৰিক্ৰমা অতিক্ৰম কৰি যায়। হান্নাহ আৰডেণ্টৰ যোগাযোগ আৰু প্ৰযুক্তিবিদ্যাৰ বিপ্লৱ তত্ত্ব মনোযোগ গত তত্ত্বৰ উদাহৰণ।

## ১.৫ ৰাজনৈতিক তত্ত্বৰ বৈশিষ্ট আৰু পৰিসৰ ঃ

ইতিমধ্যে পূৰ্বতে আলোচনা কৰা হৈছে যে ৰাজনৈতিক তত্ত্বই এক প্ৰণালীবদ্ধ জনক সূচায়। ইয়াৰ অৰ্থ হ'ল ৰাজনৈতিক তত্ত্বই প্ৰতিনিধিত্ব কৰা প্ৰণালীবদ্ধ জ্ঞান সমষ্টিৰ বিষয় ৰাজনৈতিক পৰিৱেশ। এৰিষ্ট'টলে কোৱাৰ দৰে মানুহ জন্মসুত্ৰেই এক সামাজিক তথা ৰাজনৈতিক প্ৰাণী। ৰাষ্ট্ৰৰ অথবা সমাজৰ অবিহনে মানুহ হয়তো মানৱতাৰ উৰ্ধত। ৰাজনৈতিক তত্ত্বৰ সৃষ্টি এক বিষয় হিচাপে হোৱাৰ দিন ধৰিয়েই ই সদায় সময় মতে বিকাশ আৰু পৰিৱৰ্তনমুখী। সাম্প্ৰতিক সময়ত বহুতো নতুন বিৰ্তক আৰু ধাৰণা ৰাজনৈতিক তত্ত্বৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিগণিত হৈছে। উদাহৰণস্বৰূপে— উত্তৰ আধুনিকতাবাদ, নাৰীবাদ আৰু বহু সংস্কৃতি বাদ।

ৰাজনৈতিক তত্ত্ব মূলত তিনি বিবৃতিৰ সৈতে জড়িত—

১. স্থাপনকাৰী বিবৃতি-ই প্ৰত্যক্ষনৰ ওপৰত নিৰ্ভৰশীল প্ৰতিষ্ঠিত।

২. যুক্তিক বিবৃতি- ই যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত।

৩. মূল্যংকন বিবৃতি - ই মূল্যবোধৰ ব্যৱহাৰৰ দ্বাৰা কৰা বিচাৰৰ ওপৰত প্ৰতিষ্ঠিত।

ইষ্টনৰ মতে ৰাজনৈতিক তত্ত্ব মূলত তিনিটা উপাদানৰ সমষ্টি—

১. তথ্যগত অথবা বিৱৰণমূলক বিবৃতি

২. বিশুদ্ধ অথবা নৈমিত্তিক তত্ত্ব

৩. মান তত্ত্ব

ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰ পৰিৱেশ সম্পৰ্কে কৰা অধ্যয়ন দাৰ্শনিক আৰু স্থাপনকাৰী দুয়োটা দৃষ্টিভঙ্গীৰ সংমিশ্ৰণৰ জৰিয়তে কৰে। ৰাজনৈতিক চিন্তাধাৰা, ৰাজনৈতিক দৰ্শন আৰু ৰাজনীতি বিজ্ঞানেওঁ ৰাজনৈতিক পৰিৱেশকেই নিজৰ মূল বিষয় হিচাপে গণ্য কৰে যদিওঁ ৰাজনৈতিক তত্ত্ব এই সমূহতকৈ কেনেদৰে পৃথক তলত বিশদ ভাবে আলোচনা কৰা হ'ল।

**জানি থওঁ আহা**

- ইষ্টনৰ মতে ৰাজনৈতিক তত্ত্ব তিনিটা উপাদানৰ সমষ্টি—
  - (ক) তথ্যগত অথবা বিৱৰণমূলক বিবৃতি
  - (খ) বিশুদ্ধ অথবা নৈমিত্তিক তত্ত্ব
  - (গ) মান তত্ত্ব
  - (ঘ) ৰাজনৈতিক তত্ত্ব .
- ৰাজনৈতিক তত্ত্বই প্ৰৰ্দশন কৰা বিশেষ কাৰ্য্যসমূহ
  - (ক) বোধ গম্য কৰি তুলা
  - (খ) বিশ্লেষণ কৰা
  - (গ) মূল্যংকন
  - (ঘ) কাল্পনিক

### ১.৫.১ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তধাৰা ঃ

ৰাজনৈতিক চিন্তাধাৰ হ'ল তত্ত্ব আৰু মূল্য দুয়োটাৰে সমষ্টি। ৰাজনৈতিক চিন্তাধাৰাৰ পৰিসৰ ব্যাপক আৰু বৰ্তমানৰ সমাজৰ নাগৰিকৰ দৈন্নন্দিন জীৱনৰ লগত জড়িত। ৰাজনৈতিক চিন্তাধাৰাৰ উৎস ভিন্ন ধৰণৰ— দাৰ্শনিক, লিখক, সাংবাদিক, বুদ্ধিজীৱি অথবা ৰাজনৈতিক সমালোচক। উৎসৰ বিভিন্নতাই ইয়াৰ মূল বিষয়সমূহতো ভিন্নতাৰ সৃষ্টি কৰে। নাগৰিকৰ দৈন্নন্দিন জীৱনৰ ৰাজনৈতিক উপাদানৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰৰ ভূমিকা বিষয়ে আৰু চৰকাৰৰ নীতিৰ, আচঁনি পৰা আৰম্ভ কৰি কাৰ্যক্ৰমণিকা পৰ্য্যন্ত। ৰাজনৈতিক চিন্তাধাৰা সমূহ লিখিত ৰূপৰ দৃঢ় স্বৰূপৰ নহয়। ইয়াৰ চৰিত্ৰ লক্ষনীয় কাৰণ যিকোনো ৰাজনৈতিক পৰিঘটনা অথবা পৰিৱেশক লৈ ইয়াৰ সৃষ্টি হ'ব পাৰে। যেতিয়া এই ৰাজনৈতিক চিন্তাধাৰা কোনো নিদিষ্ট চৰকাৰৰ বিষয়ে অথবা তেওঁলোকৰ লক্ষ্য আৰু কৰ্মৰাজিৰ বিষয়ে হয় ই এক নিৰ্দিষ্ট সময়ৰ গভীৰ বিষয়েই বিৱৰণ কৰে। সেই বাবেই ৰাজনৈতিক চিন্তাধাৰাৰ অধ্যয়নে বিভিন্ন স্তৰত ৰাজনৈতিক চিন্তাক সাঙুৰি লোৱা দেখা যায়। উদাহৰণ স্বৰূপে প্ৰাচীন যুগৰ গ্ৰীক চিন্তাধাৰাৰ পৰা মধ্যযুগৰ ৰাজনৈতিক চিন্তা, আধুনিক যুগৰ ৰাজনৈতিক চিন্তা তথা উত্তৰ আধুনিকতাবাদী চিন্তা পৰ্য্যন্ত।

বাৰ্কাৰৰ মতে— ৰাজনৈতিক চিন্তাধাৰা এক নিৰ্দিষ্ট যুগৰ চিন্তা হোৱাৰ বিপৰীতে ৰাজনৈতিক তত্ত্ব কোনো এক নিৰ্দিষ্ট চিন্তাবিদৰ কল্পনাৰ ফলশ্ৰুতি। ৰাজনৈতিক চিন্তাধাৰা সাম্প্ৰতিক সময়ৰ ৰাজনৈতিক পৰিৱেশৰ বাস্তৱ প্ৰতিফলন হোৱাৰ বিপৰীতে ৰাজনৈতিক তত্ত্বৰ কোনো নিৰ্দিষ্ট সময়ৰ ৰাজনৈতিক বাস্তৱতাৰ লগত সংগতি নাথাকিবওঁ পাৰে। ৰাজনৈতিক তত্ত্ব কোনো চিন্তাবিদৰ প্ৰণালীবদ্ধ আৰু মাৰ্জিত বিশ্লেষক হোৱাৰ

বিপৰীতে  ৰাজনৈতিক চিন্তাধাৰাত সেই শৃংগলাবদ্ধতা তথা পৰিমাৰ্জিত নহবওঁ পাৰে। ৰাজনৈতিক তত্ত্বই  তত্ত্ববিদজনৰ চিন্তাৰ দিশৰ পৰা ৰাজনৈতিক বাস্তৱতাৰ ওপৰত আলোচনাৰ পৃষ্ঠ ডাঙি ধৰে। ইয়াৰ অৰ্থ হ'লে একেই ৰাজনৈতিক পৰিৱেশ সম্পৰ্ক একে সময়তে বিভিন্ন চিন্তাবিদৰ পৰা বিভন্ন তত্ত্বৰ সৃষ্টি হ'ব পাৰে। ৰাজনৈতিক তত্ত্বৰ প্ৰয়োজনীয়তা এই বাবেই বেছি যে ইয়াৰ উপযোগিতা ইয়াৰ কাৰ্য্যৰ লগত জড়িত। ৰাজনৈতিক তত্ত্বই কেৱল মাত্ৰ ৰাজনৈতিক বাস্তৱতা আৰু ব্যৱস্থাৰ বিশ্লেষণতেই সীমাবদ্ধ নাথাকি প্ৰয়োজনত সেই ব্যৱস্থাত হ'ব লগা পৰিৱৰ্তনৰ ইঙ্গিতো বহন কৰে। ৰাজনৈতিক তত্ত্বৰ ভূমিকা সেইবাবেই সমাজ আৰু সমাজৰ ৰাজনৈতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ বৈশিষ্টৰ বিভিন্নতাৰ অনুৰূপে প্ৰতিখন সমাজত ভিন্ন হ'ব পাৰে। কেতিয়াবা এই ভূমিকা ৰক্ষণশীল, সমালোচনাত্মক অথবা পৰিৱৰ্তনকামী হ'ব পাৰে।

### ১.৫.২   ৰাজনৈতিক  তত্ত্ব আৰু ৰাজনৈতিক দৰ্শন ঃ

জাৰ্মিনোৰ মতে— ৰাজনৈতিক দৰ্শনে মানুহৰ দৈনন্দিন জীৱনৰ সামাজিক অৱস্থিতিৰ সমস্যা সমূহৰ বোধগম্যতাত অৱিহনা যোগায়। ৰাজনৈতিক দৰ্শন প্ৰকৃততে ৰাজনৈতিক তত্ত্বৰ স্থাপনকাৰী শাখাৰ লগত জড়িত। সাধাৰণ অৰ্থত দৰ্শনৰ অৰ্থ হ'ল জ্ঞানৰ বিজ্ঞান। এই জ্ঞান পৃথিৱী সম্পৰ্কে, মানুহৰ অথবা ইশ্বৰ সম্পৰ্কে। এই জ্ঞান আক্ষৰিক দিশৰ পৰা বহু জ্ঞানৰ সমষ্টি পৃথিবীৰ যি কোনা বিষয় অথবা উপাদানৰ বিষয়ে। এই জ্ঞান ৰাশিৰ ব্যৱহাৰৰ দ্বাৰা ৰাজনৈতিক পৰিৱেশক অধ্যয়ন কৰাটোৱেই ৰাজনৈতিক দৰ্শন বুলি ক'ব পাৰি। এই ৰাজনৈতিক দৰ্শন কেৱল ৰাজনৈতিক পৰিৱেশৰ বিশ্লেষণতেই সীমাবদ্ধ নহৈ ৰাজনৈতিক পৰিৱেশ কেনে হোৱা উচিত তাৰো ব্যখ্যা দাঙি ধৰে। ৰাজনৈতিক দৰ্শন কোনো নিৰ্দিষ্ট সময় অথবা নিৰ্দিষ্ট সাম্প্ৰতিক বিষয়ে নহয়। এই নিৰ্দিষ্টতাৰ পৰিধি পাৰ কৰি ই বিশ্বজনীন মত আৰু আদৰ্শক ডাঙি ধৰে। যেনে— ৰাজনৈতিক সংস্থাৰ উদ্দেশ্য আৰু ভূমিকা, ৰাজনৈতিক কৰ্তৃপক্ষৰ আধাৰশিলা, অধিকাৰৰ ধাৰণা আৰু স্বৰূপ, স্বাধীনতা, সমতা আৰু ন্যায় ইত্যাদি। ইয়াৰ অৰ্থ এয়ে যে  ৰাজনৈতিক দৰ্শনে ৰাজনৈতিক জীৱনৰ স্থাপনকাৰী মূল্য আৰু বাখ্যাক ডাঙি ধৰে।

প্ৰতিজন ৰাজনৈতিক দাৰ্শনিকেই একো একোজন ৰাজনৈতিক তত্ত্ববিদ। কিন্তু সকলো ৰাজনৈতিক তত্ত্ববিদেই ৰাজনৈতিক দাৰ্শনিক নহবওঁ পাৰে। এই ধাৰণাটোৱেই ৰাজনৈতিক দৰ্শন আৰু ৰাজনৈতিক তত্ত্বৰ মাজত থকা মূল পাৰ্থক্যটো ডাঙি ধৰে। এনে বহুতো বিখ্যাত ৰাজনৈতিক তত্ত্ববিদ আছে যি সকলক ৰাজনৈতিক দাৰ্শনিক হিচাপে গ্ৰহন কৰা নহয়। কিন্তু পাৰ্থক্য থাকিলেওঁ ৰাজনৈতিক দৰ্শন আৰু ৰাজনৈতিক তত্ত্বৰ মাজত ৰাজনৈতিক সমস্যাক ডাঙি ধৰাৰ ক্ষেত্ৰত সাদৃশ্য দেখা যায়। ৰাজনৈতিক তত্ত্বই যি সমূহ

সমস্যাক বিশ্লেষণ কৰাৰ চেষ্টা কৰে সেই একে সমূহ বিষয়কে ৰাজনৈতিক দৰ্শনেওঁ বিশ্লেষণ কৰে। কোনো বিষয়ৰ ওপৰত কৰা বাখ্যা সেইবাবে ৰাজনৈতিক দৰ্শনৰ দিশত পৰা তথা ৰাজনৈতিক তত্ত্বৰ দিশৰ পৰা দুয়ো ধৰণেই চাব পাৰি।

ৰাজনৈতিক তত্ত্বৰ স্বৰূপ স্থাপনকাৰী বা অভিজ্ঞতাবাদী দুয়োটা ধৰণৰ হ'ব পাৰে। কিন্তু ৰাজনৈতিক দৰ্শনৰ প্ৰকৃতি কল্পনাপ্ৰসূত। উদাহৰণ স্বৰূপে ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু উদ্দেশ্য বিশ্লেষণ কৰিবলৈ যাওঁতে সমাজৰ ৰাজনৈতিক আচৰণৰ বাস্তৱতাক পৰীক্ষন কৰে। ই ৰাষ্ট্ৰ আৰু নাগৰিকৰ মাজত সম্পৰ্ক তথা ৰাজনৈতিক কৰ্তৃপক্ষৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাজনৈতিক দৰ্শনৰ এই একে সমূহ বিষয়ৰ ওপৰত থকা বিশ্লেষণকো তত্ত্ব বুলিব পাৰি কিন্তু এই সমূহৰ বৈশিষ্ট বিজ্ঞানভিত্তিক নহয়। যদিওঁ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক দৰ্শনৰ মাজত বাখ্যা ভিত্তিক ধৰ্মী পাৰ্থক্য আছে কিন্তু প্ৰকৃততে দৰ্শনৰ পৰা তত্ত্বৰ পৃথকীকৰণ আৰু তত্ত্বৰ পৰা দৰ্শনৰ পৃথকীকৰণ অৰ্থহীন। বিশেষকৈ সমাজ বিজ্ঞানত সদায়ে তত্ত্বৰ গ্ৰহনযোগ্যতাত দৰ্শনহে ইন্ধন যোগায়।

**অগ্ৰগতিৰ খতিয়ান- ২**

১. ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতি বিজ্ঞনৰ মূল পাৰ্থক্য কি?

২. ৰাজনৈতিক দৰ্শন বুলিলে কি বুজা?

৩. 'পলিটিক্স' নামৰ গ্ৰন্থখন কোনে লিখিছিল?

৪. (খালী ঠাই পূৰণ কৰা)

(ক) ৰাজনৈতিক দৰ্শন ৰাজনৈতিক তত্ত্বৰ.........লগত জড়িত

(খ) দৰ্শনৰ অৰ্থ হ'ল .......পৃথিৱী সম্পৰ্কে, মানুহৰ অথবা ঈশ্বৰ সম্পৰ্কে।

৫. ৰাজনৈতিক চিন্তাধাৰা মানে কি বুজা?

৬. ৰাজনৈতিক তত্ত্বই কি কি কাৰ্য্য সম্পাদন কৰে।

### ১.৫.৩ ৰাজনৈতিক তত্ত্ব আৰু ৰাজনীতিবিজ্ঞান ঃ

ৰাজনীতি বিজ্ঞানৰ পৰিসৰ যথেষ্ট ব্যাপক কিয়নো অধ্যয়নৰ বিষয়বস্তু হিচাপে সৃষ্টি কালৰ পৰাই ই বিকাশমুখী। ই একেৰাহে ৰাজনৈতিক চিন্তাধাৰা, ৰাজনীতি তথা আন্তৰাষ্ট্ৰীয় আইন আৰু ৰাজনীতি ইত্যাদি সকলো বিষয়কে সামৰি লয়। ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অধ্যয়নৰ উপক্ষেত্ৰ। ৰাজনীতিৰ অধ্যয়নত বিজ্ঞানসন্মত পদ্ধতিৰ ব্যৱহাৰে ৰাজনীতি বিজ্ঞানক ৰাজনৈতিক দৰ্শনৰ পৰা পৃথক কৰি ৰাজনৈতিক তত্ত্বৰ সৈতে সাদৃশ্য স্থাপন কৰে। ৰাজনৈতিক আচৰণৰ বাস্তৱ সন্মত বিশ্লেষণ আৰু মানৱ সমাজত তাৰ বাখ্যা ৰাজনীতি বিজ্ঞানৰ গুৰুত্বপূৰ্ণ অংশ। মূলত

ৰাজনীতি বিজ্ঞানে মানুহ আৰু সমাজৰ আচৰণগত ক্ষেত্ৰৰ ওপৰত বিশেষ মনোনিৱেশ কৰে।

ইতিমধ্যে ই আলোচনা কৰাৰ দৰে ৰাজনৈতিক তত্ত্ব কেৱল ‘কি’ সম্পৰ্কে নহৈ ই ‘কেনে হোৱা উচিত’ তাৰো বাখ্যা ডাঙি ধৰে। ইয়াৰ বিশ্লেষণৰ পৰিধিয়ো কেৱল অভিজ্ঞতাবাদী দৃষ্টিকোনতে সীমাবদ্ধ নহয়। ৰাজনৈতিক তত্ত্বই যি কোনো ৰাজনৈতিক পৰিৱেশৰ সমস্যাসমূহক বিশ্লেষণ কৰোতে তাৰ বাবে প্ৰয়োজনীয় ভবিষ্যৎ পন্থা সম্পৰ্কেও বাখ্যা আগবঢ়ায়। ৰাজনৈতিক ব্যৱস্থা এটাৰ আন উপাদানসমূহৰ সৈতে থকা এই সমস্যা ৰাজিৰ সম্পৰ্কৰ ওপৰতো মনোনিৱেশ কৰে। এই সমস্যাসমূহৰ সমাধানৰ পথ ডাঙি ধৰিবলৈ যাওঁতে ৰাজনৈতিক ব্যৱস্থাৰ কিছু মূল উপাদান যেনে— ৰাষ্ট্ৰ, চৰকাৰ আৰু নাগৰিক ইত্যাদিৰ ভূমিকা কেনে হোৱা উচিত তাক প্ৰতিফলিত কৰে। ৰাজনৈতিক তত্ত্বৰ সাম্প্ৰতিক বিকাশ ৰাজনৈতিক দৰ্শন আৰু ৰাজনৈতিক চিন্তাধাৰাৰ সংমিশ্ৰন বুলি কোৱা হয়।

## ১.৬ ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা ঃ

ৰাজনৈতিক ব্যৱস্থা আৰু যি কোনো ৰাজনৈতিক পৰিবেশৰ ক্ষেত্ৰত ৰাজনৈতিক তত্ত্ব বহু দিশৰ পৰা প্ৰাসংগিক। যি কোনো ৰাজনৈতিক সমস্যাৰ সমাধানত তত্ত্বই সহায় কৰে। ৰাজনৈতিক তত্ত্বৰ অধ্যয়নৰ অন্যতম উদ্দেশ্য হ'ল নাগৰিক সকলক তেওঁলোকৰ চাৰিওঁদিশৰ ৰাজনৈতিক পৰিৱেশ বুজি উঠাৰ বাবে সক্ষম কৰি তোলা। আকৌ ই নাগৰিকৰ সাম্প্ৰতিক পৰিস্থিতিত সংঘটিত হৈ থকা ৰাজনৈতিক ঘটনাৰাজিৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহনৰ ক্ষমতা বিকাশ কৰে। গুৰুত্বপূৰ্ণ ভাবে ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক পৰিৱেশ এটাৰ সঠিক দিশৰ বিশ্লেষণ যুক্তিপূৰ্ণ বিবেচনাত অৰিহনা যোগায়। যুক্তিপূৰ্ণ বিবেচনা আৰু সঠিক দিশৰ বিশ্লেষণে ৰাজনৈতিক ব্যৱস্থা এটাৰ উদ্দেশ্য নিৰ্ণয় কৰাত আৰু সেই উদ্দেশ্য প্ৰাপ্তিৰ লক্ষ্যত কাৰ্যপ্ৰণালী প্ৰস্তুত কৰাত অৰিহনা যোগায়। উদাহৰণ স্বৰূপে প্লেটো'ৰ ‘ৰিপ্লাৱিক'ৰ অথবা ‘ৰ'লছ'ৰ ন্যায়ৰ তত্ত্বত ব্যক্তিয়ে আৰ্দশগত সিদ্ধান্ত গ্ৰহণৰ উপাদান লাভ কৰিব পাৰে।

**জানি থওঁ আহা**

ৰাজনৈতিক তত্ত্বৰ প্ৰাসংগিকতা-

- ৰাজনৈতিক তত্ত্বই বিভিন্ন ধাৰণা সম্পৰ্কে স্বচ্ছতা অৰ্জনত সহায় কৰে।
- ৰাজনৈতিক তত্ত্বই সামাজিক জীৱনৰ বোধগম্যতা আৰু সহায় কৰে।
- ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰ আৰু চৰকাৰী প্ৰতিষ্ঠানৰ কাৰ্য্যক্ৰমনিকা পুনঃৰীক্ষন আৰু সমালোচনাত সহায় কৰে।

• ৰাজনৈতিক তত্ত্বই  সামাজিক পুনঃনির্মানত সহায় কৰে

• ৰাজনৈতিক তত্ত্বই ক্ষমতাৰ বহুমুখী স্তৰৰ সমূহৰ অৰ্থ ডাঙি ধৰাৰ লগতে  বুজি উঠাত সহায় কৰে।

ৰাজনৈতিক তত্ত্বৰ প্ৰাসঙ্গিকতা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

**(ক) ৰাজনৈতিক তত্ত্বই বিভিন্ন ধাৰণা সৰ্ম্পকে স্বচ্ছতা অৰ্জন কৰাত সহায় কৰে ঃ**

দৈনন্দিন জীৱনৰ লগত সংগতি থকা বিভিন্ন ৰাজনৈতিক আৰু সামাজিক ধাৰণা সৰ্ম্পকে স্বচ্ছতা বৃদ্ধিত ৰাজনৈতিক তত্ত্বই সহায় কৰে। দৰ্শনেই হওঁক বা বিজ্ঞানেই হওঁক একোটা পৰিৱেশ অথবা ব্যৱস্থাক ভালদৰে বুজিবলৈ হ'ল ধাৰণাৰ স্বচ্ছতা অপৰিহাৰ্য্য। ৰাজনৈতিক জীৱন চহকী কৰা মূল আৰু ধাৰণা সমূহৰ সৰ্ম্পকে ৰাজনৈতিক তত্ত্বই পৰিক্ষণৰ দ্বাৰা প্ৰণালীবদ্ধভাৱে স্বচ্ছতা প্ৰদান কৰে। ধাৰণাৰ উদাহৰণ স্বৰূপে যেনে— স্বাধীনতা, সমতা, আৰু ন্যায় ইত্যাদি। এই ধাৰণাসমূহৰ বিষয়ে অতীত আৰু বৰ্তমানত দিয়া বিভন্ন চিন্তাবিদৰ মতৰ বিশ্লেষণ কৰাৰ লগতে ধাৰণা সমূহৰ অৰ্থ আৰু প্ৰয়োজনীয়তা ডাঙি ধৰে।

**(খ) ৰাজনৈতিক তত্ত্বই সামাজিক জীৱনৰ বোধগম্যতা বৃদ্ধিত আৰু নিয়ন্ত্ৰণত সহায় কৰে ঃ**

ৰাজনৈতিক তত্ত্বই ভবিষ্যৎৰ আচনি তৈয়াৰ কৰাত সহায় কৰাৰ উপৰিওঁ বৰ্তমানৰ সময়ত সমাজত শান্তি শৃংখলা বজাই ৰখাত সহায় কৰে। ৰাজনৈতিক ঘটনা পৰিঘটনা সৰ্ম্পকে ডাঙি ধৰা বিজ্ঞাসন্মত বিশ্লেষণ সমূহে সমাজত শান্তি শৃংখলা ভঙ্গ কৰা উপাদানসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত নাগৰিক সকলক সক্ষম কৰি তুলে। সমাজত শান্তি-শৃংখলাৰ প্ৰয়োজনীয়তা সৰ্ম্পকে নাগৰিকৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত ই মূল চালিকা শক্তিৰ ভূমিকা বহন কৰে সামাজিক বোধগম্যতাৰ বৃদ্ধিৰ জৰিয়তে। ৰাজনৈতিক তত্ত্বই সমাজত সংঘাট আৰু ৰোধ কৰাৰ উপায়সমূহ বৰ্ণনা কৰে যাৰ জৰিয়তে এখন সমাজত ৰাজনৈতিক আৰু সামাজকি সংকটক এৰাই চলিব পাৰি।

**(গ) ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰ আৰু চৰকাৰী প্ৰতিষ্ঠানৰ কাৰ্যক্ৰমনিকা পুনৰীক্ষণ আৰু সমালোচনাত সহায় কৰে ঃ**

ৰাজনৈতিক তত্ত্বই বিভিন্ন সমস্যাৰ বিশ্লেষণ আৰু ইয়াৰ সমাধান সুত্ৰ ডাঙি ধৰে। ই কল্যানকামী ৰাষ্ট্ৰৰ ধাৰণা, কাৰ্য্য আৰু ব্যৱস্থাত নাগৰিকক অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষা দিয়াৰ উপৰিওঁ তেওঁলোকৰ কল্যানৰ বাবে কাম কৰাৰ দ্বায়িত্ব ৰাষ্ট্ৰৰ। ৰাজনৈতিক

তত্ত্বই এনে ধৰণে বিভিন্ন চৰকাৰী সংস্থা অথবা প্ৰতিষ্ঠানৰ কাৰ্য্যক্ৰমনিকাই নাগৰিকৰ কিমান উপযোগিতা প্ৰদান কৰিছে তাক বিৱেচনা কৰা। ৰাষ্ট্ৰৰ দায়িত্ব কি হোৱা উচিত তথা নাগৰিকৰ কল্যানৰ বাবে কি কৰা উচিত ইত্যাদি ধাৰণাৰ যোগেদি ৰাজনৈতিক তত্ত্বই চৰকাৰ আৰু ৰাষ্ট্ৰৰ কৰ্মৰাজিক সমালোচনা তথা পৰীক্ষাত সহায় কৰে।

**(ঘ) ৰাজনৈতিক তত্ত্বই সামাজিক পুনঃ নিৰ্মানত সহায় কৰে ঃ**

ৰাজনৈতিক তত্ত্বই সামাজিক পুনঃনিৰ্মানক উৎসাহী কৰে। বিশ্ববিখ্যাত বহুতো ৰাজনৈতিক চিন্তাবিদ সমূহৰ বিভিন্ন তত্ত্বত সমাজ পুনঃনিৰ্মানৰ উপাদান সমূহ দেখা যায়। সেই সকলৰ ভিতৰত নাম প্লেটো, এৰিষ্ট'টল, হবছ, লক, ৰুছো আৰু মেকিয়াভেলী ইত্যাদি। এই চিন্তাবিদ সমূহৰ লিখনিত সামাজিক ভাৰসাম্য হীনতাৰ উল্লেখ তথা সমাধানৰ পথ দেখুওঁৱা হৈছে যদিওঁ তাকেই সম্পূৰ্ণ শুদ্ধ বুলি ধৰি ল'ব নোৱাৰি। তথাপিওঁ এই তত্ত্বসমূহে সাম্প্ৰতিক সমাজৰ বহুতো সমস্যা আতৰাই পুনঃনিৰ্মানৰ ক্ষেত্ৰত অৰিহনা যোগাব পাৰে।

**(ঙ) ৰাজনৈতিক তত্ত্বই ক্ষমতাৰ বহুমুখী স্তৰ সমূহৰ অৰ্থ ডাঙি ধৰাৰ লগতে বুজি উঠাত সহায় কৰে ঃ**

ক্ষমতাৰ বিভিন্ন স্তৰসমূহক বুজি উঠাত ৰাজনৈতিক তত্ত্বই সহায় কৰে। ৰাষ্ট্ৰৰ উদ্দেশ্য জনসাধাৰণৰ কল্যান হোৱাৰ উপৰিওঁ যে অন্য এক দিশৰ পৰা ক্ষমতা লাভৰ প্ৰত্যাশাত ব্যস্ত ৰাষ্ট্ৰৰ চৰিত্ৰওঁ ই ডাঙি ধৰে। সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিৰ তাত্বিক ধাৰণাটোৱেই ৰাষ্ট্ৰ সমূহৰ মাজত থকা এক ক্ষমতাৰ যুজ-বাগৰ। ৰাজনৈতিক তত্ত্বই ক্ষমতাৰ এই ধাৰণা সমূহত সঠিক বিশ্লেষণৰ জৰিয়তে এই সমূহৰ অৰ্থ বুজি উঠাত সহায় কৰে তথা সাম্প্ৰতিক বিশ্বায়নৰ পৃথিৱীৰ সমাজত ক্ষমতাৰ কাৰ্য আৰু ভূমিকা বৰ্ণনা কৰে।

**আত্মমূল্যায়নমূলক প্ৰশ্ন**

ক. ৰাজনৈতিক তত্ত্বক প্ৰাসংঙ্গিক বুলি ভাবানে সৰ্মথনত কাৰণ দৰ্শোৱ

খ. ৰাজনৈতিক তত্ত্বই 'ধাৰণা'ৰ স্বচ্ছতা প্ৰদান কৰেনে? সামাজিক জীৱন ই কেনেকৈ নিয়ন্ত্ৰণ কৰে? আলোচনাকৰা।

## ১.৭ ৰাজনৈতিক তত্ত্বৰ বিকাশ ঃ

ৰাজনৈতিক তত্ত্বৰ বিকাশ মূলত পশ্চিমীয়া দেশত হৈছিল। ইয়াৰ উৎপত্তি বিকাশৰ বিভিন্ন স্তৰৰ মাজেদি পাৰ হৈ আহিছে। প্ৰাচীন গ্ৰীকৰ স্তৰে ৰাজনৈতিক তত্ত্বৰ সম্পৰ্ক ৰাষ্ট্ৰৰ উদ্দেশ্যৰ লগত জড়িত কৰিছিল। এই স্তৰত ৰাষ্ট্ৰক ন্যায়ৰ এক অনুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিব খোজা হৈছিল যাৰ অনুমান প্লেটোৰ আৰ্দশ ৰাষ্ট্ৰৰ ধাৰণাৰ মাজত দেখা যায়।

মধ্যযুগত ৰাষ্ট্ৰক ধৰ্মৰ সৈতে সংযোগ কৰাৰ চেষ্টা কৰা হৈছিল। ৰাষ্ট্ৰৰ সিদ্ধান্ত গ্ৰহন প্ৰক্ৰিয়াত গীৰ্জাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহন কৰিছিল। বহুতো দেশত গীৰ্জাক সৰ্বোত্তম আইন তথা কৰ্তৃপক্ষ বুলি গণ্য কৰা হৈছিল। আধুনিক যুগৰ আৰম্ভণিৰ সময়ছোৱাত ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কীয় ধাৰণাৰ পোষকতা আৰু আলোচনা কৰিছিল। পৰ্য্যায়ক্ৰমে ৰাষ্ট্ৰৰ ওপৰত থকা মনোনিৰেশ ৰাষ্ট্ৰৰ অৰ্ন্তগত আন অনুষ্ঠানবোৰলৈ পৰ্য্যবেক্ষিত হোৱাৰ লগতে ক্ষমতাক ৰাষ্ট্ৰৰ এক নিহিত স্বাৰ্থ হিচাপে তুলি ধৰা হৈছিল। সাম্প্ৰতিক সময়ত ক্ষমতাক ৰাষ্ট্ৰৰ মূল স্বাৰ্থ হিচাপে বিবেচনা কৰা হয়।

ৰাজনৈতিক তত্ত্বৰ বিকাশৰ তিনি ধৰণে বিভাজন কৰা হৈছে। পুথিগত ৰাজনৈতিক তত্ত্ব, আধুনিক ৰাজনৈতিক তত্ত্ব আৰু সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব। পুথিগত ৰাজনৈতিক তত্ত্ব সমূহৰ আৰম্ভণি প্ৰাচীন গ্ৰীকৰ ৰাজনৈতিক চিন্তা সমূহৰ পৰা আৰম্ভ হৈছিল আৰু প্লেটো, এৰিষ্ট'টল আদিৰ দৰে ৰাজনৈতিক চিন্তাবিদ সকলৰ লিখনিত পোৱা গৈছিল। আধুনিক ৰাজনৈতিক তত্ত্ব সমূহ বিভিন্ন ৰাজনৈতিক চিন্তাধাৰাৰ সংমিশ্ৰন বুলি কোৱা হয়। এই সময়ৰ ভিতৰত বৈজ্ঞানিক দৃষ্টিভঙ্গী, ইতিবাচক, অভিজ্ঞতাবাদী, আচৰণবাদ আৰু উত্তৰ আচৰণবাদী ৰাজনৈতিক তত্ত্ব সমূহ অৰ্ন্তভূক্ত। মাক্সীয় তত্ত্বৰ ধাৰণা সমূহো এই স্তৰৰেই অংশ। সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব বুলি ক'লে মূলত ই ৰাজনৈতিক পৰিৱেশ সংযুক্ত বিভিন্ন ধাৰণাৰ বিশ্লেষণ, বাখ্যা আৰু অনুসন্ধানকেই বুজা যায়। 'জন ৰ'লছ' আৰু 'ৰৰ্বাট নজিক'ৰ তত্ত্ব সমূহ এই স্তৰৰ অৰ্ন্তভূক্ত।

**জানি থওঁ আহা**

বিভিন্ন ৰাজনৈতিক তত্ত্বৰ লগত জড়িত তত্ত্ববিদৰ নামসমূহ

- পুথিগত ৰাজনৈতিক তত্ত্ব- প্লেটো আৰু এৰিষ্ট'টল
- উদাৰ ৰাজনৈতিক তত্ত্ব- থমাছ হ'বছ, জ'ন লক, জেৰেমি বেনথাম, জে এছ মিল, হৰ্বাট স্পেনছাৰ, থ'মাছ পেইন।
- মাৰ্ক্সীয় ৰাজনৈতিক তত্ত্ব- কাৰ্ল মাক্স, এনজেলছ, লেনিন, গ্ৰামস্কি, ষ্টেলিন, হাৰ্বাট মাৰ্বিউছ।
- ৰাজনৈতিক তত্ত্বই সামাজিক জীৱনৰ বোধগম্যতা বৃদ্ধিত আৰু নিয়ন্ত্ৰণত সহায় কৰে।
- বিজ্ঞানসন্মত অভিজ্ঞতাবাদী ৰাজনৈতিক তত্ত্ব- গ্ৰাহাম ৱেলছ, বেল্টলি, হেৰুল্ড লাছৱেল, চাৰ্লছ মেৰিয়াম, ডেভিদ এপ্টাৰ।
- সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব জন ৰ'লছ, ৰৰ্বাট নজিক, ডেভিদ হেল্ড, থমাছ কুনহ।

### ১.৭.১ ৰাজনৈতিক তত্ত্বৰ গুৰু ধাৰা সমূহ ঃ

ৰাজনৈতিক তত্ত্বৰ গুৰু ধাৰা সমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

**(ক) পুথিগত ৰাজনৈতিক তত্ত্ব ঃ**

পুথিগত ৰাজনৈতিক তত্ত্বই সৰ্বোচ্চ জনকল্যানমুখী ৰাজনৈতিক ব্যৱস্থাত বিশ্বাস কৰে। ই এক আদৰ্শ আৰু উৎকৃষ্ট ৰাষ্ট্ৰৰ সন্ধান কৰে। দৰ্শনৰ প্ৰভাৱ এই তত্ত্ব সমূহৰ ওপৰত অধিক। ই ৰাষ্ট্ৰক প্ৰাকৃতিক অভিহিত কৰি ব্যক্তিতকৈ উচ্চ স্থানত স্থাপন কৰে। এই তত্ত্বৰ মূল বক্তা হিচাপে প্লেটো আৰু এৰিষ্ট'টলক কোৱা হয়। প্লেটোৰ 'ৰিপ্লাৱিক'ত এই আৰ্দশ ৰাষ্ট্ৰৰ বাখ্যা পোৱা যায়।

**(খ) উদাৰ ৰাজনৈতিক তত্ত্ব ঃ**

এই ধাৰাৰ তত্ত্বৰ মূল উপাদান হ'ল ব্যক্তি। ই সদায় ব্যক্তিৰ আশা আৰু উচ্চাকাংক্ষাৰ ওপৰত গুৰুত্ব দি ৰাজহুৱা কল্যানক নশ্চাৎ কৰে। ই তত্ত্ব অনুসৰি যি ৰাষ্ট্ৰই সীমিত প্ৰশাসনৰ জৰিয়তে চৰকাৰ প্ৰচলন কৰে সেয়াই উৎকৃষ্ট চৰকাৰৰ নিৰ্দৰ্শন। হ'বছ, লক, বেনথাম, জে এছ মিল, থমাছ পেইন আদি উদাৰ ৰাজনৈতিক তত্ত্বৰ সমৰ্থক। পুথিগত ৰাজনৈতিক তত্ত্বই আধুনিক উদাৰ ৰাজনৈতিক তত্ত্বৰ বাট মুকলি কৰি দিয়ে। ৰাজনৈতিক তত্ত্বৰ পৰিসৰ বৃদ্ধিত সেইবাবেই, উদাৰতা, সমতা, ন্যায় আৰু স্বাধীনতাৰ দৰে ধাৰণা সমূহৰ অৰ্ন্তভূক্তি হয়।

**(গ) মাক্সীয় ৰাজনৈতিক তত্ত্ব ঃ**

এই তত্ত্বৰ মূল বিষয় সমাজৰ শ্ৰেণীগত বিভাজন আৰু শ্ৰেণী সংগ্ৰাম। এই তত্ত্ব অনুসৰি অৰ্থনৈতিক গাঠনিয়ে সমাজত মানুহৰ সকলো দিশ নিৰ্ণয় কৰে। ই পুজিঁবাদক নিকিষ্ট ব্যৱস্থা আখ্যা দি ৰাষ্ট্ৰক পুজিবাদীৰ ক্ষমতাৰ হাতোৰাত বন্ধী সংস্থা হিচাপে জ্ঞান কৰে। যাৰ জৰিয়তে সমাজৰ পুজিঁবাদী ধনীক শ্ৰেণীয়ে দৰিদ্ৰ সকলক শোষণ আৰু বঞ্চিত কৰে। মাক্সীয় ৰাজনৈতিক তত্ত্বই নিজকে বৈজ্ঞানিক সমাজবাদ বুলি আখ্যা দিয়ে।

**(ঘ) বিজ্ঞানসন্মত অভিজ্ঞতাবাদী ৰাজনৈতিক তত্ত্ব ঃ**

দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত পুথিগত ৰাজনৈতিক তত্ত্বৰ বিৰুদ্ধে এক আন্দোলনে গা কৰি উঠে আৰু ভিন্ন বিজ্ঞানসন্মত অভিজ্ঞতাবাদী ৰাজনৈতিক তত্ত্বৰ উৎপত্তি হয়। হেৰুল্ড লাছৱেল, ডেভিদ ইষ্টন, মেক্স ৱেবাৰ, চাৰ্লছ মেৰিয়ামৰ আদি এই তত্ত্বসমূহৰ পৃষ্ঠপোষক। এই তত্ত্বসমূহে সত্য, ভাৰসাম্যতা, সুস্থিৰতা আৰু একতাৰ দৰে বিষয়সমূহত অধিক গুৰুত্ব প্ৰাদন কৰে। ৰাজনৈতিক ব্যৱস্থাৰ অৰ্ন্তগত আন কেতবোৰ বিষয় যেনে— ৰাজনীতিত মানুহৰ আচৰণ, সিদ্ধান্ত গ্ৰহন, ৰাজনৈতিক সংস্থা সমূহক কৰ্মৰাজী, ৰাজনৈতিক সংস্কৃতি, ৰাজনৈতিক-সামাজিকীকৰন, ক্ষমতা, কৰ্তৃত্ব আৰু ৰাজনৈতিক বিকাশ ইত্যাদিৰ সৈতে জড়িত সমস্যা ৰাজি এই তত্ত্বৰ অৰ্ন্তভুক্ত বিষয়বস্তু।

**(ঙ) সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব ঃ**

১৯৭০ চনৰ পিছত আচৰণবাদী চিন্তাধাৰাই ৰাজনীতিৰ বিজ্ঞানসন্মত সন্ধানৰ দোহাইত অধিক গুৰুত্ব লাভ কৰিছিল। এই ক্ষেত্ৰত জ'ন ৰ'লছ, ৰৰ্বাট নজিক, ডেভিড হেল্ড আৰু হাবাৰমাছৰ দৰে চিন্তাবিদে অৰিহনা যোগাইছিল। সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বই মূলত ৰাজনৈতিক ব্যৱস্থাৰ লগত জড়িত উপাদান সমূহৰ সমসাময়িক বাখ্যা তথা বিশ্লেষণ আগবঢ়ায়। ডেভিড হেল্ডৰ মতে সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বৰ মূলত চাৰিটা বৈশিষ্ট আছে। সেইবোৰ হ'ল—

১. সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বসমূহ দৰ্শনভিত্তিক আৰু আদৰ্শগত ৰাজনৈতিক ব্যৱস্থাৰ গাঠনিৰ লগত জড়িত।

২. ইয়াৰ প্ৰকৃতি অভিজ্ঞবাদী চৰিত্ৰৰ।

৩. এই সমূহ বুৰঞ্জীমূলক যিহেতু ই বিভিন্ন ৰাজনৈতিক ধাৰাক বুৰঞ্জীগত ক্ষেত্ৰত বুজিবলৈ চেষ্টা কৰে।

৪. সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বই সামৰিক দিশৰ ওপৰতো গুৰুত্ব দিয়ে। ইয়াৰ অৰ্থ হ'ল এই তত্ত্বই বুৰঞ্জীৰ কোন স্থানত আমি উপস্থিত আছো তাৰ লগতে আমি ক'ত পাবগৈ পাৰো এই দুয়োটা দিশৰ বাখ্যা কৰে।

**অগ্ৰগতিৰ খতিয়ান- ৩**

(ক) দুজন উদাৰতাবাদী ৰাজনৈতিক তত্ত্ববিদৰ নাম উল্লেখ কৰা।

(খ) ৰাজনৈতিক তত্ত্বৰ মূল দৃষ্টিভঙ্গী সমূহ কি কি?

(গ) ডেভিড হেল্ডে আগবঢ়োৱা সম্প্ৰতিক ৰাজনৈতিক তত্ত্বৰ বৈশিষ্ট চাৰিটা কি কি?

(খ) খালী ঠাই পূৰণ কৰা ঃ

(ৰ) উদাৰ ৰাজনৈতিক তত্ত্বৰ মূল উপাদান হ'ল................।

(২)................পুথিবাদৰ ধাৰণাক নিকিষ্ট ব্যৱস্থা হিচাপে আখ্যা দিয়ে।

(৩) .............সৰ্ব্বোচ্চ জনকল্যানমুখী ৰাজনৈতিক ব্যৱস্থাত বিশ্বাস কৰে।

## ১.৮ সাৰাংশ (Summing Up) ঃ

সাম্প্ৰতিক সময়ত ৰাজনীতি নাগৰিকৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ। দৈনন্দিন জীৱনৰ ৰাজনৈতিক পৰিৱেশক বিশ্লেষণৰ জৰিয়তে নাগৰিকৰ বাবে বোধগম্য কৰি তোলাটো ৰাজনৈতিক তত্ত্বৰ আটাইতকৈ উপযোগিতামূলক দিশ। ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ

অংশ হিচাপে ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক পৰিৱেশ সম্পৰ্কত এক প্ৰনালীবদ্ধ আৰু পদ্ধতিগত জ্ঞানক সূচায়। ৰাজনৈতিক তত্ত্বৰ বিষয়বস্তক কিছু ৰাজনীতি বিজ্ঞানীয়ে মূলত দুভাগত বিভক্ত কৰিব খোজে। যি সকলে স্তিতা বস্তা ৰক্ষা কৰিব বিচাৰে আৰু সমসাময়িক ৰাজনৈতিক অনুষ্ঠানৰ সপক্ষে মত প্ৰকাশ কৰে তেওঁলোকে ৰক্ষনশীল তত্ত্ব আগবঢ়ায়। আনহাতে যি সকলে ৰাজনৈতিক পৰিস্তিতি আৰু অনুষ্ঠানৰ পৰিবৰ্তন বিচাৰে তেওঁলোকৰ মত বাদক পৰিৱৰ্তনশীল তত্ত্ব হিচাপে জনা যায়। সেইবাবে ৰাজনীতি বিজ্ঞানত সঘনে ব্যৱহৃত হোৱা ন্যায়, ক্ষমতা, আনুগত্য আদি ধাৰণাৰ আলোচনাক ৰাজনৈতিক তত্ত্বৰ বিষয়বস্ত হিচাপে ধৰা হয়। ৰাজনৈতিক তত্ত্বই স্থাপন কৰা আৰ্দশ আৰু নীতি সমূহেই ৰাষ্ট্ৰ, সাংবিধান, চৰকাৰ, সামাজিক আৰু ৰাজনৈতিক জীৱনক এক অনুষ্ঠানিক আৰু প্ৰণালীবদ্ধ ধৰণে আকাৰ দিয়ে।

ৰাজনৈতিক চিন্তাধাৰা, ৰাজনৈতিক দৰ্শন আৰু ৰাজনীতি বিজ্ঞানেও ৰাজনৈতিক পৰিৱেশক বৰ্ণনা কৰে। ৰাজনৈতিক তত্ত্বৰ এই বিষয়সমূহৰ লগত এক পাৰ্থক্য আছে। ৰাজনৈতিক তত্ত্ব বিশুদ্ধ ৰাজনৈতিক চিন্তা নহয়, ৰাজনৈতিক দৰ্শন অথবা ৰাজনীতি বিজ্ঞান নহয়। কিন্তু অধ্যয়নৰ বিষয়বস্তু হিচাপে ৰাজনৈতিক তত্ত্বই এই বিষয় সমূহৰ পৰা যথেষ্ট উপাদান সংগ্ৰহ কৰে। ৰাজনীতি বিজ্ঞানৰ বিভিন্ন শাখাৰ ভিতৰত ৰাজনৈতিক তত্ত্ব অন্যতম  কিয়নো বিভিন্ন ৰাজনৈতিক চিন্তাবিদে ৰাষ্ট্ৰ, চৰকাৰ আৰু ৰাজনৈতিক ব্যৱস্থাৰ আন গুৰুত্বপূৰ্ণ উপাদান সম্পৰ্কে তেওঁলোকৰ মতামত তত্ত্ব আকাৰত প্ৰকাশ কৰিছে। প্ৰকৃততে তাত্বিক ধাৰণাৰ জৰিয়তেহে ৰাজনীতি আৰু ৰাজনীতি বিজ্ঞানৰ বিজ্ঞানসন্মত অধ্যয়ন সম্ভৱ।

## ১.৯ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ

• গগৈ, পুৰন্দৰ আৰু চক্ৰৱৰ্তী, দিলীপ. ৰাজনৈতিক তত্ত্ব, বনলতা, পানবজাৰ গুৱাহাটী, ১৯৮৯।

• পাল, কৃপেশ আৰু নায়ক, প্ৰতুল. ৰাজনৈতিক তত্ত্ব, অৰুন প্ৰকাশন, গুৱাহাটী, ২০০৮।

• গোস্বামী, লিলি আৰু ভূঞা, নৰনীতা. ৰাজনৈতিক তত্ত্ব, অশোক প্ৰকাশন, গুৱাহাটী, ২০১১।

• পাল, কৃপেশ আৰু নায়ক, প্ৰতুল. ৰাজনৈতিক তত্ত্ব, প্লেটো আৰু এৰিষ্টটলৰ চিন্তাধাৰা, অৰুণ প্ৰকাশন, গুৱাহাটী, ২০০২।

• পাল, কৃপেশ আৰু নায়ক, প্ৰতুল. প্ৰাচ্য আৰু পাশ্চাত্যৰ বিশিষ্ট ৰাজনৈতিক চিন্তাবিদ, অৰুণ প্ৰকাশন, গুৱাহাটী, ২০০৫।

**১.১০ আৰ্হি প্ৰশ্ন (Model Questions) ঃ**

১. ৰাজনীতিৰ এক সংজ্ঞা দিয়া?

২. ৰাজনীতি বুলিলে কি বুজা? বহলাই লিখা

৩. ৰাজনীতি বিজ্ঞান আৰু ৰাজনৈতিক তত্ত্বৰ সম্পৰ্ক কি?

৪. ৰাজনৈতিক তত্ত্বৰ বিষয়ে, এটি চমুটোকা লিখা।

৫. ৰাজনৈতিক তত্ত্বৰ এক সংজ্ঞা দিয়া? ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি কি কি?

৬. ৰাজনৈতিক তত্ত্বৰ বিভিন্ন প্ৰকাৰ কি কি?

৭. ডেভিদ ইষ্টনৰ ৰাজনৈতিক তত্ত্বৰ তিনিটা উপাদান সম্পৰ্কে লিখা?

৮. ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক দৰ্শনৰ মাজত থকা পাৰ্থক্য আলোচনা কৰা।

৯. ৰাজনৈতিক তত্ত্বৰ প্ৰসঙ্গিকতা কি কি?

১০. ৰাজনৈতিক তত্ত্ব আৰু মাক্সীয় ৰাজনৈতিক তত্ত্বক বিশ্লেষণ কৰা।

১১. ৰাজনৈতিক তত্ত্ব আৰু ৰাজনৈতিক চিন্তাধাৰাৰ মাজৰ সম্পৰ্ক বাখ্যা কৰা।

১২. ৰাজনৈতিক তত্ত্বৰ পৰিসৰৰ বিষয়ে বিশ্লেষণ কৰা।

১৩. ৰাজনৈতিক তত্ত্ব অধ্যয়নৰ বিভিন্ন দৃষ্টিভঙ্গী কি কি?

১৪. সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব বুলিলে কি বুজা?

১৫. ৰাজনৈতিক তত্ত্ব অধ্যয়নৰ গুৰুত্ব কি কি? ই কেনেকৈ সামাজিক জীৱন নিয়ন্ত্ৰণ কৰে আলোচনা কৰা।

**১.১১ অগ্ৰগতিৰ খাতিয়ান অথবা আৰ্হি প্ৰশ্ন উত্তৰসমূহ ঃ**

অগ্ৰগতিৰ খাতিয়ান-১

১. খালী ঠাই পূৰণ কৰা।

(ক) 'পলিছ'

(খ) ৰাতনৈতিক তত্ত্ব

(গ) আকাৰত সৰু

(ঘ) স্থাপনকাৰী

২. ‘চেবাইন’ৰ মতে ৰাজনৈতিক তত্ত্ব হ’ল যি কোনো ৰাজনৈতিক সমস্যাৰ শৃংখলাবদ্ধ অনুসন্ধান, যিয়ে বহল অৰ্থত ৰাজনীতিৰ লগত জড়িত অথবা প্ৰাসঙ্গিক যি কোনো উপাদানকে সূচায়।

৩. ৰাজনৈতিক তত্ত্বই বিভিন্ন ৰাজনৈতিক পৰিৱেশ আৰু ঘটনা সম্পৰ্কে এক প্ৰণালীবদ্ধ জ্ঞানৰ কথা সূচায়। ৰাজনীতি বিজ্ঞানৰ ই এক অন্যতম অংশ। ই মূলত ৰাজনীতি বিজ্ঞানৰ স্থাপনকাৰী তথা তত্ত্বগত প্ৰশ্ন আৰু বিৰ্তক সমূহৰ লগত জড়িত। আকৌ ই ৰাজহুৱা কল্যানৰ লগত জড়িত সমস্যা আৰু আলোচনা সমূহৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰে। উদাহৰণ স্বৰূপে যেনে— গনতন্ত্ৰ, স্বাধীনতা, উদাৰতা, ন্যায় আৰু সমতা ইত্যাদি।

৪. ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি সমূহ হ’ল—

ৰাজনৈতিক তত্ত্ব স্থাপনকাৰী অথবা অভিজ্ঞতাবাদী দুয়োটা ধৰ্ম হ’ব পাৰে অথবা ভিন্ন সময়ত ভিন্ন হ’ব পাৰে।

ৰাজনৈতিক তত্ত্বই প্ৰণালীবদ্ধভাবে, ৰাজনীতি, ৰাষ্ট্ৰ, চৰকাৰ তথা যি কোনো ৰাজনৈতিক অনুষ্ঠানৰ সম্পৰ্কত অৱলোকন কৰে।

ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞান, ৰাজনৈতিক চিন্তাধাৰা, ৰাজনৈতিক দৰ্শন অথবা ৰাজনৈতিক আদৰ্শতকৈ এক পৃথক বিষয়বস্তু।

যি কোনো ৰাজনৈতিক ব্যৱস্থা, ৰাজনৈতিক পৰিৱেশ, ৰাজনৈতিক সংস্থা, সামাজিক উপাদান অথবা ৰাজনীতিৰ যি কোনো উপাদান সম্পৰ্কে বিশ্লেষণ, বিৱৰণ, বাখ্যা তথা আনুমানিক অধ্যয়ন আৰু পৰিৱৰ্তন ধৰ্মী অধ্যয়ন কৰাটোৱেই ৰাজনৈতিক তত্ত্বৰ উদ্দেশ্য।

অগ্ৰগতিৰ খতিয়ান—২

১. ৰাজনীতি বিজ্ঞানৰ পৰিসৰ ৰাজনৈতিক তত্ত্বতকৈ যথেষ্ট ব্যাপক। ই একেৰাহে ৰাজনৈতিক চিন্তাধাৰা, ৰাজনৈতিক তত্ত্ব, ৰাজনৈতিক দৰ্শন আৰু আৰ্দশ, লোক প্ৰশাসন, তুলনামূলক ৰাজনীতি তথা আন্তৰাষ্ট্ৰীয় আইন ইত্যাদি সকলো বিষয়কে সামৰি লয়। ৰাজনৈতিক তত্ত্ব ৰাজনীতি বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ অধ্যয়নৰ উপক্ষেত্ৰ। ৰাজনীতিৰ অধ্যয়নত বিজ্ঞানসন্মত পদ্ধতিৰ ব্যৱহাৰে ৰাজনীতি বিজ্ঞানক ৰাজনৈতিক দৰ্শনৰ পৰা পৃথক কৰে। ৰাজনৈতিক আচৰণৰ বাস্তৱসন্মত বিশ্লেষণ আৰু মানৱ সমাজত তাৰ বাখ্যা ৰাজনীতি বিজ্ঞানৰ গুৰুত্বপূৰ্ণ অংশ।

২. জৰ্মিনোৰ মতে— ৰাজনৈতিক দৰ্শন মানুহৰ দৈনন্দিন জীৱনৰ সামাজিক অৱস্থিতিৰ সমস্যাসমূহৰ বোধগম্যতাত অৰিহনা যোগায়। ৰাজনৈতিক দৰ্শন মূলত ৰাজনৈতিক তত্ত্বৰ স্থাপনকাৰী সমস্যাৰ লগত জড়িত। সাধাৰণ অৰ্থত দৰ্শনৰ অৰ্থ হ’ল— ‘জ্ঞানৰ বিজ্ঞান’। এই জ্ঞান পৃথিবী সম্পৰ্কে, মানুহ অথবা ঈশ্বৰ সম্পৰ্কে। এই জ্ঞান আন্তৰিক

দিশৰ পৰা বহু জ্ঞানৰ সমষ্টি। পৃথিৱীৰ যি কোনো বিষয় অথবা উপাদানৰ বিষয়ে থকা এই জ্ঞান ৰাশিৰ ব্যৱহাৰৰ দ্বাৰা ৰাজনৈতিক পৰিৱেশৰ অধ্যয়ন তথা বাখ্যা আগবঢ়োৱাকেই ৰাজনৈতিক দৰ্শন বুলি ক'ব পাৰি।

৩. এৰিষ্ট'টলে 'পলিটিক্স' নামৰ গ্ৰন্থখন লিখিছিল।

৪. খালী ঠাই পূৰণ কৰা ।

(ক) স্থাপনকাৰী শাখা

(খ) 'জ্ঞানৰ বিজ্ঞান'

৫. ৰাজনৈতিক চিন্তাধাৰা হ'ল তত্ত্ব আৰু মূল্য দুয়োটাৰে সমষ্টি। ইয়াৰ পৰিসৰ ব্যাপক আৰু বৰ্তমান সমাজৰ নাগৰিকৰ দৈনন্দিন জীৱনৰ লগত জড়িত। ইয়াৰ উৎস ভিন্ন হ'ব পাৰে। যেনে— দাৰ্শনিক, লিখক, সাংবাদিক, বুদ্ধিজীৱি অথবা ৰাজনৈতিক সমালোচক।

৬. ৰাজনৈতিক তত্ত্বই প্ৰদৰ্শন কৰা বিশেষ কাৰ্যসমূহ হ'ল— বোধগম্য কৰি তুলা, বিশ্লেষণ কৰা, মূল্যাংকন, আৰু কাল্পনিক।

অগ্ৰগতিৰ খতিয়ান-৩

(ক) দুজন উদাৰতাবাদী ৰাজনৈতিক তত্ত্ববিদৰ নাম হ'ল— থমাছ হব'ছ আৰু জ'ন লক।

(খ) ৰাজনৈতিক তত্ত্বৰ মূল দৃষ্টি ভঙ্গী সমূহ হ'ল— পুথিগত ৰাজনৈতিক তত্ত্ব, উদাৰ ৰাজনৈতিক তত্ত্ব, মাক্সীয় ৰাজনৈতিক তত্ত্ব, বিজ্ঞানসন্মত অভিজ্ঞতাবাদী ৰাজনৈতিক তত্ত্ব আৰু সাম্প্ৰতিক ৰাজনৈতিক তত্ত্ব।

(গ) ডেভিড হেল্ডৰ মতে— সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বৰ মূল চাৰিটা বৈশিষ্ট হৈছে—

সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বসমূহ দৰ্শনভিত্তিক আৰু আৰ্দশগত ৰাজনৈতিক ব্যৱস্থাৰ গঠনৰ লগত জড়িত।

সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বৰ প্ৰকৃতি অভিজ্ঞতাবাদী চৰিত্ৰৰ।

সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বসমূহ বুৰঞ্জীমূলক যিহেতু ই বিভিন্ন ৰাজনৈতিক ধাৰাক বুৰঞ্জীগত ক্ষেত্ৰত বুজিবলৈ চেষ্টা কৰে।

সাম্প্ৰতিক ৰাজনৈতিক তত্ত্বই সামৰিক দিশৰ ওপৰতো গুৰুত্ব দিয়ে। ইয়াৰ অৰ্থ হ'ল এই তত্ত্বই বুৰঞ্জীৰ কোন স্থানত আমি উপস্থিত আছো তাৰ লগত আমিক'ত পাবগৈ পাৰো এই দুয়োটা দিশৰ বাখ্যা কৰে।

(ঘ) খালী ঠাই পূৰণ কৰা ঃ

১. ব্যক্তি

২. মাক্সীয় ৰাজনৈতিক তত্ত্বই

৩. পুথিগত ৰাজনৈতিক তত্ত্বই

**আত্মমূল্যায়নমূলক প্ৰশ্ন ঃ**

(ক) হয়। ৰাজনৈতিক তত্ত্ব সম্পূৰ্ণৰূপেৰে প্ৰাসঙ্গিক। ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক পৰিৱেশ আৰু নাগৰিকৰ দৈনন্দিন জীৱনৰ লগত ৰাজনৈতিক উপাদান সমূহৰ লগত জড়িত ধাৰণা সম্পৰ্কে স্বচ্ছতা অৰ্জনত সহায় কৰে। ৰাজনৈতিক তত্ত্বই সামাজিক জীৱনৰ বোধগম্যতা আৰু নিয়ন্ত্ৰণত সহায় কৰে। ৰাজনৈতিক তত্ত্বই ৰাষ্ট্ৰ আৰু চৰকাৰী প্ৰতিষ্ঠানৰ কাৰ্যক্ৰমণিকা পুনৰীক্ষণ আৰু সমালোচনাত সহায় কৰে। ৰাজনৈতিক তত্ত্বই সামাজিক পুনঃনিৰ্মানত সহায় কৰে। ৰাজনৈতিক তত্ত্বই ক্ষমতাৰ বহুমুখী স্তৰ সমূহৰ অৰ্থ ডাঙি ধৰাৰ লগতে বুজি উঠাত সহায় কৰে।

(খ) ৰাজনৈতিক তত্ত্বই ধাৰণাৰ স্বচ্ছতা প্ৰদান কৰে। দৰ্শনেই হওঁক বা বিজ্ঞানেই হওঁক একোটা পৰিৱেশ অথবা ব্যৱস্থাক ভালকৈ বুজিবলৈ হ'লে ধাৰণাৰ স্বচ্ছতা অপৰিহাৰ্য্য। ৰাজনৈতিক জীৱন চহকী কৰা মূল আৰু ধাৰণা সমূহ সম্পৰ্কে ৰাজনৈতিক তত্ত্বই পৰিক্ষনৰ দ্বাৰা প্ৰণালীবদ্ধভাৱে স্বচ্ছতা প্ৰদান কৰে।

ৰাজনৈতিক তত্ত্বই সামাজিক জীৱনৰ বোধগম্যতা বৃদ্ধিত আৰু নিয়ন্ত্ৰণত সহায় কৰে। ই ভৱিষ্যৎৰ আচনি তৈয়াৰ কৰাত সহায় কৰাৰ উপৰিওঁ বৰ্তমানৰ সময়ত সমাজত শান্তি-শৃংখলা বজাই ৰখাত সহায় কৰে। ৰাজনৈতিক ঘটনা পৰিঘটনা সম্পৰ্কত ডাঙি ধৰা বিজ্ঞানসন্মত বিশ্লেষণ সমূহে সমাজত শান্তি শৃংখলা ভঙ্গ কৰা উপাদান সমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত নাগৰিক সকলক সক্ষম কৰি তুলে। সমাজত শান্তি শৃংখলাৰ প্ৰয়োজনীয়তা সম্পৰ্কে নাগৰিকৰ মাজত সজাগতা সৃষ্টিৰ জৰিয়তে ই মূল চালিকা শক্তিৰ ভূমিকা বহন কৰে সামাজিক বোধগম্যতা বৃদ্ধিৰ জৰিয়তে। ৰাজনৈতিক তত্ত্বই সমাজতত সংঘাট আৰু হিংসা ৰোধ কৰাৰ উপায় সমূহ বৰ্ণনা কৰে যাৰ জৰিয়তে এখন সমাজত ৰাজনৈতিক তত্ত্ব আৰু সামাজিক সংকটক এৰাই চলিব পাৰি।

---×---

## দ্বিতীয় বিভাগ
## ৰাজনৈতিক ধাৰণা (গণতন্ত্ৰ, স্বাধীনতা, সমতা আৰু ন্যায়)

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (**Introduction**)

২.২ উদ্দেশ্য (**Objectives**)

২.৩ গণতন্ত্ৰ

২.৩.১ গণতন্ত্ৰৰ অৰ্থ

২.৩.২ গণতন্ত্ৰৰ প্ৰকাৰ

২.৩.৩ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ চৰ্তসমূহ

২.৩.৪ গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ

২.৪ স্বাধীনতাৰ ধাৰণা

২.৪.১ স্বাধীনতাৰ অৰ্থ

২.৪.২ স্বাধীনতাৰ প্ৰকাৰ

২.৪.৩ স্বাধীনতা ৰক্ষাৰ উপায়

২.৫ সমতাৰ ধাৰণা

২.৫.১ সমতাৰ অৰ্থ

২.৫.২ সমতাৰ প্ৰকাৰ

২.৬ ন্যায়ৰ ধাৰণা

২.৬.১ ন্যায়ৰ অৰ্থ

২.৬.২ ন্যায়ৰ প্ৰকাৰ আৰু পৰিধি

২.৭ সাৰাংশ (**Summing Up**)

২.৮ আৰ্হি প্ৰশ্ন (**Model Questions**)

২.৯ প্ৰসংগ গ্ৰন্থ (**References & Suggested Readings**)

২.১০ অগ্ৰগতিৰ খতিয়ান/উত্তৰ

### ২.১ ভূমিকা (Introduction) ঃ

এই বিভাগত ৰাজনৈতিক তত্বৰ কেইটামান গুৰুত্বপূৰ্ণ ধাৰণা যেনে— গণতন্ত্ৰ, স্বাধীনতা, সমতা আৰু ন্যায়ৰ বিষয়ে আলোচনা কৰা হ'ব।

## ২.২ উদ্দেশ্য (Objectives) ঃ

এই বিভাগটো অধ্যয়ন কৰি আপোনালোকে—

- গণতন্ত্ৰৰ সংজ্ঞা, প্ৰকাৰ, কৃতকাৰ্য্যতাৰ চৰ্তাৱলী আৰু ইয়াৰ গুণ-দোষৰ বিষয়ে বিতংভাৱে জানিব পাৰিব।
- স্বাধীনতাৰ অৰ্থ, প্ৰকাৰ আৰু স্বাধীনতা ৰক্ষাৰ উপায়সমূহৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- সমতাৰ ধাৰণা আৰু ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ন্যায়ৰ অৰ্থ আৰু ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে বিতংকৈ জানিব পাৰিব।

## ২.৩ গণতন্ত্ৰ ঃ

গণতন্ত্ৰৰ ধাৰণাটো এটা বহুলভাৱে প্ৰচলিত ধাৰণা। প্ৰতিজন মানুহে নিজৰ জীৱনত বিভিন্ন ধৰণে গণতন্ত্ৰ শব্দটো ব্যৱহাৰ কৰি আহিছে। তলৰ উপ শিতানবোৰত গণতন্ত্ৰৰ অৰ্থ, প্ৰকাৰ, গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ চৰ্তাৱলী আৰু ইয়াৰ গুণ-দোষসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

### ২.৩.১ গণতন্ত্ৰৰ অৰ্থ ঃ

গণতন্ত্ৰৰ ইতিহাস অতি পুৰণি। গণতন্ত্ৰ শব্দটো পোন প্ৰথমে গ্ৰীক বুৰঞ্জীবিদ হিৰ'ডটাছে খ্ৰীঃপূৰ্ব পঞ্চম শতিকাত "ৰাইজৰ দ্বাৰা শাসন" অৰ্থত বুজাবলৈ ব্যৱহাৰ কৰিছিল। গণতন্ত্ৰ শব্দটো দুটা গ্ৰীক শব্দ Demos অৰ্থাৎ মানুহ আৰু Kratas অৰ্থাৎ শাসনৰ পৰা উদ্ভৱ হৈছে। গ্ৰীকসকলৰ মতে বহুজনৰ দ্বাৰা গঠিত চৰকাৰ হ'ল গণতন্ত্ৰ। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে গণতন্ত্ৰক নিকৃষ্ট চৰকাৰ বুলি আখ্যা দিছে। কিন্তু বৰ্তমান সময়ত গণতন্ত্ৰ অকল এটা চৰকাৰ গঠনৰ ব্যৱস্থা হৈ থকা নাই, গণতন্ত্ৰ এটা সামাজিক আদৰ্শ। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমতা স্থাপন কৰাটো গণতান্ত্ৰিক আদৰ্শৰ প্ৰধান উদ্দেশ্য।

কেইগৰাকীমান প্ৰখ্যাত চিন্তাবিদে আগবঢ়োৱা গণতন্ত্ৰৰ সংজ্ঞা কেইটামান পৰীক্ষা কৰোঁ আহক।

- আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনৰ মতে "গণতন্ত্ৰ হ'ল জনসাধাৰণক লৈ গঠিত, জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্য গঠিত আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰ"।
- ছাৰ জন চিলিৰ মতে গণতন্ত্ৰ হ'ল "এনে এটা শাসন ব্যৱস্থা যত সকলোৰে অংশগ্ৰহণৰ সুবিধা আছে"।

- ডাইচীৰ মতে "গণতন্ত্ৰ হ'ল এনে এটা শাসন ব্যৱস্থা যত সংখ্যাগৰিষ্ঠৰ মতামতে আইন প্ৰণয়ন প্ৰক্ৰিয়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰে।"
- লৰ্ড ব্ৰাইছৰ মতে 'গণতন্ত্ৰ হ'ল সংখ্যাগৰিষ্ঠৰ শাসন"।

ওপৰৰ সংজ্ঞাসমূহ ভালদৰে লক্ষ্য কৰিলে আপোনালোকে দেখিব যে গণতন্ত্ৰই চৰকাৰ আৰু জনসাধাৰণৰ মাজত থকা সম্বন্ধৰ কথা বুজায়। অৰ্থাৎ গণতন্ত্ৰত জনসাধাৰণেই হৈছে ৰাষ্ট্ৰৰ ক্ষমতাৰ প্ৰধান উৎস। জনসাধাৰণে প্ৰত্যক্ষভাৱে বা প্ৰতিনিধি নিৰ্বাচিত কৰি চৰকাৰত অংশগ্ৰহণ কৰে। এইদৰে জনসাধাৰণৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰী আঁচনিসমূহ প্ৰস্তুত কৰা হয়। গণতন্ত্ৰত সৰ্বসাধাৰণৰ কল্যাণৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হয়। গণতন্ত্ৰৰ ভেঁটি হ'ল -- সমতা, স্বাধীনতা আৰু সামাজিক ন্যায়। গণতন্ত্ৰৰ মুখ্য উদ্দেশ্য হৈছে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমতা স্থাপন কৰা।

| জানি থওঁ আহা | | |
|---|---|---|
| এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণী বিভাগ | | |
| শ্ৰেণী বিভাগৰ প্ৰথম নীতি সংখ্যানুসাৰে | শ্ৰেণী বিভাগৰ দ্বিতীয় নীতি উদ্দেশ্য অনুসাৰ | |
| | স্বাভাৱিক ৰূপ | বিকৃত ৰূপ |
| এজনৰ শাসন | ৰাজতন্ত্ৰ | স্বৈৰতন্ত্ৰ |
| কেইজনমানৰ শাসন | অভিজাততন্ত্ৰ | স্বল্পতন্ত্ৰ |
| বহুতৰ শাসন | ৰাজ্য-ব্যৱস্থা | গণতন্ত্ৰ |

**২.৩.২ গণতন্ত্ৰৰ প্ৰকাৰ ঃ**

চৰকাৰ গঠন আৰু পৰিচালনাৰ পদ্ধতিৰ ফালৰ পৰা গণতন্ত্ৰক দুই প্ৰকাৰত ভগাব পাৰি প্ৰত্যক্ষ গণতন্ত্ৰ বা বিশুদ্ধ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ বা প্ৰতিনিধিমূলক গণতন্ত্ৰ।

**প্ৰত্যক্ষ গণতন্ত্ৰ ঃ**

প্ৰত্যক্ষ গণতন্ত্ৰত জনসাধাৰণে প্ৰত্যক্ষভাৱে চৰকাৰত অংশগ্ৰহণ কৰে আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত নিজে সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰাচীন কালত গ্ৰীছ দেশৰ 'নগৰ ৰাষ্ট্ৰ' সমূহত এই শাসন ব্যৱস্থা প্ৰচলিত আছিল। সকলো নাগৰিকে কোনো এক নিৰ্দিষ্ট ঠাইত মিলিত হৈ শাসনৰ লগত জড়িত সকলোবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সকলো মুক্ত নাগৰিকে সাধাৰণ সভাবোৰত মিলিত হৈ আইন প্ৰণয়ন কৰি তাক কাৰ্যকৰী কৰিছিল। বৰ্তমান সময়ত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো ছুইজাৰলেণ্ডৰ লেঞ্জেমেইণ্ড (Landsgemeinde) বা জনপ্ৰিয় বিধান পৰিষদ (Popular Legislature)

হিচাপে দেশখনৰ চাৰিখন কেন্টন, যেনে -- এপেনজেল, ইউৰি, উন্টাৰৱালডেন্ আৰু গ্লেৰুচত দেখিবলৈ পোৱা যায়। এপ্রিল মাহৰ কোনোবা এটা দেওবাৰত সকলো নাগৰিক মিলিত হৈ কেন্টনৰ চৰকাৰী কাম-কাজৰ ওপৰত আলোচনা-বিলোচনা কৰে। আইন প্রণয়ন, আইন সংশোধন, চৰকাৰী কর্মচাৰী নিয়োগ, কৰ নির্ধাৰণ, বাজেট নির্ধাৰণ আদি বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্রহণ কৰা হয়।

বর্তমান সময়ত বিভিন্ন পদ্ধতিৰে প্রত্যক্ষ গণতন্ত্র কার্য্যকৰী কৰা হয়। এই পদ্ধতি সমূহৰ ভিতৰত গণভোট অন্যতম। এই পদ্ধতিমতে চৰকাৰে কোনো আইনৰ প্রস্তাৱ জনসাধাৰণৰ অনুমোদনৰ কাৰণে পঠিয়ায়। জনসাধাৰণে এই প্রস্তাৱত সমর্থন জনাবও পাৰে বা নজনাবও পাৰে। ছুইজাৰলেণ্ডৰ জনসাধাৰণে গণভোটৰ জৰিয়তে চৰকাৰক নিয়ন্ত্রণ কৰে।

**জানি থওঁ আহা**

আধুনিক বিশ্বত প্রত্যক্ষ গণতন্ত্রৰ কার্য্যসাধন প্রণালী চাৰিটা ঃ

**উপক্রম ঃ** এক নির্দিষ্ট সংখ্যক ভোটদাতাই বিল এখনৰ খচৰা প্রস্তুত কৰি সংসদে তাক গ্রহণ কৰিবলৈ চৰকাৰৰ ওচৰলৈ পঠিয়াব পাৰে।

**গণভোট ঃ** চৰকাৰে কোনো গুৰুত্বপূর্ণ আইনৰ প্রস্তাৱ জনসাধৰণলৈ অনুমোদনৰ বাবে পঠিয়াব পাৰে।

**পুনৰাহ্বান ঃ** ভোটদাতাসকলে তেওঁলোকে নির্বাচিত কৰা প্রতিনিধিজনৰ কাম-কাজত অসন্তুষ্ট হ'লে তেওঁক পুনৰাহ্বন কৰিব পাৰে।

**গণ অভিমত ঃ** এই পদ্ধতি অনুসৰি চৰকাৰে কোনে নির্দিষ্ট বিষয়ত নাগৰিকসকলৰ মতামত গ্রহণ কৰিব পাৰে।

**পৰোক্ষ গণতন্ত্র ঃ**

প্রত্যক্ষ গণতন্ত্র কম জনসংখ্যাযুক্ত সৰু সৰু ৰাষ্ট্রৰ বাবেহে উপযুক্ত। বর্তমান সময়ত ৰাষ্ট্রসমূহৰ জনসংখ্যা বহু পৰিমাণে বৃদ্ধি পাইছে। জনসংখ্যা বৃদ্ধিৰ ফলত ৰাষ্ট্রসমূহৰ আভ্যন্তৰীণ সমস্যাও বহু পৰিমাণে বৃদ্ধি পাইছে। এনেকুৱা জটিল পৰিস্থিতিত ৰাষ্ট্রসমূহত প্রত্যক্ষ গণতন্ত্র কার্য্যকৰী কৰাটো অসম্ভৱ। গতিকে তাৰ বিকল্প ব্যৱস্থাটোৱে হ'ল পৰোক্ষ বা প্রতিনিধিমূলক গণতন্ত্র।

পৰোক্ষ বা প্রতিনিধিমূলক গণতন্ত্রত জনসাধাৰণে তেওঁলোকৰ ওপৰত শাসন কৰিবলৈ প্রতিনিধি নির্বাচন কৰে আৰু সেই প্রতিনিধিয়ে জনসাধাৰণৰ কল্যাণৰ হকে সিদ্ধান্ত গ্রহণ কৰে। বর্তমান সময়ত গণতান্ত্রিক শাসন ব্যৱস্থা প্রচলন থকা বেছিভাগ দেশেই পৰোক্ষ বা প্রতিনিধিমূলক গণতন্ত্র ব্যৱস্থা গ্রহণ কৰিছে। এই ব্যৱস্থাত ৰাষ্ট্রৰ সকলোধৰণৰ প্রশাসনীয়

সিদ্ধান্ত, আইন প্ৰণয়নৰ দায়িত্ব, ৰাজহুৱা স্বাৰ্থজনিত বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা জনসাধাৰণৰ প্ৰতিনিধিৰ হাতত থাকে। ইয়াৰ বাবে নিদিৰ্ষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত হয়।

এইক্ষেত্ৰত আমি উদাহৰণস্বৰূপে ভাৰতবৰ্ষৰ নাম ল'ব পাৰোঁ। ভাৰতবৰ্ষত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। ভাৰতবৰ্ষ এখন সংসদীয় গণতান্ত্ৰিক ৰাষ্ট্ৰ। ভাৰতবৰ্ষই বিভিন্ন স্তৰত প্ৰতিনিধিমূলক পদ্ধতিৰ চৰকাৰ গঠন কৰিছে। ভাৰতবৰ্ষত কেন্দ্ৰীয় স্তৰত সংসদ, ৰাজ্যিক স্তৰত বিধানসভা আৰু তৃণমূল স্তৰত পঞ্চায়তসমূহ আছে। জনসাধাৰণে এই সংস্থাসমূহলৈ তেওঁলোকৰ প্ৰতিনিধি নিৰ্বাচিত কৰে আৰু সেই প্ৰতিনিধিয়ে জনসাধাৰণৰ কল্যাণ আৰু উন্নয়নৰ হকে কাম কৰে। জনসাধাৰণৰ হিতাৰ্থে বিভিন্ন আইন প্ৰস্তুত কৰা আৰু সেই আইনসমূহ কাৰ্য্যকৰী কৰাটো এই প্ৰতিনিধিসকলৰ প্ৰধান দায়িত্ব। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতি অধ্যুষিত অঞ্চলসমূহত জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ যোগেদি এক নতুন ধৰণৰ প্ৰতিনিধিত্ব মূলক ব্যৱস্থাই গা কৰি উঠিছে। জনসাধাৰণে পাঁচ বছৰৰ কাৰণে এই পৰিষদ সমূহলৈ প্ৰতিনিধি নিৰ্বাচিত কৰে।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ গণতন্ত্ৰ শব্দটো পোন প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল ?

প্ৰশ্ন নং ঃ গণতন্ত্ৰ শব্দটো বুৎপত্তি হোৱা গ্ৰীক শব্দ দুটা লিখক।

প্ৰশ্ন নং ঃ .......................... মতে "গণতন্ত্ৰ হ'ল সংখ্যাগৰিষ্ঠৰ শাসন।

(খালী ঠাই পূৰণ কৰা)

প্ৰশ্ন নং ঃ প্ৰত্যক্ষ গণতন্ত্ৰক ...................... গণতন্ত্ৰও বোলে।

(খালী ঠাই পূৰণ কৰা)

প্ৰশ্ন নং ঃ পৰোক্ষ গণতন্ত্ৰক আৰু কি বুলি জনা যায়?

**২.৩.৩ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ চৰ্তসমূহ ঃ**

বৰ্তমান সময়ত গণতন্ত্ৰক এক উৎকৃষ্ট শাসন ব্যৱস্থা বুলি ধৰা হয়। বিশ্বৰ সৰহ সংখ্যক দেশেই, বৰ্তমান গণতন্ত্ৰক শাসন ব্যৱস্থা হিচাপে গ্ৰহণ কৰিছে। কিন্তু পৃথিৱীৰ সকলো দেশতে গণতন্ত্ৰ সমানভাৱে সফল হ'ব পৰা নাই। গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে কিছুমান চৰ্ত পালন কৰাটো আৱশ্যক। তলত উল্লেখ কৰা চৰ্তসমূহ পূৰণ কৰিব পাৰিলে গণতন্ত্ৰক এক আৰ্হিমূলক শাসন ব্যৱস্থা বুলি ক'ব পৰা যাব।

**(ক)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে জনগণৰ গণতান্ত্ৰিক ভাৱধাৰাৰ প্ৰতি আগ্ৰহ থাকিব লাগিব। জে এচ মিলৰ মতে, “গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে জনসাধাৰণৰ গণতান্ত্ৰিক শাসন ব্যৱস্থা গ্ৰহণৰ ইচ্ছা থাকিব লাগিব। গণতন্ত্ৰক ৰক্ষা কৰিবৰ বাবে তেওঁলোক প্ৰয়োজনীয় কৰ্তব্য পালন কৰিবলৈ ইচ্ছুক আৰু সক্ষম হ'ব লাগিব। গণতন্ত্ৰৰ উদ্দেশ্য সাধনৰ বাবে তেওঁলোকে কঠোৰ পৰিশ্ৰম কৰিব লাগিব।”

**(খ)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ আন এটা প্ৰধান চৰ্ত হ'ল সাৰ্বজনীন শিক্ষা ব্যৱস্থা। গণতন্ত্ৰত যিহেতু জনসাধাৰণেই সৰ্বেসৰ্বা, গতিকে গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে জনসাধাৰণ শিক্ষিত হোৱাটো অতি আৱশ্যক। নিৰক্ষৰ সমাজ গণতন্ত্ৰৰ বাবে ভাবুকি। জে.এচ.মিলেও কৈছে, “সাৰ্বজনীন ভোটাধিকাৰৰ স্বীকৃতিৰ পূৰ্বে সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ আৱশ্যক। শিক্ষাই মানুহক সচেতন কৰে। শিক্ষাই নাগৰিকক নিজৰ অধিকাৰ ভোগ কৰাৰ বাবে উপযুক্ত কৰি তোলে। ৰাষ্ট্ৰৰ নীতি-নিয়ম, বিভিন্ন আঁচনি আদিৰ সফলতা নিৰ্ভৰ কৰে শিক্ষিত নাগৰিকৰ ওপৰত। সেয়েহে সাৰ্বজনীন শিক্ষা ব্যৱস্থাৰ সফল ৰূপায়নৰ দ্বাৰা গণতন্ত্ৰ কৃতকাৰ্য্য কৰিব পাৰি।

**(গ)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ আন এটা প্ৰয়োজনীয় চৰ্ত হ'ল জনসাধাৰণৰ সহনশীলতা। গণতন্ত্ৰত এজনে আন এজনৰ মতৰ প্ৰতি সহনশীল হ'ব লাগিব। গণতন্ত্ৰত সকলো মতবাদৰ অস্তিত্বক স্বীকাৰ কৰা হয়। গণতন্ত্ৰত সংখ্যাগৰিষ্ঠৰ মতৰ প্ৰতি সহনশীল মনোভাৱ অতি প্ৰয়োজনীয়, সেইদৰে সংখ্যাগৰিষ্ঠই সংখ্যালঘূৰ মতৰ প্ৰতিও সহনশীল হ'ব লাগিব।

**(ঘ)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে সুস্থ জনমতৰ প্ৰয়োজন। প্ৰচাৰ মাধ্যম হৈছে জনমতৰ মূল আহিলা। মুক্ত আৰু নিৰপেক্ষ প্ৰচাৰ মাধ্যমৰ জৰিয়তে সুস্থ জনমত গঢ়ি তুলিব পাৰি। প্ৰচাৰ মাধ্যমে চৰকাৰৰ বিভিন্ন আঁচনিসমূহ সম্প্ৰচাৰ কৰি জনসাধাৰণক এই আঁচনি সমূহৰ বিষয়ে জ্ঞাত কৰে। নিৰপেক্ষ প্ৰচাৰ মাধ্যমে জনসাধাৰণক চৰকাৰৰ সকলো কাম-কাজৰ বিষয়ে সজাগ কৰি সুস্থ জনমত গঠনত সহায় কৰে।

**(ঙ)** গণতন্ত্ৰৰ কৃতকাৰ্যতাৰ বাবে দেশখনত গণতান্ত্ৰিক ঐতিহ্য থাকিব লাগে। গণতান্ত্ৰিক ঐতিহ্য অবিহনে এই ব্যৱস্থাই সফলতা লাভ কবিৰ নোৱাৰে। গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ স্বৰূপ বুজিবৰ বাবে গণতান্ত্ৰিক ঐতিহ্যই জনসাধাৰণক সহায় কৰে। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত স্বাধীনতা লাভৰ পিছৰ পৰাই গণতান্ত্ৰিক ব্যৱস্থা সফলভাৱে চলি আহিছে, কিন্তু গণতান্ত্ৰিক ঐতিহ্যত অভ্যস্ত নোহোৱা বাবে পাকিস্থানত গণতন্ত্ৰিক চৰকাৰ বহুবাৰ বিফল হৈছে।

**(চ)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু স্বায়ত্ব শাসন অতি প্ৰয়োজনীয় চৰ্ত। ক্ষমতাৰ বিকেন্দ্ৰীকৰণে জনসাধাৰণক ৰাজনৈতিক আৰু প্ৰশাসনীক ক্ষেত্ৰত অংশ গ্ৰহণৰ সুবিধা দিয়ে। ক্ষমতাৰ বিভিন্ন স্তৰত অংশ গ্ৰহণে জনসাধাৰণক প্ৰশাসনৰ জ্ঞান প্ৰদান কৰে আৰু স্থানীয় প্ৰশাসনৰ লগত জড়িত ব্যক্তিয়েই এটা সময়ত দেশক বিভিন্ন স্তৰত নেতৃত্ব দিবলৈ সক্ষম হয়।

**(ছ)** গণতন্ত্ৰ কৃতকাৰ্য্যতাৰ বাবে শাসক আৰু বিৰোধী দলৰ ভূমিকাও যঠেষ্ট গুৰুত্বপূৰ্ণ। শক্তিশালী বিৰোধী দলৰ উপস্থিতিয়ে শাসক দলক স্বেচ্ছাচাৰী হোৱাত বাধা দিয়ে। বিৰোধী দলে চৰকাৰক সদায় সচেতন কৰি ৰাখে। বিৰোধী দলে চৰকাৰৰ কাম-কাজৰ ওপৰত চোকা দৃষ্টি ৰাখে। শাসকসকলক অন্যায় আৰু দুৰ্নীতি কৰাত বাধা আৰোপ কৰে আৰু শাসকেও জনসাধাৰণক সন্তুষ্ট ৰাখিবলৈ চেষ্টা কৰে। গতিকে প্ৰকৃত গণতন্ত্ৰত শাসক আৰু বিৰোধী দল উভয়ৰে যঠেষ্ট গুৰুত্ব আছে।

**(জ)** গণতন্ত্ৰ কৃতকাৰ্য্যতাৰ বাবে নাগৰিকৰ আধিকাৰ আৰু স্বধীনতা অতি প্ৰয়োজনীয়। জনসাধাৰণৰ অধিকাৰসমূহ সবলভাৱে সংৰক্ষণ আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰসংগত আমি ভাৰতীয় সংবিধানৰ কথা উল্লেখ কৰিব পাৰো। ভাৰতীয় সংবিধানত জনসাধাৰণৰ বিকাশৰ বাবে মৌলিক অধিকাৰ আৰু ইয়াৰ প্ৰতিৰক্ষাৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। সাধাৰণতে আইনৰ শাসন, নিৰপেক্ষ ন্যায়পালিকা ব্যৱস্থা, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, ন্যায়িক সমীক্ষা, ক্ষমতাৰ পৃথকীকৰণ আৰু ক্ষমতাৰ বিভাজন ব্যৱস্থাৰ জৰিয়তে নাগৰিকে অধিকাৰ আৰু স্বাধীনতা ভোগ কবিৰ পাৰে। গতিকে গণতন্ত্ৰ কৃতকাৰ্য্যতাৰ বাবে নাগৰিকৰ অধিকাৰ আৰু স্বাধীনতা থকাটো অতি প্ৰয়োজনীয়।

**(ঝ)** গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে জনসাধাৰণৰ অৰ্থনৈতিক স্বাধীনতা অতি প্ৰয়োজনীয়। উৎপাদনৰ ক্ষেত্ৰত সামাজিক নিয়ন্ত্ৰণ থকা উচিত। অৰ্থনৈতিক ক্ষেত্ৰত সকলোৰে সমানাধিকাৰ থাকিব লাগে। ৰাষ্ট্ৰীয় সম্পদ আৰু আয়ৰ সমবিতৰণৰ যোগেদি গণতন্ত্ৰ কৃতকাৰ্য্য কৰিব পাৰি।

**জানি থওঁ আহা**

ভাৰতীয় সংবিধানৰ নং অনুচ্ছেদৰ পৰা নং অনুচ্ছেদলৈ সমতাৰ অধিকাৰৰ কথা উল্লেখ আছে।

নং অনুচ্ছেদে নাগৰিকক আইনগত সমতা আৰু সুৰক্ষা প্ৰদান কৰিছে।

নং অনুচ্ছেদ অনুসৰি চৰকাৰে জাতি, বৰ্ণ, ধৰ্ম, লিংগৰ ভিত্তিত কোনো ধৰণৰ বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব।

নং অনুচ্ছেদ অনুসৰি নিয়োগৰ ক্ষেত্ৰত সকলো নাগৰিকৰে সুযোগৰ সমতা থাকিব।

নং অনুচ্ছেদ অনুসৰি অস্পৃশ্যতা নিষিদ্ধ কৰা হৈছে।

নং অনুচ্ছেদ অনুসৰি শিক্ষাগত বা সৈনিকৰ উপাধিৰ বাহিৰে অন্য উপাধি চৰকাৰে প্ৰদান নকৰিব।

**আত্ম মূল্যায়ন প্ৰশ্ন**

ভাৰতীয় সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰে ভাৰতবৰ্ষত গণতন্ত্ৰৰ কৃতকাৰ্যতাৰ বাবে প্ৰয়োজনীয় চৰ্তসমূহ কিমানদূৰ সফল হৈছে?

**২.৩.৪ গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ ঃ**

**গণতন্ত্ৰৰ গুণসমূহ ঃ**

তলত গণতন্ত্ৰৰ গুণসমূহ উল্লেখ কৰা হ'ল—

গণতন্ত্ৰত ক্ষমতাৰ উৎস জনসাধাৰণ। ইয়াত জনসাধাৰণে নিজক শাসন কৰাৰ সুযোগ পায়। জনসাধাৰণৰ প্ৰতিনিধিৰ দ্বাৰা চৰকাৰ গঠন হয় আৰু চৰকাৰে জনসাধাৰণৰ উন্নয়নৰ হকে কাম কৰে।

গণতন্ত্ৰত চৰকাৰ জনসাধাৰণৰ ওচৰত দায়বদ্ধ। ইয়াত চৰকাৰ সকলো ক্ষেত্ৰতে জনসাধাৰণৰ ওচৰত দায়িত্বশীল। জনসাধাৰণৰ স্বাৰ্থবিৰোধী কাম চৰকাৰে কৰিব নোৱাৰে। এই চৰকাৰ জনমতৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰ।

গণতান্ত্ৰিক চৰকাৰে এজন ব্যক্তি বা এটা নিৰ্দিষ্ট শ্ৰেণীৰ স্বাৰ্থ সুৰক্ষিত নকৰে, ই সমাজৰ বৃহৎসংখ্যক জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰে।

গণতন্ত্ৰত বিপ্লৱৰ সম্ভাৱনা কম থাকে। এই ব্যৱস্থাত জনসাধাৰণে মুকলিকৈ নিজৰ মত প্ৰকাশ কৰিব পাৰে। শান্তিপূৰ্ণ উপায়েৰে নিজৰ অভাৱ-অভিযোগ পূৰণ কৰিব পাৰে।

গণতন্ত্ৰ সমতা নীতিৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰ। ইয়াত জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা নিৰ্বিশেষে সকলো নাগৰিক আইনৰ দৃষ্টিত সমান আৰু আইনৰ দ্বাৰা সমভাবে সুৰক্ষিত হয়।

গণতন্ত্ৰই স্বাধীনতাৰ নীতি সমৰ্থন কৰে। এই শাসন ব্যৱস্থাত প্ৰতিগৰাকী ব্যক্তিয়ে মুকলিভাৱে নিজৰ ব্যক্তিত্ব গঢ়ি তুলিব পাৰে। সকলো ব্যক্তিয়ে নিজৰ পচন্দ আৰু অভিৰুচি অনুসৰি কাম কৰিব পাৰে।

**গণতন্ত্ৰৰ দোষসমূহ ঃ**

গণতন্ত্ৰৰ দোষসমূহ তলত উল্লেখ কৰা হ'ল—

গণতন্ত্ৰত ভোটদাতাসকলে প্ৰাৰ্থীৰ জ্ঞান আৰু অভিজ্ঞতাৰ সলনি তেওঁৰ জনপ্ৰিয়তাৰ ওপৰত বেছি গুৰুত্ব দিয়ে।

গণতান্ত্ৰিক চৰকাৰ যথেষ্ঠ ব্যয়বহুল। গণতন্ত্ৰত প্ৰতিগৰাকী ব্যক্তিৰ প্ৰয়োজন পূৰাবলৈ চেষ্টা কৰা হয় বাবে ইয়াত খৰচৰ মাত্ৰা বেছি। বিশেষকৈ এই ব্যৱস্থাত নিৰ্বাচনী ব্যয় বহুত বেছি।

গণতান্ত্রিক শাসন ব্যৱস্থা লেহেমীয়া। ইয়াত খৰকতীয়াকৈ কোনো সিদ্ধান্ত গ্রহণ কৰা নহয়। যিকোনো সিদ্ধান্ত গ্রহণ কৰাৰ আগত ভিন্ন ভিন্ন বিভাগত আলোচনা আৰু ভিন্ন ভিন্ন মন্ত্রীৰ অনুমোদনৰ প্রয়োজন।

গণতন্ত্র যদিও জনসাধাৰণৰ চৰকাৰ বুলি কোৱা হয় কিন্তু প্রকৃততে ইয়াত ৰাজনৈতি দলসমূহ যথেষ্ট শক্তিশালী। ৰাজনৈতিক দলসমূহে ব্যক্তিগত লাভালাভৰ বাবে কেতিয়াবা ৰাষ্ট্রীয় স্বাৰ্থ জলাঞ্জলি দিয়া দেখা যায়।

**অগ্রগতিৰ খতিয়ান**

প্রশ্ন নং ঃ গণতন্ত্রৰ কৃতকাৰ্য্যতাৰ দুটা চৰ্ত উল্লেখ কৰা।

প্রশ্ন নং ঃ গণতন্ত্রৰ দুটা গুণ লিখা।

প্রশ্ন নং ঃ গণতন্ত্রৰ দুটা দোষ লিখা।

প্রশ্ন নং ঃ গণতন্ত্রৰ এটা প্রধান চৰ্ত হ'ল ...................... শিক্ষা ব্যৱস্থা।

(খালী ঠাই পূৰণ কৰা)

প্রশ্ন নং ঃ গণতন্ত্রত .................. সম্ভাৱনা কম থাকে।

(খালী ঠাই পূৰণ কৰা)

**২.৪ স্বাধীনতাৰ ধাৰণা ঃ**

স্বাধীনতা এটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক ধাৰণা। ইয়াত আমি স্বাধীনতাৰ ধাৰণাৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম।

**২.৪.১ স্বাধীনতাৰ অৰ্থ ঃ**

স্বাধীনতাক ইংৰাজীত Liberty বুলি কোৱা হয়। Liberty শব্দটো লেটিন শব্দ লিবাৰ Liber ৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে মুক্ত অৱস্থা বা স্বাধীনতা। সেয়েহে স্বাধীনতা বুলিলে সাধাৰণতে বাধাহীনতা বুজায়। অৰ্থাৎ ব্যক্তিয়ে নিজৰ ইচ্ছা অনুসৰি কাম কৰিব পৰা অৱস্থাক বুজায়। প্রতিজন ব্যক্তিৰে স্বাধীনতা এটা মৌলিক প্রয়োজন।

বিভিন্ন ৰাজনৈতিক তত্ত্ববিদে স্বাধীনতাৰ ধাৰণাৰ বিষয়ে বিভিন্ন সংজ্ঞা দিছে। তলত স্বাধীনতাৰ কেইটামান সংজ্ঞা পৰীক্ষা কৰোঁ আঁহক।

গেটেলৰ মতে "স্বাধীনতা মানে হ'ল সেইবোৰ কাম কৰাৰ বা উপভোগ কৰাৰ ইতিবাচক ক্ষমতা যিবোৰৰ উপভোগৰ বা কামৰ মূল্য থাকে।"

জি. ডি. এইচ. কোলৰ মতে “স্বাধীনতা হ’ল কোনো ধৰণৰ বাহ্যিক বাধাৰ সন্মুখীন নোহোৱাকৈ ব্যক্তিয়ে ব্যক্তিত্ব বিকাশ কৰিব পৰা মুক্ত অৱস্থা।”

লাস্কিৰ মতে “স্বাধীনতাৰ অৰ্থ হ’ল এনেকুৱা এটা সামাজিক বাতাবৰণ বাহাল ৰখা যত কোনো বাধা নোহোৱাকৈ ব্যক্তি নিজৰ সম্পূৰ্ণ বিকাশৰ সুযোগ লাভ কৰে।”

কিন্তু প্ৰকৃততে সম্পূৰ্ণ বাধাহীনভাৱে স্বাধীনতা ভোগ কৰাটো সম্ভৱ নহয়। দৰাচলতে এজন ব্যক্তিয়ে সমাজৰ অন্য ব্যক্তিৰ স্বাৰ্থত আঘাত নকৰাকৈ নিজৰ ব্যক্তিত্ব বিকাশ কৰালৈকে স্বাধীনতা ভোগ কৰিব পাৰে।

এইখিনিতে আমি এটা কথা উল্লেখ কৰিব পাৰো যে স্বাধীনতাৰ বৰ্তমানৰ ধাৰণাটো তুলনামূলকভাৱে এটা নতুন ধাৰণা। ইয়াৰ বিকাশ আধুনিক যুগত হৈছে। এই ধাৰণা ব্যক্তিবাদৰ লগত জড়িত।

ইউৰোপৰ নৱজাগৰণৰ পিছতে স্বাধীনতাৰ বহুমুখীয়া দাবী আৰম্ভ হয়। অৰ্থাৎ ধৰ্মীয় সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক স্বাধীনতাৰ দাবী উত্থাপিত হয়। এই সময়ছোৱাত বাধাহীন স্বাধীনতাৰ ওপৰত গুৰুত্ব বৃদ্ধি পায় আৰু এইদৰে স্বাধীনতাৰ নকৰাত্মক ধাৰণাৰ জন্ম হয়।

স্বাধীনতা সম্পৰ্কে মিলে এটা গুৰুত্বপূৰ্ণ ধাৰণা আগবঢ়াইছে। মিলৰ মতে মানুহৰ কাম-কাজবোৰ দুটা ভাগত ভগাব পাৰি -- নিজৰ লগত জড়িত (Self-Regarding) আৰু আনৰ লগত জড়িত (Others Regarding) প্ৰতিগৰাকী ব্যক্তি নিজৰ লগত জড়িত কামৰ বাবে মুক্ত কিন্তু আনৰ লগত জড়িত কামৰ ক্ষেত্ৰত ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰিব পাৰে। মিলে কৈছিল, “নিজৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰত্যেকজন ব্যক্তিয়ে সাৰ্বভৌম।”

লাস্কিৰ মতে স্বাধীনতাৰ বাবে অধিকাৰ প্ৰয়োজনীয়। অধিকাৰ বিহীন স্বাধীনতাই ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব নোৱাৰে। তেওঁ স্বাধীনতাক তিনিটা ভাগত ভাগ কৰিছে— ব্যক্তিগত, ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাধীনতা। ব্যক্তিৰ জীৱনত প্ৰভাৱ পেলোৱা দিশসমূহক বুজোৱা হৈছে। ৰাজনৈতিক স্বাধীনতাই ৰাষ্ট্ৰৰ ক্ৰিয়াত অংশগ্ৰহণ কৰাৰ স্বাধীনতাক বুজায় আৰু অৰ্থনৈতিক স্বাধীনতাই আৰ্থিক দিশত স্বাৱলম্বী হোৱা বুজায়।

**জানি থওঁ আহা**

স্বাধীনতাক দুটা ভাগত ভগাব পাৰি—

সকৰাত্মক স্বাধীনতা আৰু নকৰাত্মক স্বাধীনতা। সকৰাত্মক স্বাধীনতাই ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰে আৰু ৰাষ্ট্ৰই নাগৰিকসকলৰ স্বাধীনতা উপভোগত সহায় কৰে। আনহাতে নকৰাত্মক স্বাধীনতাই বাধাহীন স্বাধীনতাক বুজায়।

### ২.৪.২ স্বাধীনতাৰ প্ৰকাৰসমূহ ঃ

স্বাধীনতাক তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পাৰি—

**প্ৰাকৃতিক স্বাধীনতা ঃ**

প্ৰাকৃতিক স্বাধীনতাই নিজৰ ইচ্ছামতে কাম কৰিব পৰা অৱস্থাক বুজায়। এনে স্বাধীনতা ৰাষ্ট্ৰৰ উৎপত্তিৰ পূৰ্বে প্ৰাকৃতিক অৱস্থাত দেখিবলৈ পোৱা গৈছিল। 'সামাজিক চুক্তি'ৰ পৃষ্ঠপোষকসকলে প্ৰাকৃতিক স্বাধীনতাক সমৰ্থন কৰিছিল। প্ৰাকৃতিক অৱস্থাত 'জোৰ যাৰ মুলুক তাৰ' নীতিৰ প্ৰচলন থকা বাবে শক্তিশালী লোকেহে এনে স্বাধীনতা ভোগ কৰিছিল। কিন্তু প্ৰাকৃতিক স্বাধীনতাৰ ধাৰণাটো গ্ৰহণযোগ্য নহয়। কিয়নো যদি প্ৰতিজন ব্যক্তিয়ে নিজ ইচ্ছামতে কাম কৰাৰ অবাধ স্বাধীনতা লাভ কৰে তেনেহ'লে ই বিশৃংখলা আৰু খেলি-মেলিৰ সৃষ্টি কৰিব। ইয়াৰোপৰি ৰাষ্ট্ৰবিহীন অৱস্থাত কোনেও স্বাধীনতা ভোগ কৰিব নোৱাৰে। ৰাষ্ট্ৰইহে মানুহক স্বাধীনতা প্ৰদান কৰে আৰু সেই স্বাধীনতাৰ উপযুক্ত ৰক্ষণা-বেক্ষণা দিয়ে। সামাজিক চুক্তি তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক ৰুচো (Rousseau) ৰ মতে সামাজিক চুক্তিৰ দ্বাৰা ৰাষ্ট্ৰৰ গঠনৰ পিছত মানুহে প্ৰাকৃতিক স্বাধীনতা হেৰুৱাইছিল।

**ব্যক্তিগত স্বাধীনতা ঃ**

ব্যক্তিয়ে সমাজত নিজ ইচ্ছামতে কাম কৰিব পৰা অৱস্থাকেই ব্যক্তি স্বাধীনতা বোলে। জীৱনৰ অধিকাৰ, ভ্ৰমণৰ স্বাধীনতা, বাক্ স্বাধীনতা, আইনৰ দৃষ্টিত সমান, ব্যক্তিগত সম্পত্তিৰ সুৰক্ষা, বিচাৰ-বিবেচনাৰ স্বধীনতাকেই ব্যক্তিগত স্বাধীনতা বোলে। বাৰ্কাৰ (Barker) ৰ মতে ব্যক্তিগত স্বাধীনতা তিনিটা বিষয়ৰ লগত জড়িত। এই তিনিটা বিষয় হৈছে -- দৈহিক স্বাধীনতা অৰ্থাৎ জীৱন; স্বাস্থ্য আৰু ভ্ৰমণ কৰা বিষয়ত স্বাধীনতা; চিন্তা, বিশ্বাস আৰু মত প্ৰকাশৰ স্বাধীনতা আৰু নিজৰ পচন্দ অনুসৰি আনৰ লগত সম্পৰ্ক স্থাপন আৰু চুক্তি কৰাৰ স্বাধীনতা। লাস্কি (Laski) ৰ মতে ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ আৰু প্ৰতিভা বিকাশৰ বিষয়ত থকা স্বাধীনতাই হৈছে ব্যক্তিগত স্বাধীনতা । J. S.Mill এ তেওঁৰ On Liberty নামৰ গ্ৰন্থত ব্যক্তিগত স্বাধীনতাক সমৰ্থন জনাইছিল। তেওঁৰ মতে যিবোৰ বিষয় অকল নিজৰ স্বাৰ্থৰ লগত জড়িত (Self- regarding), তেনে বিষয়ত বাধা থকা উচিত নহয় কাৰণ "নিজৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰতেকজন ব্যক্তিয়ে সাৰ্বভৌম"। ব্যক্তিগত স্বাধীনতাই অবাধ স্বাধীনতাক নুবুজায়। ব্যক্তি স্বাধীনতা ৰাষ্ট্ৰই প্ৰদান কৰে আৰু প্ৰয়োজন সাপেক্ষে ৰক্ষণা-বেক্ষণ কৰে।

**ৰাজনৈতিক স্বাধীনতা ঃ**

ৰাজনৈতিক স্বাধীনতাই নাগৰিকক চৰকাৰৰ কাম-কাজত অংশ গ্ৰহণৰ কথা বুজায়। অৰ্থাৎ চৰকাৰ গঠণ, নিয়ন্ত্ৰণ আৰু বিভিন্ন কাৰ্য্যকলাপত প্ৰত্যেক্ষ আৰু পৰোক্ষভাৱে অংশ গ্ৰহণ কৰাৰ অধিকাৰকে ৰাজনৈতিক স্বাধীনতা বোলে।

Laski ৰ মতে “ৰাষ্ট্ৰৰ কাৰ্য্যত সক্ৰিয় অংশ ল’ব পৰা ক্ষমতাকেই ৰাজনৈতিক স্বাধীনতা বোলে।” বৰ্তমান সময়ত ভোটাধিকাৰ এটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক অধিকাৰ । সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ নীতিৰ দ্বাৰা নাগৰিকে চৰকাৰ গঠন কৰে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ, চৰকাৰী পদত আবেদন কৰাৰ স্বাধীনতা, চৰকাৰক সমলোচনা কৰাৰ অধিকাৰ আদি ৰাজনৈতিক স্বাধীনতাৰ অন্তৰ্গত। ৰাজনৈতিক স্বাধীনতাই ব্যক্তিক ৰাজনৈতিক দিশত সচেতন কৰি তোলে, ব্যক্তি নিজৰ অধিকাৰ আৰু ৰাষ্ট্ৰৰ প্ৰতি থকা কৰ্তব্যৰ প্ৰতি সজাগ হয়।

**অৰ্থনৈতিক স্বাধীনতা ঃ**

কোনো ধৰণৰ হস্তক্ষেপ নোহোৱাকৈ প্ৰত্যেকজন ব্যক্তিয়ে সামৰ্থ অমুযায়ী জীৱিকা উপাৰ্জন কৰি অৰ্থনৈতিক দিশত স্বাৱলম্বী হোৱাকে অৰ্থনৈতিক স্বধীনতা বোলে। অৰ্থনৈতিক স্বাধীনতা মানে আৰ্থিক নিৰাপত্তা। গণতন্ত্ৰ কৃতকাৰ্যতাৰ বাবে জনসাধাৰণৰ অৰ্থনৈতিক স্বাধীনতা অতি প্ৰয়োজনীয়। অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন। অৰ্থনৈতিক স্বাধীনতাই ব্যক্তিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে সমাজৰ অৰ্থনৈতিক বুনিয়াদ দৃঢ় কৰি তোলে। কৰ্মৰ অধিকাৰ, উপযুক্ত মজুৰিৰ অধিকাৰ, জিৰণীৰ অধিকাৰ, বৃদ্ধ অৱস্থাত নিৰাপত্তৰ অধিকাৰ আদি অৰ্থনৈতিক স্বাধীনতাৰ উদাহৰণ।

**ৰাষ্ট্ৰীয় স্বাধীনতা ঃ**

ৰাষ্ট্ৰীয় স্বাধীনতা হ’ল দেশ-বিদেশী ৰাষ্ট্ৰৰ নিয়ন্ত্ৰৰ পৰা মুক্ত অৱস্থা। অৰ্থাৎ ৰাষ্ট্ৰীয় স্বাধীনতা মানে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব। এখন ৰাষ্ট্ৰই যেতিয়া কোনো বিদেশী ৰাষ্ট্ৰৰ নিয়ন্ত্ৰন নোহোৱাকৈ ৰাষ্ট্ৰৰ আভ্যন্তৰীণ আৰু বাহ্যিক নীতি নিৰ্ধাৰণ কৰে, তেনে ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় স্বাধীনতা থকা বুলিব পাৰি। ৰাষ্ট্ৰীয় স্বাধীনতা নাথাকিলে নাগৰিকে ব্যক্তি স্বাধীনতা, ৰাজনৈতিক স্বাধীনতা বা অৰ্থনৈতিক স্বাধীনতা ভোগ কৰিব নোৱাৰে কিয়নো পৰাধীন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় স্বাধীনতা নাথাকে। এই প্ৰসংগত আমি এটা কথা উল্লেখ কৰিব পাৰো যে ভাৰতবৰ্ষ বৃটিছ শাসনৰ তলত থকা সময়ত ইয়াৰ ৰাষ্ট্ৰীয় স্বাধীনতা নাছিল আৰু সেয়েহে ভাৰতবৰ্ষৰ নাগৰিকসকল বিভিন্ন অধিকাৰৰ পৰা বঞ্চিত হৈছিল।

**নৈতিক স্বাধীনতা ঃ**

নৈতিক স্বাধীনতাই ব্যক্তিয়ে নিজৰ বিবেক অনুসৰি কাম কৰাৰ অধিকাৰক বুজায়।স্বেচ্ছাচাৰী শাসন ব্যৱস্থাত নৈতিক স্বাধীনতা সম্ভৱ নহয়। কিয়নো এই শাসন ব্যৱস্থাত জনসাধাৰণে চৰকাৰৰ নিৰ্দেশত সকলো কাম কৰে। বিবেক অনুসৰি কাম কৰাৰ স্বাধীনতা নাথাকে। প্ৰকৃততে ব্যক্তিৰ আত্মিক আৰু মানসিক স্বাধীনতাই নৈতিক স্বাধীনতা।

Plato, Aristotle, Kant, Hegel, Green, Bosanquet আদি দাৰ্শনিক সকলে নৈতিক স্বাধীনতাৰ ওপৰত যঠেষ্ট গুৰুত্ব আৰোপ কৰিছিল। ব্যক্তিৰ নৈতিক চৰিত্ৰ উৎকৰ্ষসাধনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা ৰাষ্ট্ৰই গ্ৰহণ কৰিব লাগে। নৈতিক স্বাধীনতা অবিহনে ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ বিকাশ সাধন কৰিব নোৱাৰে।

**জানি থওঁ আহা**

ভাৰতীয় সংবিধানে নং অনুচ্ছেদ অনুসৰি নাগৰিকক বিধ স্বাধীনতা প্ৰদান কৰিছে—

(ক) বাক স্বাধীনতা (খ) অস্ত্ৰহীনভাৱে গোট খোৱাৰ স্বাধীনতা (গ) সংস্থা গঠনৰ স্বাধীনতা (ঘ) ভাৰতৰ চাৰিসীমাৰ ভিতৰত মুক্তভাৱে বিচৰণৰ স্বাধীনতা (ঙ) ভাৰতৰ যিকোনো অঞ্চলত বসবাসৰ স্বাধীনতা (চ) যিকোনো বৃত্তি গ্ৰহণৰ স্বাধীনতা।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ লিবাৰ্টি শব্দটো ক'ৰ পৰা আহিছে ?

প্ৰশ্ন নং ঃ নিজৰ শৰীৰ আৰু মনৰ ওপৰত প্ৰত্যেকজন ব্যক্তিয়ে .............। (খালী ঠাই পূৰণ কৰা)

প্ৰশ্ন নং ঃ ব্যক্তিগত স্বাধীনতাৰ এগৰাকী পৃষ্ঠপোষকৰ নাম উল্লেখ কৰা।

প্ৰশ্ন নং ঃ দুবিধ ৰাজনৈতিক স্বাধীনতা উল্লেখ কৰা।

**২.৪.৩ স্বাধীনতা ৰক্ষাৰ উপায় ঃ**

তলত স্বাধীনতা ৰক্ষাৰ উপায়সমূহ আলোচনা কৰা হ'ল—

**গণতান্ত্ৰিক চৰকাৰ ঃ** গণতন্ত্ৰত ব্যক্তিৰ স্বাধীনতা অটুট থাকে। গণতন্ত্ৰত যিহেতু জনসাধাৰণৰ প্ৰতিনিধিয়ে চৰকাৰ গঠন কৰে গতিকে চৰকাৰে স্বেচ্ছাচাৰী ভাৱে কাম কৰাৰ সম্ভাৱনা কম। গণতন্ত্ৰত চৰকাৰে সকলো শ্ৰেণীৰ নাগৰিকৰ কল্যাণৰ হকে কাম কৰে। সেয়েহে গণতন্ত্ৰত নাগৰিকৰ স্বাধীনতা সুৰক্ষিত হয়।

**মৌলিক অধিকাৰ ঃ** মৌলিক অধিকাৰৰ যোগেদি নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পাৰি। মৌলিক অধিকাৰবোৰ সাংবিধানিক অধিকাৰ। গতিকে মৌলিক অধিকাৰৰ ওপৰত চৰকাৰ, কোনো ব্যক্তি বা সংস্থাই সহজে হস্তক্ষেপ কৰিব নোৱাৰে।

**আইনৰ শাসন ঃ** আইনৰ শাসনৰ জৰিয়তে নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পাৰি। আইনৰ শাসনৰ অৰ্থ হ'ল আইনৰ চকুত সকলো সমান। আইনৰ শাসনে তলত উল্লেখ কৰা তিনিটা অৱস্থাক বুজায়।

(ক) কোনো ব্যক্তিয়ে আইন উলংঘা নকৰাকৈ আটক কৰিব নোৱাৰি।

(খ) সকলো শ্ৰেণীৰ লোককে একে ধৰণৰ আইনৰ দ্বাৰা বিচাৰ কৰা হয়।

(গ) সমান দোষৰ বাবে সমান শাস্তিৰ ব্যৱস্থা কৰা যায়।

**ক্ষমতাৰ পৃথকীকৰণ নীতি ঃ** মন্টেছকিউৰ মতে ক্ষমতাৰ পৃথকীকৰণ নীতি প্ৰয়োগ কৰি নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পাৰি। ক্ষমতাৰ পৃথকীকৰণ নীতি কাৰ্য্যকৰী কৰিবলৈ চৰকাৰৰ তিনিওটা অংগ— বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকা পৃথক হ'ব লাগে আৰু প্ৰতিটো অংগৰে নিজা ক্ষমতা থাকিব লাগে। ক্ষমতাৰ পৃথকীকৰণে চৰকাৰৰ স্বেচ্ছাচাৰিতাৰ পৰা নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰে।

**ন্যায়পালিকাৰ স্বাধীনতা ঃ** স্বাধীন ন্যায়পালিকাই নাগৰিকৰ স্বাধীনতা ৰক্ষাত সহায় কৰে। চৰকাৰে নাগৰিকৰ স্বাধীনতাত হস্তক্ষেপ কৰিলে নাগৰিকে আদালতৰ সহায় ল'ব পাৰে আৰু নিৰপেক্ষ স্বাধীন ন্যায়পালিকাই নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পাৰে।

**আত্ম মূল্যায়ন প্ৰশ্ন**

ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত নকৰাত্মক স্বাধীনতা প্ৰয়োজনীয় নেকি ? উদাহৰণ সহ বুজাই দিয়া।

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ নাগৰিকৰ স্বাধীনতা ৰক্ষাৰ দুটা উপায় উল্লেখ কৰক।

প্ৰশ্ন নং ঃ আইনৰ শাসনৰ দুটা বৈশিষ্ট উল্লেখ কৰক।

প্ৰশ্ন নং ঃ স্বাধীনতা আৰু নিৰপেক্ষ ............... নাগৰিকৰ স্বাধীনতা ৰক্ষা কৰিব পাৰে। (খালী ঠাই পূৰণ কৰা)

### ২.৫ সমতাৰ ধাৰণা ঃ

এই ভাগটিত আমি বৰ্তমান সময়ৰ এটা গুৰুত্বপূৰ্ণ ৰাজনৈতিক ধাৰণা সমতাৰ বিষয়ে আলোচনা কৰিম।

### ২.৫.১ সমতাৰ অৰ্থ ঃ

প্ৰাচীন কালৰে পৰা ৰাজনৈতিক চিন্তাধাৰাৰ এক প্ৰধান আলোচ্য বিষয়বস্তু হৈছে সমতা আৰু অসমতাৰ সমস্যা। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে 'অসমতা'ক বিপ্লৱৰ এক প্ৰধান কাৰণ বুলি উল্লেখ কৰিছে। সমতাৰ আধুনিক ধাৰণাই সকলো ধৰণৰ অসমতা দূৰ কৰিব বিচাৰে আৰু সকলো মানুহকে সম-ব্যৱহাৰ কৰাটো বিচাৰে। মানুহৰ মাজত শাৰীৰিক, মানসিক, সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত বহুতো পাৰ্থক্য থাকিলেও এটা দৃষ্টিত সকলো মানুহ সমান। কাৰণ প্ৰত্যেক ব্যক্তিক ভগৱানে সমভাৱে সৃষ্টি কৰিছে। সেইদৰে শাৰীৰিক, মানসিক আৰু বৌদ্ধিক প্ৰয়োজন সকলো মানুহৰে সমান। গতিকে সকলো মানুহে নিজৰ ব্যক্তিত্ব বিকাশৰ বাবে সমান অধিকাৰ লাভ কৰাৰ অধিকাৰ আছে। এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰিব বিছাৰোঁ যে আমেৰিকা আৰু ফৰাচী বিপ্লৱৰ সময়ৰ পৰা সমতাৰ ওপৰত বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হয়।

আধুনিক যুগৰ সমাজবিজ্ঞানী সকলে সামাজিক গাঁথনিৰ পৰিৱৰ্তন কৰি সমাজত যুগ-যুগ ধৰি চলি থকা অসমতা দূৰ কৰিব বিচাৰে। ৰুছোৱে তেওঁৰ বিখ্যাত গ্ৰন্থ Discourse on the Origin of Inequality ত ব্যক্তিগত সম্পত্তিৰ বৃদ্ধিয়ে অসমতাৰ এটা প্ৰধান কাৰণ বুলি উল্লেখ কৰিছে। ৰুছোৱে সামাজিক জীৱনত সচৰাচৰ দেখা পোৱা অসমতাক দুটা ভাগত ভাগ কৰিছে— স্বাভাৱিক অসমতা আৰু পৰম্পৰাগত অসমতা। স্বাভাৱিক অসমতাই যিকোনো ব্যক্তিৰ বয়স, স্বাস্থ্য, শাৰীৰিক শক্তি আদিৰ মাজত থকা পাৰ্থক্যক বুজায় আনহাতে সমাজ এখনৰ কিছুসংখ্যক ব্যক্তিয়ে বিশেষ সুয়োগ বা সুবিধাৰ দ্বাৰা অৰ্থ-সম্পদ, সন্মান বা ক্ষমতাৰ জৰিয়তে চহকী হৈ সমাজত যি অসমতাৰ সৃষ্টি কৰিছে সেই অসমতাক পৰম্পৰাগত অসমতা বোলে। স্বাভাৱিক অসমতা সমাজত স্বাভাৱিক ভাৱেই গঢ় লৈ উঠে কিন্তু পৰম্পৰাগত অসমতা মানুহে নিজে সৃষ্টি কৰে।

মাৰ্ক্সে ব্যক্তিগত সম্পত্তি বিলুপ্ত কৰি এখন শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠাৰ যোগেদি অৰ্থনৈতিক সমতা স্থাপন কৰিব বিচাৰিছিল।

সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সমতা অতি প্ৰয়োজনীয় কিয়নো সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক অসমতাই সমাজত অন্যায় আৰু শোষণৰ সৃষ্টি কৰে। সমতা স্থাপনৰ বাবে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে সমান সুয়োগ-সুবিধা পাব লাগিব।

**জানি থওঁ আহা**

চূড়ান্ত সমতা বাস্তৱত সম্ভৱ নহয় যিহেতু সকলো মানুহে সমভাৱে জন্ম গ্ৰহণ নকৰে। প্ৰতিজন ব্যক্তি শাৰীৰিক আৰু বৌদ্ধিক ক্ষমতাৰ লগতে দক্ষতা আৰু প্ৰতিভাৰ ক্ষেত্ৰতো পৃথক। গতিকে সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰ ব্যক্তিগত গুণ আৰু সামৰ্থ্যৰ বিকাশৰ বাবে সমতাই কিছুমান যুক্তিপূৰ্ণ (Reason) ক্ষেত্ৰত বৈষম্যৰ অনুমতি দিয়ে। এই বৈষম্যতা সামাজিক দিশত পিছপৰা শ্ৰেণী সমূহক 'পক্ষপাতমূলক ব্যৱহাৰ'ৰ যোগেদি অন্য উন্নত জাতিসমূহৰ সমপৰ্য্যায়লৈ আনিবলৈ চেষ্টা কৰা হয়। এই ক্ষেত্ৰত আমি ভাৰতীয় সংবিধানৰ কথা উনুকিয়াব পাৰো। ভাৰতীয় সংবিধানে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ বাবে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ এৰিষ্ট'টলে .............. বিপ্লৱৰ এক প্ৰধান কাৰণ বুলি উল্লেখ কৰিছে। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ঃ সমতাৰ আধুনিক ধাৰণাই সকলো ধৰণৰ অসমতা দূৰ কৰিব বিচাৰে আৰু সকলো মানুহকে ............... কৰাটো বিচাৰে। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ঃ ৰুচোই অসমতাক কি কি দুটা ভাগত ভাগ কৰিছে?

প্ৰশ্ন নং ঃ সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সমতা অতি প্ৰয়োজনীয়। (শুদ্ধ/অশুদ্ধ)

### ২.৫.২ সমতাৰ প্ৰকাৰ ঃ

সমতাৰ ধাৰণাক চাৰি প্ৰকাৰত ভগাব পাৰি। সমতাৰ বিভিন্ন প্ৰকাৰ সমূহ হ'ল—

**ন্যায়িক সমতা ঃ**

অষ্টাদশ শতিকাত সমাজৰ ধনিক শ্ৰেণীয়ে লাভ কৰা ন্যায়িক সুবিধাসমূহ দূৰ কৰিবৰ বাবে ন্যায়িক সমতাৰ দাবী উত্থাপিত হৈছিল। ন্যায়িক সমতাৰ অৰ্থ হ'ল আইনৰ দৃষ্টিত সকলো সমান আৰু আইনৰ দ্বাৰা সমানে সুৰক্ষিত। ইয়াত এটা কথা উল্লেখ কৰিব বিছাৰো যে মানৱ ইতিহাসত এটা দীঘলীয়া সংগ্ৰামৰ পিছতহে আধুনিক সমাজ ব্যৱস্থাত ন্যায়িক সমতাৰ ধাৰণা স্থাপিত হৈছিল। প্ৰাচীন সমাজ ব্যৱস্থাত ন্যায়িক সমতাৰ ধাৰণা প্ৰচলিত নাছিল। উদাহৰণ স্বৰূপে প্ৰাচীন হিন্দু গ্ৰন্থ 'মনুস্মৃতি'ত অপৰাধীৰ বৰ্ণ অনুসৰি একে অপৰাধৰ বাবে ভিন্ন ভিন্ন শাস্তি অনুমোদন কৰা হৈছে। নিম্ন বৰ্ণৰ অপৰাধীৰ শাস্তি কঠোৰ আছিল। সেইদৰে গ্ৰীক দাৰ্শনিক এৰিষ্ট'টলে একেটা অপৰাধৰ বাবে মুক্ত ব্যক্তি আৰু

দাসৰ বাবে পৃথক শাস্তি অনুমোদন কৰিছিল। কিন্তু বৰ্তমান যুগত ন্যায়িক সমতাক ন্যায় ব্যৱস্থাৰ ভেঁটি বুলিব পাৰি। ন্যায়িক সমতা অনুসৰি সমাজৰ সকলো ব্যক্তিয়ে জাতি, বৰ্ণ, ধৰ্ম, শ্ৰেণী নিৰ্বিশেষে সম অধিকাৰ লাভ কৰিব কিন্তু ন্যায়িক সমতাৰ উপলব্ধিৰ কাৰণে সমাজৰ পৰা সকলো ধৰণৰ আৰ্থ-সামাজিক অসমতা দূৰ কৰিব লাগিব।

**ৰাজনৈতিক সমতা ঃ**

জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ৰাষ্ট্ৰৰ সকলো নাগৰিকে সমভাৱে ৰাজনৈতিক অধিকাৰ লাভ কৰাকে ৰাজনৈতিক সমতা বোলে। অৰ্থাৎ ৰাজনৈতিক সমতাই ৰাষ্ট্ৰৰ প্ৰতিগৰাকী নাগৰিকৰ ভোটাধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ অধিকাৰ, ৰাজহুৱা সেৱাসমূহ ব্যৱহাৰ কৰাৰ সম অধিকাৰ বুজায়। এই ব্যৱস্থাত সমাজত কোনো বিশেষ শ্ৰেণী নাথাকে আৰু শাসকে কোনো এটা নিৰ্দিষ্ট শ্ৰেণীৰ সলনি সকলো জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰিব লাগে। ৰাজনৈতিক সমতাৰ ধাৰণা এই সাধাৰণ বিশ্বাসৰ পৰা জন্ম লৈছে যে শাৰীৰিক আৰু মানসিক সামৰ্থ্য, শিক্ষা, ধন-সম্পদ নিৰ্বিশেষে ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মানুহ যুক্তিপূৰ্ণ জীৱ।

বৰ্তমান বিশ্বৰ প্ৰায় সৰহ সংখ্যক দেশেই 'সাৰ্বজনীন প্ৰাপ্তবয়স্ক নীতি আৰু প্ৰতিনিধিত্ব গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থা গ্ৰহণৰ দ্বাৰা ৰাজনৈতিক সমতা গঢ়ি তুলিছে। উদাহৰণ স্বৰূপে আমি ভাৰতীয় সংবিধানৰ নাম উল্লেখ কৰিব পাৰোঁ। ভাৰতবৰ্ষত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বছৰৰ ওপৰৰ সকলো নাগৰিককে ভোটাধিকাৰ প্ৰদান কৰা হৈছে।

**সামাজিক সমতা ঃ**

সামাজিক সমতাৰ অৰ্থ হ'ল সমাজৰ প্ৰতিজন ব্যক্তিয়ে জাতি, বৰ্ণ, ধৰ্ম, ভাষা, শিক্ষা, সামাজিক পদমৰ্য্যদা নিৰ্বিশেষে ব্যক্তিত্ব বিকাশৰ বাবে সমান সুয়োগ লাভ কৰা। উনবিংশ শতিকাত দাস প্ৰথা, পুঁজিবাদ, বিভিন্ন সামাজিক অসমতা আদিৰ প্ৰতিবাদ স্বৰূপে সামাজিক সমতাৰ দাবী গঢ়ি উঠিছিল। কিন্তু বিংশ শতিকাত লিংগ, জাতি আৰু বৰ্ণৰ ভিত্তিত সামাজিক সমতাৰ দাবী উত্থাপিত হৈছিল। মহিলাই সম ভোটাধিকাৰৰ কাৰণে কৰা সংগ্ৰামৰ যোগেদি লিংগ ভিত্তিক সমতাৰ দাবী উত্থাপিত হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰতো বৰ্ণ-ভিত্তিক অসমতা দূৰ কৰিবলৈ আন্দোলন গঢ়ি উঠিছিল। মাৰ্টিন লুথাৰ কিং (কনিষ্ঠ) এ আমেৰিকা যুক্তাৰাষ্ট্ৰত কৃষ্ণাংগ সকলৰ ওপৰত চলি থকা সামাজিক আৰু ৰাজনৈতিক বৈষম্য দূৰ কৰাৰ বাবে এই আন্দোলনৰ গুৰি ধৰিছিল। এই প্ৰসংগত আমি যোৱা শতিকাত দক্ষিণ আফ্ৰিকাত নেলচন মেণ্ডেলাৰ নেতৃত্বত গঢ়ি উঠা বৰ্ণ বৈষম্য বিৰোধী আন্দোলনৰ নাম ল'ব পাৰোঁ। ভাৰতীয় সংবিধানেও মৌলিক অধিকাৰৰ দ্বাৰা সামাজিক সমতা স্থাপন কৰিবলৈ চেষ্টা কৰিছে।

**অৰ্থনৈতিক সমতা ঃ**

অৰ্থনৈতিক সমতা অবিহনে আইনগত, ৰাজনৈতিক আৰু সামাজিক সমতা অৰ্থহীন। লাস্কিৰ মতেও যেতিয়ালৈ সমাজত প্ৰকৃত অৰ্থনৈতিক সমতা স্থাপন নহয় তেতিয়ালৈ ৰাজনৈতিক সমতা স্থাপন কৰাটো অসম্ভৱ। অৰ্থনৈতিক সমতাই সম্পদৰ সমবিতৰণ নুবুজায়। প্ৰকৃততে পৃথিবীত সম্পূৰ্ণ অৰ্থনৈতিক সমতা লাভ কৰাটো প্ৰায় অসম্ভৱ। সেয়েহে বৰ্তমান সময়ত অৰ্থনৈতিক সমতাৰ অৰ্থ হ'ল সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰ জীৱনৰ মৌলিক প্ৰয়োজন যেনে— খাদ্য, বাসস্থান, কৰ্ম সংস্থান, স্বাস্থ্য ৰক্ষা আদিৰ সম-বিতৰণ।

কাৰ্লমাৰ্ক্সে অৰ্থনৈতিক সমতাৰ ক্ষেত্ৰত এটা পৃথক দৃষ্টিভংগী গ্ৰহণ কৰিছে। তেঁও ব্যক্তিগত সম্পত্তি বিলুপ্তকৰণ আৰু উৎপাদনৰ আহিলাৰ ওপৰত নিয়ন্ত্ৰণ আনি অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা কৰিব বিচাৰে।

সমাজৰ প্ৰতিগৰাকী ব্যক্তিয়ে যেতিয়া আৰ্থিক দিশত উন্নয়নৰ কাৰণে কিছু সুয়োগ লাভ কৰিব তেতিয়াই অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা হ'ব। ইয়াৰ বাবে প্ৰয়োজন হ'লে চৰকাৰে পিছ পৰা শ্ৰেণীসমূহক আৰ্থ-সামাজিক সুবিধা প্ৰদান কৰিব লাগে। এই প্ৰসংগত আমি ভাৰতীয় সংবিধানৰ নাম উল্লেখ কৰিব পাৰোঁ। ভাৰতীয় সংবিধানে মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ দ্বাৰা অৰ্থনৈতিক বৈষম্য দূৰ কৰিবলৈ চেষ্টা কৰিছে।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ .............. একেটা অপৰাধৰ বাবে মুক্ত ব্যক্তি আৰু দাসৰ বাবে পৃথক শাস্তি অনুমোদন কৰিছিল। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ঃ ৰাজনৈতিক সমতা কাক বোলে?

প্ৰশ্ন নং ঃ ন্যায়িক সমতাক ন্যায় ব্যৱস্থাৰ ভেঁটি বুলিব পাৰি। (শুদ্ধ অশুদ্ধ)

প্ৰশ্ন নং ঃ বৰ্তমান বিশ্বত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ আৰু ........... জৰিয়তে ৰাজনৈতিক সমতা গঢ় লৈ উঠিছে। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ঃ চূড়ান্ত অৰ্থনৈতিক সমতা সম্ভৱ নে?

**আত্ম মূল্যায়ন প্ৰশ্ন**

পক্ষপাতমূলক ব্যৱহাৰৰ যোগেদি কিদৰে সমতা স্থাপন কৰিব পাৰি উদাহৰণেৰে বুজাই লিখা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ২.৬ ন্যায়ৰ ধাৰণা ঃ

গণতন্ত্ৰৰ এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল ন্যায়। ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত ন্যায় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই ভাগটিত আমি ন্যায়ৰ অৰ্থ আৰু প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰিম।

### ২.৬.১ ন্যায়ৰ অৰ্থ ঃ

ন্যায়ৰ এটা সৰ্ব গ্ৰহণযোগ্য সংজ্ঞা আগবঢ়োৱাটো জটিল কাম। ন্যায়ৰ ধাৰণাটো বিভিন্ন সময়ত বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। ন্যায়ৰ ধাৰণা এটা গতিশীল ধাৰণা। সময় আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে ন্যায়ৰ অৰ্থৰো বহুখিনি পৰিৱৰ্তন হৈছে। ন্যায়ৰ ধাৰণাটো নৈতিকতাৰ লগত জড়িত ধাৰণা।

ন্যায়ৰ ধাৰণাৰ ওপৰত পোন প্ৰথমে গ্ৰীকসকলে বিভিন্ন ব্যাখ্যা আগবঢ়াইছিল। গ্ৰীক দাৰ্শনিক প্লেটোই তেওঁৰ গণৰাজ্য (Republic) নামৰ গ্ৰন্থত ন্যায়ৰ বিষয়ে বিতংভাৱে আলোচনা কৰিছে। প্লেটোৱে তেওঁৰ গণৰাজ্য (Republic)নামৰ গ্ৰন্থত আদৰ্শ ৰাষ্ট্ৰৰ বিষয়ে বৰ্ণনা কৰিছে। আদৰ্শ ৰাষ্ট্ৰৰ ভেঁটি হ'ল ন্যায়। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰত তিনি শ্ৰেণীৰ মানুহ থাকিব। প্ৰথম শ্ৰেণীৰ লোকসকলক দাৰ্শনিক ৰজা বুলি কোৱা হ'ব। তেওঁলোকৰ হাতত ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্ব থাকিব। দ্বিতীয় শ্ৰেণীৰ লোক হ'ল সৈনিকসকল। তেওঁলোকৰ হাতত ৰাষ্ট্ৰৰ নিৰাপত্তাৰ দায়িত্ব থাকিব আৰু তৃতীয় শ্ৰেণীৰ লোকসকলক উৎপাদক শ্ৰেণী বুলি কোৱা হ'ব। তেওঁলোকৰ কাম হ'ব আদৰ্শ ৰাষ্ট্ৰৰ দৰকাৰী সামগ্ৰী উৎপাদন কৰা। প্লেটোৰ মতে সমাজৰ যিটো শ্ৰেণীৰ লোক যি কামৰ বাবে উপযুক্ত নাইবা যিজন ব্যক্তি যি কামৰ কাৰণে উপযুক্ত সেই শ্ৰেণীৰ লোক নাইবা সেইজন লোকক সেই কামত আত্মনিয়োগৰ সুবিধা দিয়াই হৈছে ন্যায়। প্লেটোৰ মতে মানুহৰ মনত জ্ঞান, সাহস আৰু ক্ষুধা এই তিনিটা প্ৰবৃত্তি থাকে আৰু এই তিনিটা প্ৰবৃত্তিক প্ৰতিনিধিত্ব কৰি সমাজত তিনি শ্ৰেণীৰ লোক থাকে। জ্ঞানী বা দাৰ্শনিক শ্ৰেণী, সৈনিক শ্ৰেণী আৰু উৎপাদক শ্ৰেণী। যিসকল লোকৰ গাত জ্ঞান প্ৰবৃত্তি বা গুণ থাকে তেওঁলোকক ৰাষ্ট্ৰ শাসনৰ দায়িত্ব দিব লাগে; যি সকলৰ গাত সাহস প্ৰবৃত্তি থাকে তেওঁলোকক দেশ ৰক্ষাৰ দায়িত্ব দিব লাগে আৰু যিসকলৰ মনত ক্ষুধাৰ প্ৰবৃত্তি থাকে তেওঁলোকক উৎপাদনৰ দায়িত্ব দিব লাগে। প্লেটোৰ মতে প্ৰতিটো শ্ৰেণীয়ে অন্যৰ কামৰ ওপৰত হস্তক্ষেপ নকৰাকৈ নিজৰ দায়িত্ব পালন কৰিলে সমাজত ন্যায় প্ৰতিষ্ঠা হ'ব।

**জানি থঁও আহা**

প্লেটোৱে তেওঁ ন্যায়ৰ ধাৰণাটো আগবঢ়োৱাৰ আগতে তেওঁৰ সমসাময়িক গ্ৰীচৰ তিনিজন বিখ্যাত দাৰ্শনিক ছিফেলাছ, থ্ৰেছিমেকাছ আৰু গ্লুকণৰ ন্যায়ৰ ধাৰণা পৰ্য্যালোচনা কৰিছিল।

ছিফেলাছৰ মতে সঁচা কথা কোৱা আৰু ঋণ পৰিশোধ কৰাকে ন্যায় বোলে।

থ্ৰেছিমেকাছৰ মতে শক্তিশালী লোকৰ স্বাৰ্থৰক্ষা কৰাই হৈছে ন্যায়। প্ৰত্যেক চৰকাৰে নিজৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে বিভিন্ন আইন প্ৰস্তুত কৰে। চৰকাৰ শক্তিৰ ওপৰত প্ৰতিষ্ঠিত আৰু যিহেতু চৰকাৰৰ নিয়ন্ত্ৰণত সামৰিক শক্তি থাকে গতিকে শক্তিশালী লোক বা চৰকাৰৰ স্বাৰ্থ ৰক্ষাই ন্যায়।

গ্লুকনৰ মতে মানুহৰ মনৰ পৰা ভয় আৰু অন্যায়ৰ ভাৰ আঁতৰাবলৈ ন্যায়ৰ সৃষ্টি হৈছে।

প্লেটোৰ পিছত এৰিষ্টটলে ন্যায়ৰ ওপৰত নিজৰ অভিমত আগবঢ়াইছে। তেওঁ ন্যায়ৰ ধাৰণাক দুটা ভাগত ভাগ কৰিছে— সংশোধনী ন্যায় আৰু বিতৰণমূলক ন্যায়। কোনো এজন ব্যক্তিয়ে আন এজন ব্যক্তিক অন্যায় কৰি লাভবান হ'বলৈ চেষ্টা কৰিলে ৰাষ্ট্ৰই প্ৰচলিত দেৱানী আৰু ফৌজদাৰী আইনৰ যোগেদি তেনে ব্যক্তিক শাস্তি প্ৰদান কৰিব পাৰে। এনে ন্যায়ক সংশোধনী ন্যায় বোলে। সংশোধনী ন্যায়ৰ দ্বাৰা তেঁও ৰাষ্ট্ৰত সমতা স্থাপন কৰিব বিচাৰিছিল। তেওঁৰ দ্বিতীয় বিধ ন্যায় হ'ল বিতৰণমূলক ন্যায়। এৰিষ্টটলৰ মতে জনসাধাৰণৰ কল্যাণ সাধন কৰাই হৈছে ৰাষ্ট্ৰৰ উদ্দেশ্য। সেয়েহে ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে যিয়েই অধিক পৰিমাণৰ বৰঙণি আগবঢ়াই তেঁওক বৰঙণি অনুপাতে পুৰস্কৃত কৰাই হৈছে বিতৰণমূলক ন্যায়। প্ৰতিজন ব্যক্তিয়ে তেওঁৰ যোগ্যতা অনুসৰি পোৱাই হৈছে ন্যায়।

ন্যায়ৰ ওপৰত বিভিন্ন চিন্তাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। তলত কেইটামান উল্লেখ কৰা হ'ল—

- বেন আৰু পিটাৰচ্‌ৰ মতে "সকলোকে সমভাৱে ব্যৱহাৰ কৰাটোৱে হ'ল ন্যায়, অৱশ্যে যদিহে তেঁওলোকৰ মাজত যুক্তিপূৰ্ণ পাৰ্থক্য নাথাকে"।
- ডি. ডি. ৰাফেলৰ মতে, "ন্যায়ে ব্যক্তিৰ অধিকাৰ ৰক্ষা কৰে আৰু লগতে সমাজৰ শৃঙ্খলাত ৰক্ষা কৰে"।

দৃষ্টিভংগী ভেদে ন্যায়ৰ ধাৰণাৰ কিছু বিভিন্নতা থাকিলেও ন্যায়ৰ কেইটামান প্ৰধান দিশ আছে। এই দিশসমূহ হ'ল—

- ন্যায়ৰ ধাৰণাটো মানুহৰ পাৰস্পৰিক সম্পৰ্কৰ লগত জড়িত।
- ন্যায়ৰ নীতিত জাতি, বৰ্ণ, ধৰ্ম, লিংগ ভিত্তিত কোনো ধৰণৰ বৈষম্যতা নাথাকে। অৱশ্যে দুৰ্বল আৰু পিছপৰা লোকৰ বাবে ৰখা বিশেষ ব্যৱস্থাক ন্যায়সংগত বুলি ধৰা হয়।
- ন্যায়ৰ ধাৰণাটো সমতাৰ লগত জড়িত।
- ন্যায় হৈছে এক ধৰণৰ মূল্যবোধ আৰু ই স্বাধীনতা, সমতা আদি মূল্যবোধৰ লগত জড়িত।

- ন্যায়ে ব্যক্তিৰ মৰ্য্যদা আৰু অধিকাৰৰ ওপৰত গুৰুত্ব দিয়ে।
- ন্যায়ৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, আদি বিভিন্ন দিশ আছে। ছালমণ্ডৰ মতে, "ন্যায়ৰ অৰ্থ হ'ল প্ৰত্যেককে নিজৰ প্ৰাপ্যখিনি বিতৰণ কৰি দিয়া"।

বিভিন্ন চিন্তাবিদে আগবঢ়োৱা সংজ্ঞাবোৰ চালিজাৰি চালে আপোনালোকে দেখিব যে ন্যায় সকলোকে সমান অধিকাৰ আৰু সমান ব্যৱহাৰ অৰ্থত ব্যৱহাৰ কৰিব পাৰি। ন্যায়ৰ পৰম্পৰাগত ধাৰণা আৰু আধুনিক ধাৰণাৰ মাজত কিছু পাৰ্থক্য আছে। ন্যায়ৰ পৰম্পৰাগত ধাৰণা বহু পৰিমাণে ৰক্ষণশীল কিন্তু ন্যায়ৰ আধুনিক ধাৰণা প্ৰগতিশীল। পৰম্পৰাগত ধাৰণাত ব্যক্তি প্ৰচলিত সমাজ ব্যৱস্থাৰ লগত নিজক খাপ খুৱাই চলিব লাগে আনহাতে ন্যায়ৰ আধুনিক ধাৰণাই প্ৰচলিত সমাজব্যৱস্থা পৰিবৰ্তন কৰি মানৱীয় মূল্যবোধ উপলব্ধ কৰিব বিচাৰে। ন্যায়ৰ আধুনিক ধাৰণা সামাজিক ন্যায়ৰ লগত জড়িত।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ প্লেটোৱে ন্যায়ৰ বিষয়ে আলোচনা কৰা গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন নং ঃ 'ন্যায়ে ব্যক্তিৰ অধিকাৰ ৰক্ষা কৰে আৰু লগতে সমাজৰ শৃংখলাত ৰক্ষা কৰে।' এই উক্তিটো কাৰ?

প্ৰশ্ন নং ঃ ন্যায়ৰ ধাৰণা এটা ............. ধাৰণা। (খালী ঠাই পূৰ কৰা)

প্ৰশ্ন নং ঃ প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ভেঁটি কি?

প্ৰশ্ন নং ঃ বিতৰণমূলক ন্যায় কাক বোলে?

প্ৰশ্ন নং ঃ ন্যায়ৰ পৰম্পৰাগত ধাৰণা বহু পৰিমাণে ................। (খালী ঠাই পূৰ কৰা)

**২.৬.২ ন্যায়ৰ প্ৰকাৰ আৰু পৰিধি ঃ**

বৰ্তমান ন্যায়ক আইনগত, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ন্যায় এই চাৰিভাগত ভগাব পাৰি।

**আইনগত ন্যায় ঃ**

আইনগত ন্যায়ক দুটা ৰূপত প্ৰকাশ কৰিব পাৰি। প্ৰথমতে আইন অনুসৰি ন্যায়। ইয়াৰ অৰ্থ হ'ল প্ৰচলিত আইন ব্যৱস্থাৰ দ্বাৰা ৰাষ্ট্ৰৰ শাসন পৰিচালিত কৰা। ন্যায়ৰ ধাৰণাৰ

লগত সামঞ্জস্য ৰাখি ৰাষ্ট্ৰৰ বিধি-বিধান প্ৰস্তুত কৰা। ন্যায়ভিত্তিক আইনৰ ধাৰণাটো বৃটিছ ৰাজনীতিবিদ বাৰ্কাৰে আগবঢ়াইছে। তেওঁ ন্যায়ভিত্তিক আইনসমূহক সকৰাত্মক আইন আৰু প্ৰাকৃতিক আইন এই দুই ভাগত ভগাইছে। মকৰাত্মক আইন সমূহ নিৰ্দিষ্ট আইন। সমাজৰ প্ৰতিটো গোটে ইয়াৰ সদস্য সমূহৰ কাৰণে এই আইনসমূহ প্ৰণয়ন কৰে। আনহাতে প্ৰাকৃতিক আইন সমূহ বিশ্বজনীন। ন্যায়ভিত্তিক আইন ব্যৱস্থাত সমাজৰ প্ৰতিজন ব্যক্তি আইনৰ দৃষ্টিত সমান আৰু সকলো ব্যক্তি আইনৰ দ্বাৰা সমানে ৰক্ষণা-বেক্ষণা লাভ কৰে।

**ৰাজনৈতিক ন্যায় ঃ**

এই ব্যৱস্থাত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকে ৰাজনৈতিক প্ৰক্ৰিয়াত মুক্তভাৱে অংশ গ্ৰহণৰ

এই ব্যৱস্থাত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকে ৰাজনৈতিক প্ৰক্ৰিয়াত মুক্তভাৱে অংশ গ্ৰহণৰ সুবিধা পাব লাগিব। সকলোৰে ভোটাধিকাৰৰ লগতে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ অধিকাৰ লাভ কৰিব। প্ৰতিজন নাগৰিকৰ বাক-স্বাধীনতা থাকিব লাগিব। সংস্থা গঠনৰ স্বাধীনতাও নাগৰিকসকলৰ থাকিব লাগিব। অৰ্থাৎ যি চৰকাৰে গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত গুৰুত্ব দিয়ে আৰু জনসাধাৰণৰ ওচৰত দায়বদ্ধ হয় তেনে চৰকাৰক ৰাজনৈতিক ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত চৰকাৰ বুলি কোৱা হয়।

**সামাজিক ন্যায় ঃ**

যি সমাজৰ জাতি, ধৰ্ম, বৰ্ণ, লিংগ ভিত্তিক কোনো ধৰণৰ বৈষম্য কৰা নহয় তেনে সমাজক সামাজিক ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত সমাজ বুলি কোৱা হয়। সামাজিক ন্যায় সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰাকে বুজায়। সামাজিক ন্যায় সামাজিক সমতা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিয়ে। এখন শোষণ বিহীন সমাজত হে সামাজিক ন্যায় সম্ভৱ। সামাজিক ন্যায়ৰ লগত ৰাজনৈতিক আৰু অৰ্থনৈতিক অস্থিৰতা বিৰাজ কৰা সমাজক ন্যায় লাভ কৰিবলৈ হ'লে সমাজত ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায় থাকিব লাগিব।

**অৰ্থনৈতিক ন্যায় ঃ**

অৰ্থনৈতিক ন্যায়ৰ বিষয় সচাৰাচৰ দুটা অভিমত দেখিবলৈ পোৱা যায়- এটা উদাৰতা বাদী মতামত আৰু আনটো মাৰ্ক্সীয় মতামত। উদাৰতাবাদী সকলৰ মতে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ অৰ্থনৈতিক অভাৱ -পূৰণ হ'লে অৰ্থনৈতিক ন্যায় বুলি কোৱা হয়।

অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠাৰ বাবে উদাৰতাবাদী সকলে মুক্ত বজাৰ আৰু মুক্ত প্ৰতিযোগিতা সমৰ্থন কৰে। মাৰ্ক্সবাদী সকলে ব্যক্তিগত সম্পত্তি নিমূল কৰি সাম্যবাদৰ জৰিয়তে অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিব বিচাৰে। অৰ্থনৈতিক ন্যায় এখন শোষণ বিহীন ৰাষ্ট্ৰতহে সম্ভৱ। মাৰ্ক্সবাদীসকলৰ মতে এখন শ্ৰেণীবিহীন সমাজত হে অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰাটো সম্ভৱ।

অৰ্থনৈতিক শোষণ বন্ধ কৰা, বিভিন্ন শ্ৰেণীৰ মাজত থকা অৰ্থনৈতিক ব্যৱধান আঁতৰ কৰা, জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰা- ইত্যাদি ব্যৱস্থাৰদ্বাৰা সমাজত অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰিব পাৰি। এই প্ৰসংগত আমি ভাৰতীয় সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ কথা উনুকিয়াব পাৰোঁ। এই নিৰ্দেশাত্মক নীতি সমূহৰ উদ্দেশ্য হ'ল সামাজিক আৰু অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা।

**আত্মমূল্যায়ন প্ৰশ্ন**

সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে ভাৰতীয় সংবিধানে কি কি ব্যৱস্থা লৈছে? উল্লেখ কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

**প্ৰক্ৰিয়াগত ন্যায় আৰু বাস্তৱভিত্তিক ন্যায় ঃ**

প্ৰক্ৰিয়াগত ন্যায়ৰ সমৰ্থকসকলে মত পোষণ কৰে যে সমাজ এখনত গ্ৰহণ কৰা সকলো সিদ্ধান্ত ন্যায়সংগত প্ৰক্ৰিয়াৰে হোৱা উচিত। অৰ্থাৎ সমাজৰ বিভিন্ন সা-সুবিধা সামগ্ৰী আৰু সেৱা, ক্ষমতা, মযদা, শাস্তি ৰ পৰিমান, পুৰস্কাৰ আদি বিভিন্ন ব্যক্তিৰ মাজত বিতৰণৰ বাবে এটা ন্যায়সংগত প্ৰক্ৰিয়াৰ আৱশ্যক। তেতিয়াহে সমাজত ন্যায় প্ৰতিষ্ঠা হ'ব। প্ৰক্ৰিয়াগত ন্যায়ৰ মূল সিদ্ধান্ত হ'ল— "যেতিয়া প্ৰক্ৰিয়া ন্যায়সংগত হয়, তাৰ পৰিণাম সদায় ন্যায়সংগত হয়।" এই ধাৰণা মতে আইন সকলোৰে বাবে সমান আৰু কোনো ধৰণৰ বৈষম্য নকৰাকৈ সকলোৰে ক্ষেত্ৰত সমভাৱে প্ৰযোজ্য হ'ব লাগে। Herbert Spencer, FA Hayek, Miltan Friedman, Robert Nozick আদি প্ৰক্ৰিয়াগত ন্যায়ৰ প্ৰধান পৃষ্ঠপোষক।

প্ৰক্ৰিয়াগত ন্যায়াৰ ধাৰণাটো উদাৰতাবাদৰ লগত জড়িত। এই ধাৰণা মতে ন্যায়ৰ কাৰ্য্য হৈছে ব্যক্তি আৰু গোটৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক নিয়ন্ত্ৰণ কৰা। সেয়েহে ন্যায় প্ৰতিষ্ঠা কৰিবলৈ যুক্তিসংগত আৰু ন্যায়সংগত নিয়ম-নীতিৰ বিকাশ সাধন কৰি সেয়া সকলো শ্ৰেণীৰ ক্ষেত্ৰত নিৰপেক্ষভাৱে প্ৰযোজ্য হোৱাৰ ব্যৱস্থা কৰিব লাগে। প্ৰক্ৰিয়াগত ন্যায়ৰ মূলনীতি হৈছে চুক্তি কৰাৰ স্বাধীনতা। সেইবাবে ৰাষ্ট্ৰই এইটো নিশ্চিত কৰিব লাগিব যে

কোনো ব্যক্তি বা গোটে আনক শক্তি প্ৰয়োগ কৰি বা প্ৰতাৰণাৰ জৰিয়তে অত্যাচাৰ নকৰিব।

প্ৰক্ৰিয়াগত ন্যায়ে জাতি, ধৰ্ম, বৰ্ণ, ভাষা-সংস্কৃতিৰ ভিত্তিত মানুহৰ মাজত বৈষম্য ৰখাৰ বিৰোধিতা কৰে আৰু মানুহৰ সমমৰ্য্যদা আৰু নৈতিক মূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়েহে এই ধাৰণাক প্ৰগতিশীল ধাৰণা বুলি কোৱা হয়। কিন্তু এই ধাৰণাটোৱে মুক্ত প্ৰতিযোগিতাৰ নীতিক যঠেষ্ট প্ৰধান্য দিয়ে। প্ৰক্ৰিয়াগত ন্যায়ৰ প্ৰধান সমৰ্থক Herbert Spencer ৰ মতে ৰাষ্ট্ৰই দুৰ্বল আৰু পিছপৰা শ্ৰেণীক কোনো ধৰণৰ সহায় আগবঢ়োৱাটো উচিত নহয় কাৰণ, ৰাষ্ট্ৰই যদি তেওঁলোকক সহায় কৰে, তেনেহ'লে সামৰ্থৱান আৰু উপযুক্ত লোকসকলৰ প্ৰতি অন্যায় কৰা হ'ব আৰু ৰাষ্ট্ৰৰ উন্নয়ন বাধাগ্ৰস্ত হ'ব। Spencer এ 'জোৰ যাৰ মূলুক তাৰ' নীতিৰ সমৰ্থন কৰিছিল। Hayek এ মত পোষণ কৰিছে যে ৰাষ্ট্ৰই বজাৰ ব্যৱস্থাক বিতৰণমূলক ন্যায়ৰ আহিলাত পৰিণত নকৰি মুক্ত প্ৰতিযোগিতাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে। Friedman এ প্ৰতিযোগিতামূলক পুজিবাদক স্বাধীনতাৰ এক প্ৰয়োজনায় চৰ্ত হিচাপে উল্লেখ কৰিছে আৰু ৰাষ্ট্ৰই গ্ৰহণ কৰা সকলো ধৰণৰ জনকল্যাণমূলক আৰু সামাজিক আঁচনিৰ বিৰোধিতা কৰিছিল। Nozick ৰ মতেওঁ নাগৰিকৰ সম্পত্তিক পুনৰ বিতৰণ কৰাৰ কৰ্তৃত্ব ৰাষ্ট্ৰৰ নাই, কেৱল ন্যায়সংগত প্ৰক্ৰিয়াৰ যোগেদিহে সমাজত ন্যায় প্ৰতিষ্ঠা কৰিব পাৰি।

বাস্তৱভিত্তিক ন্যায়ৰ সমৰ্থকসকলে প্ৰক্ৰিয়াগত ন্যায়ৰ বিৰোধীতা কৰে। তেওঁলোকলৰ মতে যুক্তিসংগত সিদ্ধান্ত আৰু ন্যায়সংগত আইনৰ যোগেদি সামাজিক সা-সুবিধা আৰু সম্পদৰ বিতৰণ সমভাৱে আৰু ন্যায়সংগতভাৱে হ'ব লাগিব। ইয়াৰ বাবে ৰাষ্ট্ৰই প্ৰয়োজনীয় আইনৰ ব্যৱস্থা কৰিব লাগিব। ৰাষ্ট্ৰই সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমতা স্থাপনৰ ব্যৱস্থা কৰিব লাগিব আৰু ইয়াৰ বাবে সমাজৰ দুখীয়া আৰু অৱহেলিত শ্ৰেণীৰ সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, সাংস্কৃতিক, স্বাস্থ্য আৰু নিৰাপত্তা ব্যৱস্থা সবল আৰু দৃঢ় কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। এই ধাৰণা মতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত বিশেষকৈ দুকীয়া আৰু অৱহেলিত শ্ৰেণীৰ লোকসকলে সামাজিক সা-সুবিধা, সামগ্ৰী আৰু সেৱা, সম্পদ আদিৰ ব্যৱহাৰৰ ক্ষেত্ৰত সমান সুবিধা লাভ কৰি নিজৰ অৱস্থাৰ উন্নয়ন কৰিব পাৰিব তেতিয়াই সমাজত ন্যায় প্ৰতিষ্ঠা হ'ব। বাস্তৱভিত্তিক ন্যায়ক বিতৰণমূলক ন্যায় বুলিও কোৱা হয়।

**জানি থওঁ আহা**

উদাৰতবাদ চৰকাৰী নীতি আৰু পদ্ধতিৰ ক্ষেত্ৰত স্বাধীনতা নীতিত বিশ্বাসী। উদাৰতাবাদে ব্যক্তি স্বাধীনতা, গনতান্ত্ৰিক ব্যৱস্থা, মুক্ত বাণিজ্য, মুক্ত প্ৰতিযোগিতা আদি নীতি বিশ্বাস কৰে।

**John Rawls ৰ ন্যায় তত্ত্ব ঃ**

John Rawls এ তেওঁৰ ‘A Theory of Justice’ নামৰ গ্ৰন্থখনত ন্যায়ৰ বিষয়ে ধাৰণা আগবঢ়াইছে। Rawls ৰ মতে এখন ন্যায়সংগত সমাজৰ প্ৰধান চৰ্ত হ’ল ন্যায়। তেওঁৰ মতে সমাজৰ প্ৰথমিক বিষয়সমূহৰ নায্য বিতৰণক সুনিশ্চিত কৰাৰ মাজতেই ন্যায়ৰ সমস্যা অৰ্ন্তনিহিত হৈ আছে। প্ৰাথমিক বিষয়সমূহ হ’ল -- অধিকাৰ আৰু স্বাধীনতা, ক্ষমতা আৰু সুযোগসমূহ, আয় আৰু সম্পাদ, আত্মসন্মানৰ উপায় আদি। Rawls ৰ মতে সমাজৰ এটা শ্ৰেণীৰ হাতত সম্পদ সঞ্চয় অধিক মাত্ৰাত হ’লে সমাজত ঈৰ্ষাৰ সৃষ্টি হয়। এই ঈৰ্ষক তেওঁ ‘যুক্তিপূৰ্ণ ঈৰ্ষা’ বুলি কৈছিল। এই ঈৰ্ষাই ব্যক্তিৰ মৰ্য্যদাত আঘাত হানিব পাৰে। তেওঁৰ মতে মানুহৰ আত্মমৰ্য্যদা সামাজিক বৈষম্যৰ ওপৰত নিয়ন্ত্ৰন হিচাপে কাৰ্য্যকৰী হয়।

Rawls ৰ মতে ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত সমাজেই হ’ল শ্ৰেষ্ঠ সমাজ। প্ৰত্যেক ব্যক্তিয়ে এনে এখন সমাজ কামনা কৰে যিখন সমাজৰ নীতি-নিয়মে তেওঁলোকক লাভান্বিত কৰে। তেওঁৰ মতে এখন ন্যায়সংগত সমাজ প্ৰতিষ্ঠাৰ বাবে সমাজৰ সকলো ব্যক্তিয়ে নিজৰ মৰ্যাদাৰ কথা চিন্তা নকৰি এনে এখন সমাজ গঠন কৰিবলৈ চেষ্টা কৰিব লাগে য’ত তেওঁলোকে সুৰক্ষিত ভৱিষ্যতৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। Rawls ৰ মতে ব্যক্তিসকলে নিজৰ ভৱিষ্যত সম্পৰ্কে অজ্ঞ হৈ থাকে কাৰণ কোনো ব্যক্তি কেনে মৰ্য্যদাসম্পন্ন ঘৰত জন্ম গ্ৰহণ কৰিব তাৰ আগতীয়াকৈ অনুমান কৰাটো সম্ভৱ নহয়। এনে পৰিস্থিতিক Rawls এ ‘অজ্ঞতাৰ আৱৰণ’ (Veil of Ignorance) বুলি কৈছে। তেওঁৰ মতে সম্পূৰ্ণ অজ্ঞতাৰ অৱস্থাত প্ৰত্যেক ব্যক্তিয়ে ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ বিষয়ে চিন্তা নকৰি এনে কিছুমান নীতি-নিয়মৰ বিষয়ে যুক্তিসংগতভাৱে চিন্তা কবিৰ লাগে যি সমাজৰ সকলো শ্ৰেণীৰ বাবে লাভৱান হ’ব আৰু তেওঁলোকক সম্পূৰ্ণ সুৰক্ষা প্ৰদান কৰিব।

সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাৰে John Rawls এ দুটা নীতিৰ কথা উল্লেক কৰিছে—

। সমতাৰ নীতি

। অসমতাৰ নীতি

সমতাৰ নীতি অনুসৰি তেওঁ ব্যক্তি স্বাধীনতাক সমতাৰ উৎস হিচাপে উল্লেখ কৰিছে। অৰ্থৎ তেওঁৰ মতে প্ৰত্যেকজন ব্যক্তিয়ে অন্য যিকোনো ব্যক্তিয়ে লাভ কৰা সকলোবোৰ স্বাধীনতা সমভাৱে ভোগ কৰাৰ অধিকাৰ পোৱা উচিত। আন কাৰোবাৰ বাবে এজন ব্যক্তিয়ে নিজৰ স্বাৰ্থ ত্যাগ কৰিব নোৱাৰে। ৰাজনৈতিক কাৰ্য্যকলাপত অংশ গ্ৰহণৰ অধিকাৰ, ধৰ্মীয় স্বাধীনতা, ভাৱ-প্ৰকাশৰ স্বাধীনতা আদি এই ধৰণৰ ব্যক্তি স্বাধীনতা।

Rawls এ সমাজৰ দুৰ্বল আৰু অৱহেলিত জনসাধাৰণক সামাজিক ন্যায় প্ৰদানৰ বাবে আসমতাৰ নীতিক সমৰ্থন কৰিছিল। তেওঁৰ মতে অসমতাৰ নীতি এনেদৰে প্ৰয়োগ কৰিব

লাগে যাতে সমাজৰ আটাইটকৈ দুৰ্বল লোকসকল তাৰ দ্বাৰা আটাইতকৈ বেছি লাভান্বিত হয়। তেওঁ অৰ্থ-সামাজিক অসমতা দূৰ কৰিবলৈ সমাজৰ পিছপৰা সম্প্ৰদায়সমূহক সৰ্বাধিক লাভ আৰু সমতাৰ ভিত্তিত চৰকাৰী পদৰ ধাৰণা আগবঢ়াইছিল। অৱশ্যে Rawls এ এই দুয়োটা নীতিৰ ভিতৰত সমতাৰ নীতিক প্ৰাধান্য দিছিল।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন নং ঃ ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠাৰ দুটা উপায় লিখা।

প্ৰশ্ন নং ঃ সামাজিক ন্যায় কাক বোলে।

প্ৰশ্ন নং ঃ অৰ্থনৈতিক ন্যায়ৰ বিষয়ে উদাৰতাবাদীসকলৰ মতামত কি?

প্ৰশ্ন নং ঃ প্ৰকৃতিক আইনসমূহ---(খালী ঠাই পূৰণ কৰা)

প্ৰশ্ন নং ঃ প্ৰক্ৰিয়াগত ন্যায়ৰ ধাৰণাটো ............... লগত জড়িত। (খালী ঠাই পূৰণ কৰা)

প্ৰশ্ন নং ঃ প্ৰক্ৰিয়াগত ন্যায়ৰ কেইজনমান সমৰ্থকৰ নাম লিখা।

প্ৰশ্ন নং ঃ বাস্তৱভিত্তিক ন্যায়ক ............... ন্যায় বুলিও কোৱা হয়।

প্ৰশ্ন নং ঃ বাস্তৱভিত্তিক ন্যায়ৰ লগত ................ আদৰ্শৰ সামঞ্জস্য আছে।

প্ৰশ্ন নং ঃ A THeory of Justice গ্ৰন্থৰ লেখক কোন ?

প্ৰশ্ন নং ঃ Rawls ৰ ন্যায়ৰ নীতি দুটা উল্লেখ কৰা।

প্ৰশ্ন নং ঃ 'অজ্ঞতা'ৰ আৱৰণ কি ?

## ২.৭ সাৰাংশ (Summing Up) ঃ

গণতন্ত্ৰত জনসাধাৰণেই হৈছে ৰাষ্ট্ৰৰ ক্ষমতাৰ প্ৰধান উৎস। জনসাধাৰণে প্ৰত্যক্ষভাৱে বা প্ৰতিনিধি নিৰ্বাচিত কৰি চৰকাৰত অংশগ্ৰহন কৰে। গণতন্ত্ৰৰ মুখ্য উদ্দেশ্য হৈছে সমতা প্ৰতিষ্ঠা কৰা।

গণতন্ত্ৰক দুই প্ৰকাৰত ভগাব পাৰি প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ। প্ৰত্যক্ষ গণতন্ত্ৰত জনসাধাৰণে প্ৰত্যক্ষ ভাৱে চৰকাৰত অংশগ্ৰহণ কৰে আৰু ৰাজহুৱা স্বাৰ্থজনিত বিষয়সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে। আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰৰ ব্যৱস্থাটো ছুইজাৰলেণ্ডত লেঞ্জেমেইণ্ড (Landsgemeinde) বা জনপ্ৰিয় বিধান পৰিষদ হিচাপে দেখিবলৈ পোৱা যায়। পৰোক্ষ বা প্ৰতিনিধিমূলক গণতন্ত্ৰত জনসাধাৰণে তেওঁলোকৰ ওপৰত শাসন কৰিবলৈ প্ৰতিনিধি নিৰ্বাচন কৰে আৰু সেই প্ৰতিনিধিয়ে চৰকাৰ গঠন কৰি জমসাধাৰণৰ কল্যাণৰ হকে সকলো সিদ্ধান্ত গ্ৰহণ কৰে।

গণতন্ত্ৰৰ কৃতকাৰ্য্যতাৰ বাবে কিছুমান প্ৰয়োজনীয় চৰ্ত আছে। যেনে— ৰাজনৈতিক সচেতনতা, সাৰ্বজনীন শিক্ষা ব্যৱস্থা সুস্থ জনমত, স্থানীয় স্বায়ত্ব শাসন সহনশীলতা, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক বৈষম্য নিৰ্মূল।

গণতন্ত্ৰৰ কিছুমান গুণ আৰু দোষ আছে।

স্বাধীনতা বুলিলে বাধাহীনতা বুজায় অৰ্থাৎ ব্যক্তিয়ে নিজৰ ইচ্ছা অনুসৰি কাম কৰিব পৰা অৱস্থাক বুজায়। অৱশ্যে এজন ব্যক্তিয়ে সমাজৰ অন্য ব্যক্তিৰ স্বাৰ্থত আঘআত নকৰাকৈ নিজৰ ব্যক্তিত্ব বিকাশ কৰালৈহে স্বাধীনতা ভোগ কৰিব পাৰে।

স্বাধীনতাক কেবাটাও ভাগত ভগাব পাৰি। যেনে— প্ৰাকৃতিক স্বাধীনতা, নাগৰিক স্বাধীনতা, ৰাজনৈতিক স্বাধীনতা, অৰ্থনৈতিক স্বাধীনতা আৰু ৰাষ্ট্ৰীয় স্বাধীনতা।

গণতান্ত্ৰিক শাসন ব্যৱস্থা, মৌলিক অধিকাৰ, আইনৰ শাসন, ক্ষমতাৰ পৃথকীকৰণ নাতি আদিৰ দ্বাৰা স্বাধীনতা ৰক্ষা কৰিব পা্ৰি।

প্ৰাচীন কালৰে পৰা ৰাজনৈতিক চিন্তাধাৰাৰ এক প্ৰধান আলোচ্য বিষয় হৈছে সমতা আৰু অসমতাৰ সমস্যা। সমতাৰ আধুনিক ধাৰণাই সকলো ধৰণৰ অসমতা দূৰ কৰি সকলোকে সম ব্যৱহাৰ কৰাটো বিছাৰে। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সমতা অতি প্ৰয়োজনীয় কিয়নো সামাজিক, ৰাজন্তৈক আৰু এৰ্থনৈতিক অসমতাই সমাজত অন্যায় আৰু শোষণ সৃষ্টি কৰে। সমতা স্থাপমৰ বাবে জাতি, ধৰ্ম, বৰ্ণ, নিৰ্বিশেৰে সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে সমান সুযোগ পাব লাগিব।

সমতাক ন্যায়িক, ৰাজানতিক, সামাজিক আৰু অৰ্থনৈতিক— এই চাৰিপ্ৰকাৰত ভগাব পাৰি।

ন্যায়ৰ এটা সৰ্বগ্ৰহণযোগ্য সংজ্ঞা দিয়াটো জটিল। ন্যায় এটা গতিশীল ধাৰণা। পোন প্ৰথমে গ্ৰীক দাৰ্শনিকসকলে ন্যায়ৰ ওপৰত চিন্তা-চৰ্চ্চা আৰম্ভ কৰিছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ভেটি হ'ল ন্যায়।

ন্যায়ৰ পৰম্পৰাগত ধাৰণা বহু পৰিমাণে ৰক্ষণশীল কিন্তু ন্যায়ৰ আধুনিক ধাৰণা প্ৰগতিশীল। ন্যায়ৰ আধুনিক ধাৰণা সামাজিক ন্যায়ৰ লগত জড়িত।

আধুনিক সময়ত ন্যায়ক আইনগত, ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ন্যায় - এই চাৰিটা ভাগত ভগাব পাৰি।

John Rawls এ তেওঁৰ 'A Theory of Justice' নামৰ গ্ৰন্থত ন্যায়ৰ ধাৰণা আগবঢ়াইছে। তেওঁৰ মতে এখন ন্যায়সংগত আৰু যুক্তিসংগত সমাজত উপনীত হোৱাৰ প্ৰধান চৰ্ত হ'ল ন্যায়। Rawls এ সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে দুটা নীতিৰ কথা উল্লেখ কৰিছে। সমতাৰ নীতি আৰু অসমতাৰ নীতি।

## ২.৮ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

### (ক) অতি চমু প্ৰশ্ন ঃ

প্ৰশ্ন ঃ কোনে কৈছিল, "গণতন্ত্ৰ হ'ল এনে এটা শাসন ব্যৱস্থা য'ত সকলোৰে অংশগ্ৰহণৰ সুবিধা আছে।"

প্ৰশ্ন ঃ আধুনিক বিশ্বত প্ৰত্যক্ষ গণতন্ত্ৰ ক'ত দেখিবলৈ পোৱা যায়?

প্ৰশ্ন ঃ প্ৰাকৃতিক স্বাধীনতা কি ?

প্ৰশ্ন ঃ ৰাষ্ট্ৰীয় স্বাধীনতা কাক বোলে ?

প্ৰশ্ন ঃ পৰম্পৰাগত অসমতা কি?

প্ৰশ্ন ঃ Discourse On the Origin of Inequality গ্ৰন্থৰ লিখক কোন?

প্ৰশ্ন ঃ প্লেটোই লিখা গ্ৰন্থ এখনৰ নাম লিখা।

প্ৰশ্ন ঃ সকৰাত্মক আইন কি?

### (খ) চমু প্ৰশ্ন ঃ

প্ৰশ্ন ঃ গণতন্ত্ৰৰ প্ৰকাৰ দুটা কি কি? প্ৰত্যক্ষ গণতন্ত্ৰৰ বিষয়ে বৰ্ণনা কৰা।

প্ৰশ্ন ঃ গণতন্ত্ৰৰ চাৰিটা গুণ লিখা।

প্ৰশ্ন ঃ গণতন্ত্ৰৰ চাৰিটা দোষ লিখা।

প্ৰশ্ন ঃ মিলৰ স্বাধীনতাৰ ধাৰণাটো চমুকৈ লিখা।

প্ৰশ্ন ঃ নকৰাত্মক স্বাধীনতা কাক বোলে।

প্ৰশ্ন ঃ নাগৰিক স্বাধীনতাৰ বিষয়ে বৰ্ণনা কৰা।

প্ৰশ্ন ঃ ন্যায়িক সমতাৰ বিষয়ে আলোচনা কৰা?

প্ৰশ্ন ঃ সমতাৰ মাৰ্ক্সবাদী ধাৰণাটো চমুকৈ লিখা।

প্ৰশ্ন ঃ প্লেটোৰ ন্যায় তত্বটো চমুকৈ আলোচনা কৰা।

প্ৰশ্ন ঃ অৰ্থনৈতিক ন্যায়ৰ বিষয়ে বৰ্ণনা কৰা।

প্ৰশ্ন ঃ প্ৰক্ৰিয়াগত ন্যায় কাক বোলে।

প্ৰশ্ন ঃ বাস্তৱভিত্তিক ন্যায় কাক বোলে।

### (গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ঃ গণতন্ত্ৰৰ প্ৰকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ গণতন্ত্ৰৰ কৃতকাৰ্য্যতাত চৰ্তসমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ গণতন্ত্ৰৰ গুণ আৰু দোষসমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ স্বাধীনতাৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ স্বাধীনতা ৰক্ষাৰ উপায়সমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ সমতা কাক বোলে? সমতাৰ বিভিন্ন প্ৰকাৰসমূহ আলোচনা কৰা।

প্ৰশ্ন ঃ ন্যায়ৰ বিভিন্ন প্ৰকাৰসমূহ বৰ্ণনা কৰা।

প্ৰশ্ন ঃ John Rawls ৰ ন্যায় তত্বটো আলোচনা কৰা।

**২.৯ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings) ঃ**

**অসমীয়া গ্ৰন্থ ঃ**


। পাল, ড কৃকেশ চন্দ্ৰ ঃ স্নাতক মহলাৰ ৰাজনৈতিক তত্ব, গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

। গগৈ পুৰন্দৰ ( ঃ স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব পৰিচয়, গুৱাহাটীঃবনলতা।

। চক্ৰৱতী আদ্যনাথ ঃ স্নাতক মহলাৰ ৰাজনৈতিক তত্ত্ব, গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

। নায়ক, প্ৰতুল চন্দ্ৰ, পাল, ড কৃপেশ চন্দ্ৰ, দত্ত দাস, শৈলেন ( ঃ পাশ্চত্য ৰাজনৈতিক চিন্তাধাৰা, গুৱাহীটীঃ অৰুণ প্ৰকাশন।


**ইংৰাজী গ্ৰন্থ ঃ**


1. Goube, O.P. (2018) *An Introduction to Political Theaory* : New Delhi: Mayur Books.

2. Bhargava, Rajeev& Acharya, Ashok(2011): *Political Theory: An Introduction*, New Delhi: Pearson.

3. Mahajan V.D. 92008): *Political Theory*; New Delhi: S. Chand & Company Ltd.


**২.১০ অগ্ৰগতিৰ খতিয়ান/উত্তৰ**

নং প্ৰঃ উত্তৰঃ হিৰ'ডটাছ

নং প্ৰঃ উত্তৰঃ ডেমোছ আৰু ক্ৰেটোছ

নং প্ৰঃ উত্তৰঃ লৰ্ড ব্ৰাইছ

নং প্ৰঃ উত্তৰঃ বিশুদ্ধ গণতন্ত্ৰ

নং প্ৰঃ উত্তৰঃ প্ৰতিনিধিত্বমূলক গণতন্ত্ৰ

নং প্ৰঃ উত্তৰঃ ৰাজনৈতিক সচেতনতা আৰু সাৰ্বজনীন শিক্ষা।

নং প্ৰঃ উত্তৰঃ (ক) গণতন্ত্ৰত ক্ষমতাৰ উৎস জনসাধাৰন। ইয়াৰ জনসাধাৰনে নিজক শাসন কৰাৰ সুযোগ পায়। জনসাধাৰনৰ প্ৰতিনিধিৰ দ্বাৰা চৰকাৰ গঠণ হয়।

(খ) গণতন্ত্ৰত বিপ্লৱৰ সম্ভাৱনা কম থাকে। এই ব্যৱস্থাত জনসাধাৰনে মুকলিকৈ নিজৰ মত প্ৰকাশ কৰিব পাৰে।

নং প্ৰঃ উত্তৰঃ(ক) গণতন্ত্ৰত ভোটদাতাসকলে প্ৰাথঈৰ জ্ঞান আৰু অভিজ্ঞতাৰ সলনি তেওঁৰ জনপ্ৰিয়তাৰ ওপৰত গুৰুত্ব দিয়ে।

(খ) গণতান্ত্ৰিক শাসন ব্যৱস্থা লেহেমীয়া। ইয়াৰ খৰতকীয়াকৈ কোনো সিদ্ধান্ত লোৱা নহয়।

নং প্ৰঃ উত্তৰঃ সাৰ্বজনীন

নং প্ৰঃ উত্তৰঃবিপ্লৱৰ

নং প্ৰঃ উত্তৰঃ Liber  লিবাৰ)

নং প্ৰঃ উত্তৰঃ সাৰ্বভৌম

নং প্ৰঃ উত্তৰঃ ৰুছো

নং প্ৰঃ উত্তৰঃ (ক) ভোটদানৰ স্বাধীনতা (খ) নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ স্বাধীনতা

নং প্ৰঃ উত্তৰঃ(ক) মৌলিক অধিকাৰ

(খ) ক্ষমতাৰ পৃথকীকৰণ নীতি।

নং প্ৰঃ উত্তৰঃ (ক) কোনো ব্যক্তিকে আইন উলংঘা নকৰাকৈ আটক কৰিব নোৱাৰি।

(খ) সমাজৰ সকলো শ্ৰেণীৰ লোককে একে ধৰণৰ আইনৰ দ্বাৰা বিচাৰ কৰা হয়।

নং প্ৰঃ উত্তৰঃ ন্যায়পালিকাই

নং প্ৰঃ উত্তৰঃ অসমতা

নং প্ৰঃ উত্তৰঃ সমব্যৱহাৰ

নং প্ৰঃ উত্তৰঃ স্বাভাৱিক অসমতা আৰু পৰম্পৰাগত অসমতা

নং প্ৰঃ উত্তৰঃ শুদ্ধ

নং প্ৰঃ উত্তৰঃ এৰিষ্টটল।

নং প্ৰঃ উত্তৰঃ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ৰাষ্ট্ৰৰ সকলো নাগৰিকে সমভাৱে

ৰাজনৈতিক অধিকাৰ লাভ কৰাকে ৰাজনৈতিক সমতা বোলে। ৰাজনৈতিক সমতাই ৰাষ্ট্ৰৰ প্ৰতিগৰাকী নাগৰিকৰ ভোটাধিকাৰ, নিৰ্বাচনত প্ৰতিদন্দিতা কৰাৰ অধিকাৰ, ৰাজহুৱা সেৱা সমূহ ব্যৱহাৰ কৰাৰ সম অধিকাৰ বুজায়। চৰকাৰে কোনো নিৰ্দিষ্ট শ্ৰেণীৰ সলনি সমাজৰ সকলো শ্ৰেণাৰ জনসাধাৰণৰ কল্যানৰ হকে কাম কৰে।

নং প্ৰঃ উত্তৰঃ শুদ্ধ

নং প্ৰঃ উত্তৰঃ প্ৰতিনিধিত্বমূলক চৰকাৰ

নং প্ৰঃ উত্তৰঃ নহয়।

নং প্ৰঃ উত্তৰঃ Republic (ৰিপাব্লিক)

নং প্ৰঃ উত্তৰঃ ডি.ডি ৰাফেল।

নং প্ৰঃ উত্তৰঃ গতিশীল।

নং প্ৰঃ উত্তৰঃ ন্যায়।

নং প্ৰঃ উত্তৰঃ ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে যিয়েই অধিক পৰিমাণৰ বৰঙণি আগবঢ়াই তেওঁক বৰঙণি অনুপাতে পুৰস্কৃত কৰাই হৈছে বিতৰণমূলক ন্যায়।

নং প্ৰঃ উত্তৰঃ ৰক্ষণশীল।

নং প্ৰঃ উত্তৰঃ (ক) সাৰ্বজনীন প্ৰাপ্তবয়ক ভোটাধিকাৰ (খ) নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ অধিকাৰ।

নং প্ৰঃ উত্তৰঃ সামাজিক ন্যায়ে সমাজৰ সকলো শ্ৰেণীৰ মানুহক ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা প্ৰদান কৰাকে বুজায়। ইয়াত জাতি, বৰ্ণ, ধৰ্ম বা লিংগ ভিত্তিত কোনো বৈষম্য কৰা নহয়।

নং প্ৰঃ উত্তৰঃ উদাৰতাবাদী সকলৰ মতে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ অভাৱ পূৰণ হ'লে অৰ্থনৈতিক ন্যায় পোৱা বুলি কোৱা হয়। উদাৰতাবাদী সকলে অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠাৰ বাবে মুক্ত বজাৰ আৰু মুক্ত প্ৰতিযোগিতা নীতি সমৰ্থন কৰে।

নং প্ৰঃ উত্তৰঃ বিশ্বজনীন।

নং প্ৰঃ উঃ -- উদাৰতাবাদ

নং প্ৰঃ উঃ -- Herbert Spencer, F.A Hayek, Friedman and Rabert Nozick.

নং প্ৰঃ উঃ -- বিতৰণমূলক

নং প্ৰঃ উঃ -- সমাজবাদ

নং প্ৰঃ উঃ -- John Rawls

নং প্ৰঃ উঃ -- সমতাৰ নীতি আৰু অসমতাৰ নীত

নং প্ৰঃ উঃ -- Rawls ৰ মতে ব্যক্তিসকলে নিজৰ ভৱিষ্যত সম্পৰ্কে অজ্ঞ হৈ থাকে কাৰণ কোনো ব্যক্তি কেনে মৰ্য্যদাসম্পন্ন ঘৰত জন্ম গ্ৰহণ কৰিব তাৰ আগতীয়াকৈ অনুমান কৰাটো সম্ভৱ নহয়। এনে পৰিস্থিতিক Rawls এ 'অজ্ঞতাৰ আৱৰণ' (Veil of Ignorance) বুলি কৈছে।

---×---

# তৃতীয় বিভাগ

## ৰাজনৈতিক ধাৰণা ঃ অধিকাৰ (Rights), লিংগ (Gender), নাগৰিকত্ব (Citizenship), পৌৰ সমাজ আৰু ৰাষ্ট্ৰ (Civil Society and State)

বিভাগৰ গঠন ঃ


৩.১ ভূমিকা (**Introduction**)
৩.২ উদ্দেশ্য (**Objectives**)
৩.৩ অধিকাৰ
  ৩.৩.১ অধিকাৰৰ সংজ্ঞা
  ৩.৩.২ অধিকাৰৰ বৈশিষ্ট্য
  ৩.৩.৩ অধিকাৰৰ প্ৰকাৰভেদ
  ৩.৩.৪ অধিকাৰৰ লগত কৰ্তব্যৰ সম্পৰ্ক
৩.৪ লিংগ
  ৩.৪.১ লিংগৰ অৰ্থ
  ৩.৪.২ লিংগ অসমতাৰ কাৰণ
  ৩.৪.৩ লিংগ বিভাজনৰ বিভিন্ন ক্ষেত্ৰ
৩.৫ নাগৰিকত্ব
  ৩.৫.১ নাগৰিকত্বৰ সংজ্ঞা
  ৩.৫.২ নাগৰিক আৰু বিদেশী
  ৩.৫.৩ নাগৰিকত্ব অৰ্জনৰ পদ্ধতি
  ৩.৫.৪ নাগৰিকত্ব হননৰ কাৰণ
  ৩.৫.৫ সু-নাগৰিকৰ গুণ
  ৩.৫.৬ সু নাগৰিকৰ প্ৰতিবন্ধকতা
৩.৬ পৌৰ সমাজ আৰু ৰাষ্ট্ৰ
  ৩.৬.১ পৌৰ সমাজৰ অৰ্থ
  ৩.৬.২ পৌৰ সমাজ আৰু ৰাষ্ট্ৰ
  ৩.৬.৩ পৌৰ সমাজ আৰু গণতন্ত্ৰ
৩.৭ সাৰাংশ (**Summing Up**)
৩.৮ আৰ্হি প্ৰশ্ন (**Model Questions**)
৩.৯ প্ৰসংগ গ্ৰন্থ (**References & Suggested Readings**)
৩.১০ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ

### ৩.১ ভূমিকা (Introduction) ঃ

ৰাজনীতি বিজ্ঞানৰ প্ৰতিপাদ্য বিষয় হিচাপে অধিকাৰ, লিংগ, নাগৰিকত্ব, অসামৰিক সমাজ আৰু ৰাষ্ট্ৰ আদি বিষয়ৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ। সমসাময়িক সময়ত এই ধাৰণসমূহৰ প্ৰাসঙ্গিকতা বহু পৰিমাণে বৃদ্ধি পাইছে। মানৱ সমাজৰ প্ৰতিটো স্তৰতেই এই ধাৰণাবোৰৰ ওপৰত প্ৰৱল আলোচনা আৰু বহু সময়ত ইহঁতৰ সবল প্ৰয়োগ ঘটা দেখা যায়। পৰিৱৰ্তিত সমাজ আৰু ৰাষ্ট্ৰ ব্যৱস্থাত এই ধাৰণাসমূহৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি কিছু আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives) ঃ

এই অধ্যায়ত অধিকাৰ, লিংগ, নাগৰিকত্ব, অসামৰিক সমাজ আৰু ৰাষ্ট্ৰ আদি ৰাজনৈতিক ধাৰণাৰ ওপৰত আলোকপাত কৰা হৈছে। এই ধাৰণাসমূহ অধ্যয়ন কৰি আপোনালোকে—

- অধিকাৰ আৰু ইয়াৰ বিভিন্ন ৰূপ সম্বন্ধে জানিব পাৰিব।
- লিংগ বিষয়ক ধাৰণাৰ সঠিক আৰু সুস্পষ্ট জ্ঞান লাভ কৰিব।
- আমি প্ৰত্যেকেই একো একোখন ৰাজনৈতিক সমাজৰ (ৰাষ্ট্ৰ)ৰ সদস্য হিচাপে নাগৰিকত্বৰ বিষয়ে আভাস লৈ সমৃদ্ধ হ'ব।
- অসামৰিক সমাজ আৰু ৰাষ্ট্ৰ, এই বিষয়ৰ অধ্যয়নে বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহৰ বিভিন্ন ক্ষেত্ৰ তথা দিশৰ আভাস দিব।

### ৩.৩ অধিকাৰ (Rights) ঃ

ৰাজনীতি বিজ্ঞানৰ বিভিন্ন ধাৰণাৰ নিচিনাকৈ অধিকাৰৰ ধাৰণাটো এক প্ৰতিপাদ্য বিষয়। মানৱ সমাজৰ সৃষ্টিৰ লগে লগে অধিকাৰ প্ৰসংগৰো সূত্ৰপাত ঘটে। পৰৱৰ্তী সময়ত অধিকাৰ ৰক্ষণা-বেক্ষণক কেন্দ্ৰ কৰি ৰাষ্ট্ৰীয় কৰ্তৃত্ব আৰু ৰাষ্ট্ৰব্যৱস্থাৰ আৰম্ভণি হয়। অধিকাৰে ব্যক্তি স্বতন্ত্ৰতা অটুট ৰখাৰ উপৰিও ব্যক্তিৰ ব্যক্তিত্ব বিকাশত সহায় কৰে। সেয়েহে আমি অধিকাৰক জনসাধাৰণৰ স্বাধীনতাৰ ৰক্ষাকবচ আৰু ব্যক্তিত্ব বিকাশৰ পূৰ্বচৰ্ত বুলি ক'ব পাৰোঁ। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰত অধিকাৰৰ প্ৰয়োজনীয়তা আৰু প্ৰাসঙ্গিকতা অধিক। ৰাষ্ট্ৰপ্ৰদত্ত অধিকাৰবোৰ ব্যক্তিয়ে যেনেদৰে বৈধিকভাবে উপভোগ কৰে তেনেদৰে ৰাষ্ট্ৰইয়ো ব্যক্তি অধিকাৰ ৰক্ষাৰ দায়িত্ব বহন কৰে। এইদৰে প্ৰতিজন ব্যক্তিয়ে সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু পৌৰ অধিকাৰবোৰ ভোগ কৰাৰ সমান্তৰালভাবে ৰাষ্ট্ৰৰ প্ৰতিও আনুগত্য প্ৰকাশ কৰি সুস্থ জীৱন-যাপন কৰে আৰু এখন সবল-সুস্থ সমাজ গঢ়াত সহায় কৰে।

### ৩.৩.১ অধিকাৰৰ সংজ্ঞা (Definition of Rights) ঃ

অধিকাৰ সম্বন্ধে সাৰ্বজনীন সংজ্ঞা বিচাৰি পোৱাটো সহজ নহয়। বহু সময়ত বহু চিন্তাবিদে বিভিন্ন ধৰণে ইয়াৰ সংজ্ঞা আগবঢ়াইছে। অধিকাৰ বিষয়ক কেইটামান সংজ্ঞা তলত দাঙি ধৰা হ'ল—

(ক) লাস্কিৰ মতে, "অধিকাৰ হ'ল সামাজিক জীৱনৰ সেইবোৰ চৰ্ত যাৰ অবিহনে কোনো ব্যক্তিৰ পূৰ্ণ বিকাশ সম্ভৱ নহয়।"

(খ) গীলখ্ৰীষ্টৰ মতে," সমাজৰ সদস্য হিচাপে ব্যক্তিৰ মাজৰ পৰা অধিকাৰ আহে। প্ৰত্যেক ব্যক্তিৰ সহজাত সামগ্ৰীক কল্যাণ সাধন কৰিব পৰা ক্ষমতা স্বীকৃতিৰ দ্বাৰা অধিকাৰৰ উৎপত্তি হয়।"

(গ) গ্ৰীণৰ মতে, "জনসাধাৰণৰ কল্যাণৰ সহায়ক হিচাপে দাবীকৃত আৰু স্বীকৃত ক্ষমতাই হ'ল অধিকাৰ।"

(ঘ) বৰ্কাৰৰ মতে, "অধিকাৰ হ'ল ব্যক্তিৰ দাবী, যি ব্যক্তিৰ আত্মসচেতনতাৰ পৰা আহে আৰু যাক সমাজে স্বীকৃতি দিয়ে।"

(ঙ) বছানকুইটৰ মতে, "ব্যক্তিৰ যিবিলাক দাবী সমাজৰ দ্বাৰা স্বীকৃত আৰু ৰাষ্ট্ৰৰ দ্বাৰা বলবৎ কৰা হয়, তাকেই অধিকাৰ বোলে।"

ওপৰোক্ত সংজ্ঞাবোৰৰ পৰা ক'ব পাৰি যে, অধিকাৰ হ'ল এনে কিছুমান সুযোগ-সুবিধা যাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ ব্যক্তিত্ব বিকাশৰ সন্ধান ল'ব পাৰে।

অধিকাৰবোৰ সদায় সমাজ আৰু ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত। ব্যক্তি তথা সমাজৰ সামুহিক কল্যাণৰ ক্ষেত্ৰত অধিকাৰৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অপৰিসীম।

**জানি থওঁ আহক**

আমি উপভোগ কৰি অহা অধিকাৰবোৰ নিত্যান্তই ব্যক্তিগত যদিও এইবোৰৰ কিছু সীমাবদ্ধতা আছে। কিয়নো অধিকাৰ হ'ল সবল আৰু সুষ্ঠ সমাজ এখনৰ পূৰ্বচৰ্ত।

**আত্মমূল্যায়ন প্ৰশ্ন**

(  ) অধিকাৰক সামাজিক জীৱনৰ পূৰ্বচৰ্ত বুলি কিয় ক'ব পাৰি?

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

### ৩.৩.২ অধিকাৰৰ বৈশিষ্ট্য (Features of Rights) ঃ

ৰাজনৈতিক চিন্তাবিদসকলৰ বিভিন্ন আলোচনা আৰু দৃষ্টিভংগীবোৰ বিশ্লেষণ কৰিলে অধিকাৰ সম্পৰ্কে তলত উল্লেখিত বৈশিষ্ট্যসমূহ পৰিস্ফুত হয়—

(ক) অধিকাৰ সমূহৰ বিধিগত স্বীকৃতি থকাৰ দৰে সামাজিক সন্মতিও থাকে।

(খ) অধিকাৰ ভোগৰ লগত কৰ্তব্য পালনৰ দিশটো অংগাংগীণ ভাবে জড়িত।

(গ) অধিকাৰবোৰ সুস্পষ্ট, নিৰ্ধাৰিত আৰু সুনিৰ্দিষ্ট।

(ঘ) অধিকাৰৰ ধাৰণা প্ৰাক্-ৰাজনৈতিক। ৰাষ্ট্ৰ ব্যৱস্থাৰ উৎপত্তিৰ লগে লগে অধিকাৰবোৰে বৈধতা লাভ কৰে।

(ঙ) অধিকাৰৰ ধাৰণাটো স্বাধীনতা, আইন, ন্যায়, সৰ্বভৌমত্ব আদি আন বিষয়ৰ লগত সম্পৰ্কিত।

(চ) অধিকাৰ এক সাৰ্বজনীন বিষয়। জাতি-ধৰ্ম, ভাষা-বৰ্ণ, পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৱে অধিকাৰ ভোগৰ সুবিধা লাভ কৰে।

(ছ) অধিকাৰ সদায় কল্যাণকামী প্ৰকৃতিৰ, ই প্ৰত্যেক ব্যক্তিৰ মঙ্গল সাধনৰ পোষকতা কৰে।

(জ) অধিকাৰবোৰ সকাৰাত্মক আৰু নকাৰাত্মক এই দুই ধৰণৰ হোৱা দেখা যায়।

(ঝ) মানৱ সমাজৰ প্ৰয়োজন চৰিতাৰ্থ কৰিবলৈ অধিকাৰবোৰ ভিন্ন ৰূপত সংস্থাপিত হয়।

(ঞ) অধিকাৰৰ এক পৰিবৰ্তিত ৰূপ থাকে। সময়, পৰিৱেশ, পৰিস্থিতি আৰু অৱস্থাৰ পৰিবৰ্তনৰ লগে লগে অধিকাৰৰো পৰিবৰ্তন হ'ব পাৰে।

### ৩.৩.৩ অধিকাৰৰ প্ৰকাৰভেদ (Classification of Rights) ঃ

ৰাজনৈতিক চিন্তাবিদসকলে অধিকাৰৰ বিভিন্ন শ্ৰেণী বিভাজন সম্পৰ্কে ভিন্ন মত আগবঢ়াইছে। বাৰ্কাৰে তেওঁৰ "Principles of Social and Political Theory" নামৰ গ্ৰন্থত অধিকাৰক তিনিটা প্ৰধান ভাগত ভাগ কৰিছে— ভাতৃত্ব বিষয়ক অধিকাৰ, সমতা বিষয়ক অধিকাৰ আৰু স্বতন্ত্ৰতা বিষয়ক অধিকাৰ। হেৰল্ড লাস্কিয়ে তেওঁৰ "A Grammer of Politics" নামৰ গ্ৰন্থত দুই প্ৰকাৰৰ অধিকাৰৰ ওপৰত আলোচনা আগবঢ়াইছে— সাধাৰণ অধিকাৰ (General Right) আৰু বিশেষ অধিকাৰ (Particular Right)। মানৱ সমাজৰ উত্থানৰ লগে লগে মানৱ অধিকাৰ, নাৰী অধিকাৰ আদি ধাৰণাও প্ৰবল হৈ উঠিছে।

সাধাৰণতে অধিকাৰক তিনিটা ভাগত বিভাজিত কৰিব পাৰি—

(ক) প্ৰাকৃতিক অধিকাৰ (খ) নৈতিক অধিকাৰ আৰু (গ) বৈধিক অধিকাৰ।

### (ক) প্ৰাকৃতিক অধিকাৰ (Natural Rights) ঃ

প্ৰাকৃতিক অধিকাৰৰ ধাৰণা অতি পুৰণি। প্ৰকৃতি ৰাজ্যত মানুহে যিবোৰ অধিকাৰ ভোগ কৰিছিল সেই অধিকাৰসমূহকে প্ৰাকৃতিক অধিকাৰ বোলা হয়। প্ৰাচীন গ্ৰীক পণ্ডিত সকলৰ চিন্তা-চৰ্চাৰ দ্বাৰা প্ৰাকৃতিক অধিকাৰৰ ধাৰণাটো আৰম্ভ হৈছিল। সামাজিক চুক্তি তত্ত্বৰ প্ৰবক্তা সকলেও প্ৰাকৃতিক অধিকাৰৰ ধাৰণাক উন্মোচিত কৰিছিল। প্ৰাকৃতিক অধিকাৰবোৰ হবচ্‌ৰ মতে জঘন্য, ল'কৰ মতে উপভোগ্য আৰু ৰুচোৰ মতে স্বৰ্গৰ সুখ।

সমাজবিহীন আৰু ৰাষ্ট্ৰবিহীন প্ৰাকৃতিক পৰিৱেশত মানুহে উপভোগ কৰা অধিকাৰবোৰক সমালোচক সকলে বাধাহীন আৰু যুক্তিবিহীন বুলি অভিহিত কৰিছে। কাৰণ এই অধিকাৰবোৰ কৰ্তব্যৰ ক্ষেত্ৰত নিমাত আৰু কোনো উৰ্ধতম কৰ্তৃপক্ষৰ দ্বাৰা সুৰক্ষিত আৰু নিয়ন্ত্ৰিত নহয়।

### (খ) নৈতিক অধিকাৰ (Ethical Rights) ঃ

নৈতিক অধিকাৰবোৰ মানুহৰ নৈতিক দিশ আৰু সামাজিক ন্যায়ৰ ওপৰত প্ৰতিস্থিত। মানুহৰ আত্মিক অনুভুতি, জ্ঞান, বিবেচনা, সামাজিক প্ৰথা, নৈতিকতাবোধ, লোকাচাৰ আদি দিশৰ ওপৰত নৈতিক অধিকাৰৰ ভেটি নিৰ্মাণ হৈছে। এই অধিকাৰবোৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত নহয় আৰু ইয়াৰ বিধিগত দিশ নাথাকে। নৈতিক অধিকাৰৰ প্ৰৱক্তসকলৰ ভিতৰত অন্যতম হ'ল— কান্ট, হেগেল আদি। কান্টৰ মতে প্ৰত্যেক ব্যক্তিৰে আত্মসন্মান আৰু মৰ্য্যদা আছে আৰু এই মৰ্য্যদাৰ ভিত্তিত ব্যক্তিক মান্যতা প্ৰদান কৰা উচিত। তেওঁৰ মতে কোনোবাৰ নিজৰ উদ্দেশ্য সাধনৰ বাবে আনক প্ৰলোভিত কৰা উচিত নহয়।

### (গ) বৈধিক অধিকাৰ (Legal Rights) ঃ

ৰাষ্ট্ৰপ্ৰদত্ত আৰু আইনৰ দ্বাৰা স্বীকৃত অধিকাৰক বৈধিক অধিকাৰ বোলে। এই অধিকাৰ ভংগৰ অপৰাধত ৰাষ্ট্ৰই কোনো ব্যক্তিক বা ব্যক্তি সমষ্টিক নীতি-নিয়ম অনুসাৰে শাস্তি প্ৰদান কৰিব পাৰে। ৰাষ্ট্ৰ এখনত প্ৰত্যেকজন ব্যক্তিয়ে জাতি-গোষ্ঠী, ভাষা-বৰ্ণ, ধৰ্ম-সংস্কৃতি আৰু পুৰুষ-মহিলা নিৰ্বিশেষে সমানভাবে বৈধিক অধিকাৰবোৰ উপভোগ কৰিব পাৰে। বৈধিক অধিকাৰ সমূহক তলত উল্লেখিত ধৰণে উপভাগত ভগাব পাৰি—

(ক) পৌৰ বা ব্যক্তিগত অধিকাৰ

(খ) ৰাজনৈতিক অধিকাৰ

(গ) অৰ্থনৈতিক অধিকাৰ

(ঘ) সামাজিক অধিকাৰ

### (ক) পৌৰ বা ব্যক্তিগত অধিকাৰ (Civil Rights) ঃ

যিবোৰ অধিকাৰে ব্যক্তিক নিজৰ ব্যক্তিত্ব বিকাশৰ সন্ধান দিয়ে আৰু সা-সম্পতিৰ ৰক্ষণ-বেক্ষণ দিয়ে, তেনেবোৰ অধিকাৰকে পৌৰ অধিকাৰ বোলা হয়। এই অধিকাৰে ব্যক্তিক সভ্য জীৱন-যাপনৰ সুবিধা প্ৰদান কৰে। জীৱনৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, চিন্তা আৰু মত প্ৰকাশৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, কৰ্মৰ অধিকাৰ, ধৰ্মৰ অধিকাৰ, পৰিয়াল গঠনৰ অধিকাৰ, সংগঠন প্ৰতিষ্ঠা কৰাৰ অধিকাৰ, চুক্তি সম্পন্ন কৰাৰ অধিকাৰ, সাহিত্য-সংস্কৃতি আৰু ভাষাৰ অধিকাৰ আদি পৌৰ অধিকাৰৰ বিভিন্ন ৰূপ।

### (খ) ৰাজনৈতিক অধিকাৰ (Political Rights) ঃ

প্ৰত্যেক ব্যক্তি যেনেকৈ সামাজিক প্ৰাণী তেনেকৈ ৰাজনৈতিক প্ৰাণীও। ৰাজনৈতিক কাৰ্য্যকলাপত ব্যক্তিৰ অংশ গ্ৰহণৰ সুযোগ-সুবিধাকেই ৰাজনৈতিক অধিকাৰ বোলে। ব্যক্তিয়ে উপভোগ কৰা ৰাজনৈতিক অধিকাৰবোৰ হ'ল— ভোটদানৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ অধিকাৰ, চৰকাৰী চাকৰি লাভ কৰাৰ অধিকাৰ, আবেদনৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ, চৰকাৰী কাৰ্য্যক প্ৰশংসা কিম্বা সমালোচনা কৰাৰ অধিকাৰ আদি।

### (গ) অৰ্থনৈতিক অধিকাৰ (Economic Rights) ঃ

ব্যক্তিৰ ৰাজনৈতিক অধিকাৰৰ নিচিনাকৈ অৰ্থনৈতিক অধিকাৰৰ প্ৰয়োজনীয়তা অসীম। অৰ্থনৈতিক অধিকাৰ অবিহনে ৰাজনৈতিক অধিকাৰ নিস্ফল। কাৰণ দুয়োটাই এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মানুহৰ মৌলিক প্ৰয়োজনবোৰ চৰিতাৰ্থ কৰিবলৈ অৰ্থনৈতিক অধিকাৰ আৱশ্যকীয়। ব্যক্তিয়ে উপভোগ কৰা অৰ্থনৈতিক অধিকাৰ সমূহ হ'ল— জীৱিকা অৰ্জনৰ বাবে কৰ্মৰ অধিকাৰ, জিৰণি বা বিশ্ৰামৰ অধিকাৰ, ন্যায়সংগত মজুৰি লাভৰ অধিকাৰ, বৃদ্ধ বয়সত আৰ্থিক নিৰাপত্তা লাভৰ অধিকাৰ আদি।

**(ঘ) সামাজিক অধিকাৰ (Social Rights) ঃ**

এক সুন্দৰ, সুস্থ আৰু নিৰাপত্তাপূৰ্ণ সামাজিক পৰিৱেশত জীৱন-যাপনৰ বাবে ব্যক্তিৰ সামাজিক অধিকাৰৰ প্ৰয়োজনীয়তা আমি নুই কৰিব নোৱাৰোঁ। সামাজিক অধিকাৰ আৰু নৈতিক অধিকাৰৰ মাজত কিছু ওচৰ সম্পৰ্ক আছে। সামাজিক অধিকাৰৰ অন্তৰ্গত অধিকাৰ সমূহ হ'ল— শিক্ষাৰ অধিকাৰ, স্বাস্থ্যৰ অধিকাৰ, সামাজিক সমতা লাভৰ অধিকাৰ, সুৰক্ষা লাভৰ অধিকাৰ, পৰিয়াল আৰু বাসস্থানৰ অধিকাৰ ইত্যাদি।

**মানৱ অধিকাৰ (Human Rights) ঃ**

বৰ্তমান সময়ত মানৱ অধিকাৰৰ ধাৰণাটো সৰ্বজনবিদিত। মানুহৰ নৈতিক আৰু গুণগত দিশৰ বিকাশৰ বাবে এই অধিকাৰৰ প্ৰাসঙ্গিকতা অধিক। কুৰি শতিকাৰ চল্লিছৰ দশকত শ্ৰীমতী ইলিনৰ ৰুছভেল্টে মানুহৰ অধিকাৰক মানৱ-অধিকাৰ (Human Right) হিচাপে নামাকৰণ কৰিছিল। চনত প্ৰকাশিত ৰাষ্ট্ৰসংঘৰ সাৰ্বজনীন মানৱ অধিকাৰ ঘোষণা পত্ৰই মানৱ অধিকাৰৰ ধাৰণাটোক অধিক প্ৰসাৰিত আৰু জনপ্ৰিয় কৰি তোলে। বিভিন্ন চিন্তাবিদে বিভিন্ন ধৰণে মানৱ অধিকাৰৰ সংজ্ঞা আগবঢ়াইছে। এইবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

অধ্যাপক দুৰ্গাদাস বসুৰ মতে— "অইন কথা বিবেচনা নকৰাকৈ মানৱ পৰিয়ালৰ সদস্য হিচাপে প্ৰতিজন ব্যক্তিয়ে ৰাষ্ট্ৰ অথবা অন্যান্য ৰাজহুৱা কৰ্তৃত্বৰ বিৰুদ্ধে লাভ কৰা নিম্নতম অধিকাৰে হৈছে মানৱ অধিকাৰ।"

মেকফাৰ্লেনৰ মতে— "মানৱ অধিকাৰ হ'ল কিছুমান নৈতিক অধিকাৰ যিবোৰ প্ৰত্যেক গৰাকী পুৰুষ আৰু মহিলাই মানৱ হিচাপে বৰ্ত্তি থকাৰ যুক্তি লাভ কৰে।"

ভেংকট চালিয়াৰ মতে— "মানৱ অধিকাৰ হৈছে নিজ প্ৰকৃতি থকা অধিকাৰ যিবোৰ অবিহনে আমি কেতিয়াও মানুহ হিচাপে জীয়াই থাকিব নোৱাৰোঁ।"

ওপৰোক্ত সংজ্ঞা সমূহৰ পৰা আমি ক'ব পাৰো যে মানৱ অধিকাৰ হ'ল ব্যক্তি বা ব্যক্তিসমষ্টিৰ অধিকাৰ যিবোৰ জন্ম সূত্ৰে ৰাষ্ট্ৰৰ সপক্ষে আৰু বিপক্ষে কাৰ্যকৰী কৰিব পাৰি। এই অধিকাৰসমূহ সমতা আৰু ভাতৃত্ববোধৰ ওপৰত প্ৰতিষ্ঠিত।

**জানি থওঁ আহক**

প্ৰাকৃতিক অধিকাৰবোৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত নহয়। অথচ এইবোৰৰ প্ৰাসঙ্গিকতা আছে। ৰুছোই প্ৰাকৃতিক অধিকাৰক 'আদৰ্শগত অধিকাৰ' বুলি অভিহিত কৰিছে। গ্ৰীণে কৈছে যে বৰ্তমান সমাজত মানুহৰ নৈতিক দিশৰ উন্নতিৰ বাবে প্ৰাকৃতিক অধিকাৰৰ প্ৰয়োজনীয়তা আছে।

**জানি থওঁ আহক**

**মানৱ অধিকাৰৰ বৈশিষ্ট্য ঃ**

মানৱ অধিকাৰবোৰ জন্মগত।

মানৱ অধিকাৰবোৰ ব্যক্তিৰ পৰা বিচ্ছিন্ন কৰিব পৰা নাযায়।

এই অধিকাৰসমূহ সাৰ্বজনীন। মানৱ সমাজৰ প্ৰতিগৰাকী সদস্যই ইয়াক ভোগ কৰিব পাৰে।

মানৱ অধিকাৰবোৰ অকল ব্যক্তি বা ব্যক্তিগোষ্ঠীৰ বাবেহে অধিক প্ৰয়োজ্য।

মানৱ অধিকাৰবোৰ চৰম আৰু ইয়াক কোনেও অৱজ্ঞা কৰিব নোৱাৰে।

মানৱ অধিকাৰবোৰ আন্তৰ্জাতিক ভাবে স্বীকৃত।

জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই মানৱ অধিকাৰ সমূহ স্থায়ী হৈ থাকে। ই মৌলিক আৰু ইয়াৰ বিনাশ নাই।

**অগ্ৰগতিৰ খতিয়ান**

। অধিকাৰক মূলত ঃ কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি ?

। বৈধিক অধিকাৰৰ ভাগবোৰ কি কি ?

**আত্মমূল্যায়ণ প্ৰশ্ন**

নাৰী অধিকাৰৰ বিষয়ে আলোচনা কৰক।

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

### ৩.৩.৪ অধিকাৰৰ লগত কৰ্তব্যৰ সম্পৰ্ক (Relationship of Rights with Duties) ঃ

অধিকাৰ আৰু কৰ্তব্যৰ মাজত এক এৰাব নোৱাৰা সম্পৰ্ক আছে। অধিকাৰ উপভোগৰ ক্ষেত্ৰত আমি যদি কৰ্তব্য পালন নকৰো, তেন্তে আনৰ লগতে আমি নিজেও অধিকাৰ ভোগৰ পৰা বঞ্চিত হম। এই ক্ষেত্ৰত অধ্যাপক হ'বহাউচ আৰু হেৰল্ড লাস্কিৰ সংজ্ঞা দুটালৈ মন কৰিলে অধিকাৰ আৰু কৰ্তব্যৰ মাজত থকা সম্পৰ্কৰ ধাৰণাটো অধিক স্পষ্ট হ'ব।

হবহাউচৰ মতে— "মোৰ যদি ঠেলা-হেঁচা নোখোৱাকৈ খোজ কাঢ়িবৰ অধিকাৰ থাকে তেন্তে আনৰ কৰ্তব্য হ'ব মোক প্ৰয়োজনমতে বাট এৰি দিয়া।"

লাস্কিৰ মতে— "যি কৰ্তব্য পালন নকৰে তেওঁ অধিকাৰো ভোগ কৰিব নোৱাৰে, যেনেকৈ যিয়ে কাম নকৰে, তেওঁ খাবলৈ নাপায়।"

**জানি থওঁ আহক**

অধিকাৰে কৰ্তব্যক সূচায়। কাৰণ আমি নাগৰিকৰ কৰ্তব্য পালনত ব্যৰ্থ হ'লে অধিকাৰ ভোগৰ বিষয়টো নিৰৰ্থক হৈ পৰিব।

### ৩.৪ লিংগ ঃ

সমসাময়িক সময়ত মানৱ সমাজৰ এক গুৰুত্বপূৰ্ণ আৰু বহু চৰ্চিত বিষয় হ'ল লিংগ। লিংগক সমাজ ব্যৱস্থাৰ এক কৃত্ৰিম ধাৰণা বুলিব পাৰি। মানৱ সমাজত পুৰুষ আৰু মহিলাৰ মাজত লিংগ ভিত্তিক প্ৰাৰ্থক্য সৃষ্টি কৰি দায়িত্ব, ভূমিকা, কাৰ্য্য, আচৰণ আদিৰ ক্ষেত্ৰত পৃথকীকৰণ কৰা দেখা যায়। এই পৃথকীকৰণে লিংগ অসমতাৰ সৃষ্টি কৰাই নহয়, নাৰী সকলক নানান সুয়োগ-সুবিধাৰ পৰা বঞ্চিত কৰাও হয়।

### ৩.৪.১ লিংগৰ অৰ্থ ঃ

সাধাৰণতে লিংগই পুৰুষ আৰু নাৰীৰ আলোচনাকে বুজায়। অৰ্থাৎ প্ৰকৃতিগতভাবে আমাৰ জৈৱিক প্ৰক্ৰিয়াৰে মানুহে যি লিংগৰে জন্ম গ্ৰহণ কৰে সেই ভিত্তিতেই লিংগৰ ধাৰণা সীমাবদ্ধ কৰা হয়।

কিন্তু প্ৰকৃতাৰ্থত লিংগ হ'ল সমাজ আৰু মানৱ সৃষ্ট এক কৃত্ৰিম ধাৰণা, যি ধাৰণাই পুৰুষ মহিলাৰ মাজত শ্ৰম বা কাৰ্য্যভিত্তিক বিভাজনৰ সৃষ্টি কৰে। মূলতঃ লিংগৰ ভিত্তিক নাৰী আৰু পুৰুষৰ ভূমিকাক পৃথক কৰিব নোৱাৰি। নাৰীবাদী চিন্তাবিদ সকলেও বিবেচনা কৰে যে লিংগৰ শ্ৰম আৰু ভূমিকাক লৈ কৰা বিভাজনৰ কোনো যুক্তিযুক্ততা নাই। স্বামী বিবেকানন্দই কৈছিল— "কোনো দেশ বা ৰাষ্ট্ৰত নাৰীৰ প্ৰতি যদি সন্মান জনোৱা নহয়, তেন্তে সমাজ মহান নহয়।"

**জানি থওঁ আহক**

মহাত্মা গান্ধীৰ মতে -- "God has made man and woman one complete whole in the scheme of nature, both of them are equal."

**অগ্ৰগতিৰ খতিয়ান**

জৈৱিক দৃষ্টিকোণৰ পৰা সাধাৰণতে লিংগৰ ভিত্তিত মানৱ সমাজক কি কি দুটা ভাগত ভাগ কৰিব পাৰি?

**৩.৪.২ লিংগ অসমতাৰ কাৰণসমূহ ঃ**

লিংগ অসমতাৰ বহুতো কাৰণ আছে। কিছুমান মৌলিক কাৰণ তলত উল্লেখিত ধৰণে আলোচনা কৰিব পাৰি—

**(ক) নিৰক্ষৰতা ঃ**

শিক্ষা লাভৰ ক্ষেত্ৰত বহু মহিলাই বঞ্চিত হৈ আহিছে। প্ৰচলিত সমাজ ব্যৱস্থা, ৰীতি-নীতি, প্ৰথা আৰু পৰম্পৰাই অতীতৰে পৰা নাৰী শিক্ষাত প্ৰতিবন্ধক হৈ আহিছে।

**(খ) শাৰীৰিক দক্ষতা ঃ**

পুৰুষতকৈ মহিলাসকলক শাৰিৰীক শক্তিৰ ক্ষেত্ৰত দুৰ্বল বুলি গণ্য কৰা হয়। বহু সময়ত ভাব হয় যে সকলো কামৰ বাবে নাৰীসকল যোগ্য নহয়।

**(গ) অবহেলা ঃ**

বহুসময় আমাৰ প্ৰচলিত সমাজ ব্যৱস্থাৰ দ্বাৰা নাৰীসকল অবহেলিত হয়। এগৰাকী ল'ৰা সন্তানক যেনেকৈ প্ৰাধান্য দিয়া হয় তেনে প্ৰাধান্য কন্যা সন্তান এগৰাকীয়ে বহু সময়ত নাপায়। ইয়াৰ উপৰিও কন্যা ভ্ৰূণ হত্যা, শিশু কন্যা হত্যা আদি ঘটনাবিলাক আজিও বিদ্যমান।

**(ঘ) যৌতুক ব্যৱস্থা ঃ**

প্ৰায়বোৰ সমাজত যৌতুক ব্যৱস্থাটো প্ৰচলিত হৈ আছে। বৈবাহিক সম্পৰ্কৰ ক্ষেত্ৰত মহিলা সকলক যৌতুকৰ জোখাৰে স্বামী গৃহই আকোৱালি লয়। নাৰী নিৰ্যাতন, বিবাহ-বিচ্ছেদ আদিৰ দৰে ঘটনাৰ মূল কাৰণ হ'ল যৌতুক।

**(ঙ) বাল্যবিবাহ ঃ**

লিংগ অসমতাৰ আন এটা অন্যতম কাৰণ হ'ল বাল্যবিবাহ। পুৰণি সমাজ ব্যৱস্থাত অধিক পৰিমাণে বাল্যবিবাহৰ প্ৰচলন আছিল। তথাকথিত বৰ্তমান সমাজতো বাল্যবিবাহৰ প্ৰচলন নাই বুলি আমি নুই কৰিব নোৱাৰোঁ।

**৩.৪.৩ লিংগ বিভাজনৰ বিভিন্ন ক্ষেত্ৰসমূহ (Areas of gender exclusion) ঃ**

পুৰুষ-মহিলাৰ মাজত শ্ৰম আৰু কাৰ্য্যভিত্তিক বিভাজনৰ সৃষ্টি কৰি নাৰী মৰ্য্যদাক হেয় প্ৰতিপন্ন কৰা ধাৰণাটোৱে হ'ল লিংগ বিভাজন। লিংগ বিভাজনে নাৰীৰ মৰ্য্যদা হানি

কৰাৰ উপৰিও তেওঁলোকক নায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰে। সমাজৰ প্ৰতিটো স্তৰতেই নাৰীসকল শোষিত আৰু বঞ্চিত হোৱাৰ বিভিন্ন ক্ষেত্ৰ দেখা যায়। কেইটামান ক্ষেত্ৰ তলত আলোচনা কৰা হ'ল—

**(ক) পৰিয়াল ঃ**

প্ৰকৃতাৰ্থত লিংগ বিভাজনৰ বিষয়টো পৰিয়ালৰ পৰাই সূত্ৰপাত ঘটে। পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষ সকলেই পৰিয়াল পৰিচালনা কৰা, পৰিয়ালত সিদ্ধান্ত গ্ৰহণ কৰা, উপাৰ্জন কৰা, ঘৰৰ বাহিৰৰ কামবোৰ কৰা আদি দায়িত্ব বহন কৰে। এই ক্ষেত্ৰত মহিলাসকলক পৰিয়ালৰ চাৰিবেৰৰ মাজত থাকি ঘৰুৱা কামবোৰ কৰা, সন্তান জন্ম দিয়া, সন্তানৰ যত্ন লোৱা, ৰন্ধা-বঢ়া কৰা আদি কামবোৰৰ মাজতেই সীমাবদ্ধ কৰি ৰখা হয়। শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰতো পুৰুষ সকলে বেছি প্ৰাধান্য লাভ কৰে। সম্পত্তিৰ ক্ষেত্ৰতো মহিলাসকলক বঞ্চিত কৰি পৈত্ৰিক সম্পত্তি পুৰুষসকলে লাভ কৰে।

**(খ) সমাজ ঃ**

লিংগ বিভাজন ধাৰণাটো সবল কৰাত সমাজৰ ভূমিকাও কোনো গুণে কম নহয়। সমাজ ব্যৱস্থাত প্ৰচলিত ৰীতি-নীতি, পৰম্পৰা, প্ৰথা আদিয়ে বহু সময়ত মহিলাতকৈ পুৰুষসকলক আগস্থান দি আহিছে। ইয়াৰ উপৰিও সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস, অস্পৃশ্যতা ইত্যাদি বোৰেও মহিলাৰ মৰ্য্যদা লাঘব কৰিছে। নাৰীৰ ওপৰত সমাজৰ বৈষম্যমূলক দৃষ্টিয়ে নাৰী নিৰ্য্যাতন, নাৰী ধৰ্ষণ, নাৰী বঞ্চনা আদি বৃদ্ধিত সহায় কৰি আহিছে।

**(গ) ৰাজনীতি ঃ**

ৰাজনৈতিক ক্ষেত্ৰত মহিলাসকল বহু পৰিমাণে উপেক্ষিত হৈ আহিছে। গণতন্ত্ৰৰ সুচনাৰ সময়ত মহিলাসকলৰ ভোট প্ৰদান কৰা, নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা, ৰাজনৈতিক দলত যোগদান কৰা আদিবোৰ সুবিধা বহু ৰাষ্ট্ৰত নাছিল। এতিয়াও সামাজিক আৰু পাৰিবাৰিক কাৰণত মহিলাৰ অংশ গ্ৰহণ মনঃপুত নহয়। অৱশ্যে বৰ্তমান সময়ত পৃথিবীৰ প্ৰায়বিলাক ৰাষ্ট্ৰতেই ৰাজনৈতিক ক্ষেত্ৰত মহিলাৰ সক্ৰিয় অংশ গ্ৰহণ পোষকতা কৰিছে আৰু আসন সংৰক্ষণৰ ব্যৱস্থাও কৰিছে। ভাৰতবৰ্ষৰ পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলাৰ বাবে পঞ্চাশ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা আছে।

**(ঘ) অৰ্থনীতি ঃ**

অৰ্থনৈতিক ক্ষেত্ৰতো মহিলাসকলৰ প্ৰতি কৰা অৱহেলা আৰু বঞ্চনা কম নহয়। মহিলাসকলক কৰ্ম আৰু উপাৰ্জনৰ ক্ষেত্ৰত হীন জ্ঞান কৰা হয়। বহুসময়ত কোনো মহিলাই উপাৰ্জনমুখী কামত নিয়োজিত হৈছে যদিও সুবিধা আৰু মজুৰিৰ ক্ষেত্ৰত বৈষম্যমূলক নীতি অৱলম্বন কৰা দেখা যায়। শিক্ষিত প্ৰতিভাসম্পন্ন বহু মহিলাই পৰম্পৰাগত পৰিয়াল আৰু সমাজ ব্যৱস্থাৰ বাবে কৰ্মসংস্থান লাভ কৰিও কামত যোগদানৰ সুবিধা নাপায়। অৱশ্যে নব্য অৰ্থ-ব্যৱস্থাত পাৰিবাৰিক আৰু সামাজিক বাধাই মহিলাসকলক ভেটা দি

ৰাখিব পৰা নাই। সময়, পৰিৱেশ, পৰিস্থিতি আৰু অৱস্থাৰ পৰিবৰ্তনে অৰ্থনৈতিক ক্ষেত্ৰখনত মহিলা সকলক আগবাঢ়ি অহাত পূৰ্ণ সহায় আৰু সহযোগিতা আগবঢ়াইছে।

এইদৰে দেখা যায় যে পৰম্পৰা, ৰীতি-নীতি, সামাজিক আচাৰ-আচৰণ, লোকাচাৰ আৰু পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাই নাৰী অবদমনত যথেষ্ট অৰিহণা যোগাই আছে। যাৰ বাবে মহিলাসকল সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু পৰিয়ালগত দিশৰ পৰা বঞ্চিত, লাঞ্চিত আৰু শোষিত হৈ আহিছে।

**জানি লওঁ আহক**

চনৰ ছেপ্তেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সৰ্বসন্মতি মৰ্মে, লিংগবৈষম্য দুৰীকৰণৰ বাবে কিছুমান নীতি ঘোষণা কৰিছিল।

**অগ্ৰগতিৰ খতিয়ান**

। লিংগ বিভাজনৰ যিকোনো তিনিটা ক্ষেত্ৰ কি কি ?

**আত্মমূল্যায়ণ প্ৰশ্ন**

। লিংগ অসমতা দুৰীকৰণৰ বাবে কোনবোৰ পদক্ষেপ লোৱা উচিত বুলি ভাবে?

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

### ৩.৫ নাগৰিকত্ব (Citizenship) ঃ

ৰাষ্ট্ৰ এখন গঠনৰ ক্ষেত্ৰত নাগৰিক অৰ্থাৎ জনসমষ্টি এক উল্লেখযোগ্য উপাদান। শাসক অৰ্থাৎ চৰকাৰো ৰাষ্ট্ৰৰ আন এটা উল্লেখযোগ্য উপাদান। কিন্তু শাসিত নাগৰিকৰ অনুপস্থিতিত শাসক বা চৰকাৰৰ কোনো অস্তিত্ব নাই। সেইবাবে ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্বত থকা চৰকাৰে নাগৰিকৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়াৰ উপৰিও বিভিন্ন কল্যাণকামী স্থিতি লোৱা দেখা যায়। ৰাজনীতি বিজ্ঞানত নাগৰিকত্বৰ প্ৰসঙ্গই যথেষ্ট গুৰুত্ব আৰু প্ৰাসংগিতা লাভ কৰাৰ সমান্তৰালভাবে বিভিন্ন সময়ত ইয়াৰ বিবাদ বিতৰ্কও কম নহয়। বিভিন্ন বিতৰ্কই নাগৰিকত্ব ধাৰণাৰ গতিশীল স্থিতিত অৰিহণা যোগাইছে।

### ৩.৫.১ নাগৰিকত্বৰ সংজ্ঞা (Defination of Citizenship) ঃ

নাগৰিক সম্বন্ধে বিভিন্ন সময়ত বিভিন্ন ৰাজনীতিবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। কিন্তু প্ৰাচীন গ্ৰীক নগৰ-ৰাষ্ট্ৰ সমূহক কেন্দ্ৰ কৰিয়েই নাগৰিকৰ ধাৰণাটো উদ্ভাৱিত হৈছে। যিসকল ব্যক্তিয়ে তেতিয়া প্ৰত্যক্ষভাৱে সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰিছিল, তেওঁলোককহে নাগৰিক বোলা হৈছিল। অৱশ্যে নাগৰিক শব্দটো তেতিয়া একেবাৰে সংকীৰ্ণ অৰ্থত প্ৰয়োগিত হৈছিল যদিও বৰ্তমান সময়ত ইয়াৰ বহুলতা বৃদ্ধি পাইছে।

বিভিন্ন চিন্তাবিদে নাগৰিক সম্বন্ধে আগবঢ়োৱা সংজ্ঞাসমূহ নিম্ন লিখিত ধৰণে উল্লেখ কৰিব পাৰি—

এৰিষ্টটোলৰ মতে, “ৰাষ্ট্ৰৰ যিসকল ব্যক্তিৰ আলোচনামূলক অথবা বিচাৰ বিভাগীয় প্ৰশাসনত অংশ গ্ৰহণৰ সক্ষমতা আছে তেওঁলোককেই নাগৰিক বোলা হয়।”

মিলাৰৰ মতে, “নাগৰিকসকল তেওঁলোকে বাস কৰা ৰাজনৈতিক সমাজৰ সদস্য। তেওঁলোকক লৈয়ে ৰাষ্ট্ৰ গঠিত হয় আৰু তেওঁলোকে নিজৰ সম্বলিত ক্ষমতাৰে নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰে নাইবা নিজকে সমষ্টিগত অধিকাৰৰ নিয়ন্ত্ৰনাধীন কৰে।”

লাস্কিৰ মতে, “নাগৰিকত্ব হ’ল, জনসাধাৰণৰ কল্যাণ সাধনৰ বাবে নিজৰ সুচিন্তিত বিচাৰ-বুদ্ধিৰ অবদান।”

শ্ৰীনিবাস শাস্ত্ৰীৰ মতে, “যি ব্যক্তি ৰাষ্ট্ৰৰ সভ্য আৰু ৰাষ্ট্ৰত বসবাস কৰি পূৰ্ণভাৱে আত্মবিশ্বাসৰ অৰ্থে প্ৰচেষ্টা আৰু সমাজৰ সৰ্বাধিক কল্যাণ সম্পৰ্কে সচেতন হৈ থাকে, তেওঁকেই নাগৰিক বোলা হয়।”

**জানি থওঁ আহক**

**নাগৰিকৰ বৈশিষ্ট (Characteristics of Citizen) :**

ওপৰক্তো সংজ্ঞাসমূহৰ পৰা নাগৰিকৰ কিছুমান বৈশিষ্ট তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

(ক) নাগৰিকসকল এনে এক জনসমষ্টি যি কোনো এখন নিৰ্দিষ্ট ৰাষ্ট্ৰত স্থায়ীভাৱে বসবাস কৰে।

(খ) নাগৰিকসকলে স্বতঃস্ফুৰ্তভাবে ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে।

(গ) ৰাষ্ট্ৰপ্ৰদত্ত অধিকাৰসমূহ নাগৰিকসকলে ভোগ কৰিব পাৰে।

(ঘ) ৰাষ্ট্ৰৰ প্ৰতি থকা নিজৰ কৰ্তব্য পালন কৰাৰ সমান্তৰালভাবে নাগৰিসকলে সমাজ তথা ৰাষ্ট্ৰৰ সৰ্বাঙ্গীণ কল্যাণৰ অৰ্থে বৰঙণি আগবঢ়ায়।

### ৩.৫.২ নাগৰিক আৰু বিদেশী (Citizen and alien) ঃ

ৰাষ্ট্ৰ এখনত বসবাস কৰা লোকক দুই ভাগত ভাগ কৰা হয়— নাগৰিক আৰু বিদেশী। যিসকল ব্যক্তিয়ে ৰাষ্ট্ৰ এখনত পূৰ্বৰে পৰা স্থায়ীভাবে বাসবাস কৰে তেওঁলোকক নাগৰিক বোলে। আনহাতে যিসকল লোকে অইন ৰাষ্ট্ৰৰ পৰা প্ৰব্ৰজন সূত্ৰে আহি পৰৰাষ্ট্ৰ এখনত স্থায়ীভাবে বাস কৰিবলৈ লয় তেওঁলোকক বিদেশী বোলা হয়।

সেয়ে নাগৰিক আৰু বিদেশীৰ মাজত পাৰ্থক্য বিৰাজমান। পাৰ্থক্যসমূহ চমুকৈ উল্লেখ কৰা হ'ল—

(ক) নাগৰিকসকল ৰাষ্ট্ৰ এখনত পূৰ্বৰে পৰা বসবাস কৰা স্থায়ী বাসিন্দা, কিন্তু বিদেশীসকল তেনে নহয়।

(খ) নাগৰিকসকলে ৰাষ্ট্ৰখনৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য প্ৰকাশ কৰে। কিন্তু বিদেশীসকলে তেওঁলোকৰ নিজৰ ৰাষ্ট্ৰখনৰ প্ৰতিহে আনুগত্য প্ৰদৰ্শন কৰে।

(গ) নাগৰিকসকলে নিজ দেশৰ কৰ্তৃপক্ষৰ পৰা শান্তি, নিৰাপত্তা দাবী কৰিব পাৰে, আনহাতে বিদেশীয়ে নোৱাৰে।

(ঘ) নাগৰিকসকলে পৌৰ আৰু ৰাজনৈতিক উভয় ধৰণৰ অধিকাৰ ভোগ কৰে। কিন্তু বিদেশী সকলে পৌৰ অধিকাৰৰ বাহিৰে ৰাজনৈতিক অধিকাৰ ভোগ কৰিব নোৱাৰে।

(ঙ) নাগৰিকসকলক ৰাষ্ট্ৰৰ পৰা কোনো কাৰণত বহিষ্কাৰ কৰিব নোৱাৰে। অথচ বিদেশীৰ ক্ষেত্ৰত এই কথাটো প্ৰযোজ্য নহয়। যিকোনো সময় পৰিস্থিতিত তেওঁলোকক বহিষ্কাৰ কৰিব পাৰে।

(চ) দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বৰ প্ৰতি নাগৰিকসকল সদায় সচেষ্ট। কিন্তু বিদেশীসকল নহয়।

### ৩.৫.৩ নাগৰিকত্ব অৰ্জনৰ পদ্ধতি (Methods of aquiring citizenship) ঃ

প্ৰধানতঃ দুটা পদ্ধতিৰ জৰিয়তে কোনো এখন দেশৰ আবাসীসকলে নাগৰিত্ব লাভ কৰিব পাৰে। সেই পদ্ধতি দুটা হ'ল—

(ক) জন্ম সূত্ৰৰ দ্বাৰা নাগৰিকত্ব অৰ্জন।

(খ) দেশীয়কৰণৰ মাধ্যমত নাগৰিকত্ব লাভ।

ইয়াৰ উপৰিও আন এটা পদ্ধতি হ'ল চামিলকৰণ নীতি।

**(ক) জন্ম সূত্রে নাগৰিকত্ব অৰ্জন (Citzenship by Birth) ঃ**

জন্ম সূত্রে যিকোনা ব্যক্তিয়ে স্বাভাৱিকভাবে ৰাষ্ট্র এখনৰ নাগৰিকত্ব অৰ্জন কৰিব পাৰে। এই পদ্ধতিৰে নাগৰিকত্ব অৰ্জনক আকৌ দুটা ভাগত ভাগ কৰিব পাৰি—

(ক) ৰক্ত সম্পৰ্কৰ নীতি

(খ) জন্মস্থান নীতি

ৰক্ত সম্পৰ্কৰ নীতি অনুসৰি কোনো ল'ৰা-ছোৱালীয়ে যি দেশতেই জন্ম গ্ৰহণ নকৰক, সিহঁতৰ মাক-দেউতাক যি দেশৰ নাগৰিক সেইখন দেশৰেই নাগৰিকত্ব অৰ্জন কৰে। জন্মস্থান নীতি মতে কোনো ল'ৰা-ছোৱালীৰ মাক-দেউতাক কোনখন দেশৰ নাগৰিক সেইটো বিচাৰ্য্য বিষয় নহয়। সিহঁতে যিখন দেশৰ ভূখণ্ডত জন্ম গ্ৰহণ কৰে, সেইখন দেশৰেই নাগৰিকত্ব লাভ কৰে।

**(খ) দেশীয়কৰণৰ মাধ্যমত নাগৰিকত্ব লাভ (Citzenship by Naturalization) ঃ**

এই পদ্ধতি অনুসৰি কোনো ৰাষ্ট্ৰই আবেদনৰ ভিত্তিত কিছু চৰ্ত সাপেক্ষে এজন বিদেশী লোকক নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা লব পাৰে। দেশীয়কৰণ পদ্ধতিৰ দ্বাৰা নাগৰিকতা লাভ কৰা লোকক দেশীয়কৃত নাগৰিক (Nutralized Citizen) বোলা হয়। দেশীয়কৰণৰ মাধ্যমত নাগৰিকত্ব লাভৰ বিভিন্ন উপায় সমূহ হ'ল— কোনো ৰাষ্ট্ৰত দীৰ্ঘদিন স্থায়ীভাবে বসবাস কৰা, বিবাহ নীতি, চৰকাৰী চাকৰি গ্ৰহণ, সেনা বাহিনীত যোগদান, সম্পত্তি আহৰণ, আবেদন ব্যৱস্থা, ইচ্ছা প্ৰকাশ, পোষ্য পুত্ৰ বা পুত্ৰী ৰূপে গ্ৰহণ।

**(গ) চামিলকৰণ নীতি (Method of Incorporation of Territory) ঃ**

কোনো অঞ্চল চামিলকৰণৰ দ্বাৰাও নাগৰিকত্ব লাভৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এই পদ্ধতি মতে কোনো এখন ৰাষ্ট্ৰই যদি চুবুৰীয়া আন কোনো এখন ৰাষ্ট্ৰ অথবা ৰাষ্ট্ৰখনৰ কোনো অঞ্চল চুক্তি বা যুদ্ধ জয়ৰ মাধ্যমেৰে চামিলকৃত কৰে, তেন্তে সেই চামিলকৃত ৰাষ্ট্ৰ বা অঞ্চলৰ জনসাধাৰণো নতুন ৰাষ্ট্ৰখনৰ নাগৰিক হৈ পৰে।

**জানি থওঁ আহক**

ভাৰতীয় সংবিধানে দেশীয়কৰণ বা চামিল কৰণৰ পদ্ধতি অৱলম্বন কৰিছে। চিকিমৰ জনসাধাৰণে এই পদ্ধতিৰ জৰিয়তে নাগৰিকত্ব লাভ কৰে।

**অগ্ৰগতিৰ খতিয়ান**

। জন্মসূত্ৰে নাগৰিকত্ব লাভৰ উপ-পদ্ধতি দুটা কি কি?

**আত্মমূল্যায়ণ প্ৰশ্ন**

। ভাৰতীয় সংবিধানত সন্নিবিষ্ট নাগৰিকত্ব লাভৰ উপায় সমূহৰ বিষয়ে আলোচনা কৰক।

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

### ৩.৫.৪ নাগৰিকত্ব হনন (Loss of Citizenship) ঃ

ৰাষ্ট্ৰই যেনেকৈ তাৰ ভূখণ্ডত স্থায়ীভাবে বাস কৰা প্ৰত্যেক লোককেই নাগৰিকতা প্ৰদান কৰে, তেনেদৰে বিশেষ কাৰণ বশতঃ তেনে ব্যক্তিৰ নাগৰিকতা কাঢ়ি লৈয়ো যাব পাৰে। নাগৰিকত্ব হননৰ বিভিন্ন কাৰণ সমূহ হ'ল—

(ক) কোনো ব্যক্তিয়ে নিজ ৰাষ্ট্ৰৰ বিনা অনুমতিত দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰৰ পৰা আতৰি থাকিলে, তেওঁৰ নাগৰিকত্ব হানি হ'ব পাৰে।

(খ) অইন দেশৰ নাগৰিকত্ব অৰ্জন কৰা ব্যক্তিৰ নিজ দেশৰ নাগৰিকত্ব অৱসান ঘটে।

(গ) বিবাহ সূত্ৰে কোনো মহিলাই পৰৰাষ্ট্ৰৰ নাগৰিকতা লাভ কৰিলে, নিজ দেশৰ নাগৰিকত্ব হনন হয়।

(ঘ) পৰৰাষ্ট্ৰৰ অধীনত চাকৰিত যোগদান কৰা ব্যক্তিৰ নিজ দেশৰ নাগৰিকত্ব লোপ পায়।

(ঙ) কোনো লোকে সেনাবাহিনীৰ পৰা পলায়ন কৰিলে তেওঁৰ নাগৰিকত্ব নাথাকে।

(চ) বিদেশী ৰাষ্ট্ৰৰ সন্মান অথবা উপাধি গ্ৰহণ কৰা ব্যক্তিৰ নিজ দেশৰ নাগৰিকতা হানি হয়।

(ছ) কোনো ৰাষ্ট্ৰ বা অঞ্চল অইন ৰাষ্ট্ৰৰ লগত চামিল হ'লে সেই ৰাষ্ট্ৰ বা অঞ্চলৰ নাগৰিক সকলৰ পূৰ্বৰ ৰাষ্ট্ৰৰ নাগৰিকত্ব হনন হয়।

**জানি থওঁ আহক**

দেশৰ বিনা অনুমতিত কোনো ব্যক্তিয়ে বিদেশত থাকিবলৈ ললে তেওঁৰ নাগৰিকত্ব হনন হয়।

**অগ্ৰগতিৰ খতিয়ান**

। সামৰিক বাহিনীৰ পৰা পলায়ন কৰিলে সেই ব্যক্তিজনৰ নাগৰিকত্ব হনন হয়।
সচাঁ/মিছা

**৩.৫.৫ সুনাগৰিকৰ গুণসমূহ (Qualities of Good Citizen) ঃ**

ৰাষ্ট্ৰ এখনৰ বিকাশ আৰু ভৱিষ্যত নিৰ্ভৰ কৰে নাগৰিকৰ ওপৰতেই। ৰাষ্ট্ৰই যেনেকৈ নাগৰিকৰ স্বাধীনতা, নাগৰিকৰ অধিকাৰ, নাগৰিকৰ নিৰাপত্তা সু-নিশ্চিত কৰে, ঠিক একেদৰে ৰাষ্ট্ৰৰ প্ৰতিও নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য আছে। ৰাষ্ট্ৰৰ বিকাশ, গৌৰৱ, মৰ্য্যদা আদি সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে নাগৰিকসকল সু-নাগৰিক হিচাপে পৰিগণিত হ'বই লাগিব। সু-নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ নাগৰিকসকলে কিছুমান বিশেষ গুণৰ অধিকাৰী হ'ব লাগে। তেনে গুণবোৰ হ'ল— বুদ্ধিমত্তা, আত্মসংযম, বিবেক-বিবেচনা সম্পন্ন, সৎ চৰিত্ৰবান, সুশিক্ষিত, ৰাজনৈতিক সচেতনতা, শান্তিপ্ৰিয়, স্বদেশপ্ৰেম, নীৰ্ভিকতা, আনুগত্য প্ৰকাশ, নিয়মিত কৰ আৰু শুল্ক পৰিশোধ, উদাৰতা, সততা, কৰ্তব্য পৰায়নতা ইত্যাদি।

**৩.৫.৬ সু-নাগৰিকৰ প্ৰতিবন্ধকতাসমূহ ঃ**

নাগৰিকসকলে সু-নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰাটো একেবাৰে সহজসাধ্য নহয়। ৰাষ্ট্ৰই ইচ্ছা প্ৰকাশ কৰিলেও নাগৰিকসকলক সু-নাগৰিক হিচাপে গঢ়াত বহু সময়ত কিছুমান প্ৰত্যাহবানৰ সন্মুখীন হোৱা দেখা যায়। গতিকে দেখা যায় যে সু-নাগৰিকৰ কিছুমান প্ৰতিবন্ধকতা আছে। এই প্ৰতিবন্ধকতা সমূহ হ'ল— নাগৰিকৰ উদাসীনতা, এলাহ, অজ্ঞতা, স্বাৰ্থপৰ মনোভাব, সংকীৰ্ণ মনোভাব, নিৰক্ষৰতা, দলীয় স্বাৰ্থ, সুস্থ জনমতৰ অভাৱ, সাম্প্ৰদায়িকতাবাদ, আঞ্চলিকতাবাদ, দৰিদ্ৰতা, কু-সংস্কাৰ, অন্ধ-বিশ্বাস আদি।

**জানি থওঁ আহক**

**সু-নাগৰিকৰ প্ৰতিবন্ধকতা সমূহ প্ৰতিকাৰৰ উপায় (Hinderances of a good citizen) ঃ**

সু-নাগৰিকৰ প্ৰতিবন্ধকতাসমূহে এখন সুস্থ-সবল ৰাষ্ট্ৰ গঠনত আৰু ইয়াৰ বিকাশত অন্তৰায় হৈ ঠিয় দিয়ে। গণতন্ত্ৰৰ সাফল্যৰ বাবেও এইবোৰ উপযোগী নহয়। সেয়ে প্ৰতিবন্ধকতাসমূহ আঁতৰ কৰাৰ বাবে প্ৰযত্ন লোৱা উচিত। লৰ্ড ব্ৰাইছে সু-নাগৰিকৰ প্ৰতিবন্ধকতাসমূহ আঁতৰ কৰা বাবে দুটা উপায়ৰ কথা কৈছে।

প্ৰশাসনিক প্ৰতিকাৰ **(Administrative Remedies)**

নৈতিক প্ৰতিকাৰ **(Moral Remedies)**

**১। প্ৰশাসনিক প্ৰতিকাৰ ঃ**

বিভিন্ন প্ৰশাসনিক প্ৰতিকাৰসমূহ নিম্নোক্ত ধৰণে আলোচনা কৰিব পাৰি—

(ক) নাগৰিকসকলক ৰাষ্ট্ৰৰ কাৰ্য্যাৱলীত উৎসাহ যোগোৱা আৰু ৰাজনৈতিক সচেতনতা সৃষ্টিৰ বাবে ভোটদান ব্যৱস্থাটো বাধ্যতামূলক হোৱা সমীচীন।

(খ) প্ৰত্যক্ষ গণতন্ত্ৰৰ পদ্ধতিসমূহ যেনে— গণভোট, গণদ্যোগ আৰু পুনৰাহ্বান আদি ব্যৱস্থাৰ প্ৰয়োগেৰে নাগৰিক সকলক সচেতন কৰিব পাৰি।

(গ) বিধানমণ্ডলত প্ৰত্যেক শ্ৰেণীৰ পৰা প্ৰতিনিধিত্ব কৰাৰ সুযোগ দিয়া উচিত।

(ঘ) স্বায়ত্বশাসন ব্যৱস্থাৰ সৃষ্টি কৰিলে নাগৰিকৰ পূৰ্ণ অংশগ্ৰহণে তেওঁলোকৰ ৰাজনৈতিক জ্ঞান বৃদ্ধিত সহায় কৰিব।

(ঙ) নাগৰিকসকলে সমাজদ্ৰোহী আৰু ৰাষ্ট্ৰবিৰোধী চিন্তা আৰু কাৰ্য্যকলাপ পৰিহাৰ কৰি সততা, নিষ্ঠা, সহিষ্ণুতা, নিস্বাৰ্থতা আদি মনোভাৱ পোষণ কৰা উচিত।

**২। নৈতিক প্ৰতিকাৰ ঃ**

নৈতিকভাবে সবল ব্যক্তি এজনেহে সু-নাগৰিক হোৱাৰ সন্ধান কৰিব পাৰে। নাগৰিক সকলৰ যোগাত্মক মানসিকতাইহে এখন সুস্থ-সবল সমাজ তথা ৰাষ্ট্ৰ সৃষ্টি কৰিব পাৰে। ব্যক্তিৰ নৈতিক দিশৰ বিকাশ উন্মোচিত হয় শিক্ষাৰ জৰিয়তে। কাৰণ উপযুক্ত শিক্ষাই নাগৰিকৰ সৰ্বাঙ্গীন দিশৰ জ্ঞান বিকশিত কৰে। নৈতিক দিশৰ বিকাশত পৰিয়ালৰ ভূমিকাও মন কৰিবলগীয়। কাৰণ পৰিয়ালেই হ'ল শিশুৰ প্ৰথম বিদ্যালয়। এইক্ষেত্ৰত প্ৰত্যেক পৰিয়ালেই শিশু এগৰাকীক নৈতিক শিক্ষা প্ৰদানেৰে ভৱিষ্যতে তেওঁক সু-নাগৰিক কৰি গঢ়ি তোলা উচিত।

**অগ্ৰগতিৰ খতিয়ান**

। সুনাগৰিক হোৱাৰ বাবে প্ৰয়োজন হোৱা যিকোনো তিনিটা গুণ কি কি?

**আত্মমূল্যায়ণ প্ৰশ্ন**

। সুনাগৰিক এজন ৰাষ্ট্ৰৰ সম্পদ। কথাষাৰ বহলাই লিখক।

.............................................................................................................
.............................................................................................................
.............................................................................................................

### ৩.৬ পৌৰ সমাজ আৰু ৰাষ্ট্ৰ (Civil Society and State) ঃ

গণতান্ত্ৰিক ৰাষ্ট্ৰত পৌৰ বা অসামৰিক সমাজৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। পৌৰ সমাজৰ ধাৰণাটোৱে ৰাজনীতি বিজ্ঞানৰ বিষয়বস্তু হিচাপে সমসাময়িক সময়ত যথেষ্ট সমাদৰ লাভ কৰিছে। এই ধাৰণাক সমাজৰ তৃতীয় ক্ষেত্ৰ বুলিব পাৰি। সাধাৰণতে সামাজিক আৰু বেচৰকাৰী সংগঠনৰ দ্বাৰা পৌৰ সমাজখন গঠিত।

### ৩.৬.১ পৌৰ সমাজৰ অৰ্থ (Meaning of Civil Society) ঃ

ৰাজহুৱা স্বাৰ্থজড়িত সামাজিক আৰু বেচৰকাৰী সংগঠন সমূহৰ মাজতেই পৌৰ সমাজৰ অস্তিত্ব লুকাই থাকে। অসামৰিক সমাজত মানুহে সংগঠিত ৰূপত সামূহিক স্বাৰ্থ পুৰণাৰ্থে দাবী প্ৰচেষ্টা অব্যাহত ৰাখে। আন্তঃৰাষ্ট্ৰীয় সংগঠন সমূহকো আমি পৌৰ সমাজৰ অন্তৰ্ভুক্ত কৰিব পাৰোঁ। জনকল্যাণ সাধন, সামাজিক সংস্কাৰ সাধন, ৰাজহুৱা স্বাৰ্থ পূৰণ আদি পৌৰ সমাজৰ মুখ্যতঃ উদ্দেশ্য।

**জানি থওঁ আহক**

মিচেল এডৱাৰ্ডৰ মতে— "অসামৰিক সমাজ হ'ল এখন সু-সমাজৰ অন্বেষণত হোৱা সামুহীয়া কাৰ্য্য, যি সময়, স্থান, সংস্কৃতি আদি বিভিন্ন দিশত প্ৰকাশিত হয়।"

**অগ্ৰগতিৰ খতিয়ান**

। অসামৰিক সমাজ গঠনত অৱদান যোগোৱা যিকোনো তিনিটা সংগঠনৰ নাম উল্লেখ কৰক।

**আত্মমূল্যায়ণ প্ৰশ্ন**

। অসামৰিক সমাজ গঠনত বেচৰকাৰী সংগঠনৰ ভূমিকা সম্বন্ধে আলোচনা কৰক।

..................................................................................................................

..................................................................................................................

### ৩.৬.২ পৌৰ সমাজ আৰু ৰাষ্ট্ৰ (Civil Society and State) ঃ

পৌৰ সমাজৰ ধাৰণা প্ৰাচীন। অতীতত পৌৰ সমাজৰ ধাৰণাক সমাজ তথা ৰাষ্ট্ৰৰ অংশ বিশেষ বুলি ধৰা হৈছিল। প্লেটো, এৰিষ্টটল, চক্ৰেটিচ আদি দাৰ্শনিক পণ্ডিতসকলৰ ধাৰণাত ইয়াৰ উমান পোৱা যায়। মধ্যযুগতো পৌৰ সমাজৰ ধাৰণাটোৱে গুৰুত্ব লাভ কৰিছিল। থমাচ হবচ, জন লক আৰু ৰুছোৰ চিন্তাধাৰাত এই সমাজৰ আভাস পোৱা যায়। এইদৰে দেখা যায় যে ওঠৰ শতিকাত আদাম ফাৰগুচন, উনৈশ শতিকাত হেগেল, টকভেলি, গ্ৰামচি আদি চিন্তাবিদে পৌৰ সমাজক ৰাষ্ট্ৰৰ প্ৰেক্ষাপটত বিভিন্ন দৃষ্টিভঙ্গীৰে নিজ নিজ মতামত প্ৰকাশ কৰিছিল। হাৰবাৰ্ট মাৰকিউচে পৌৰ সমাজে জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ ৰাষ্ট্ৰক প্ৰভাৱিত কৰে বুলি কৈছে। দ্বিতীয় মহাযুদ্ধৰ পিছত পৌৰ সমাজক শক্তিশালী কৰাত বেচৰকাৰী সংগঠন সমূহৰ ভূমিকাক স্বীকাৰ কৰিছে।

**জানি থওঁ আহক**

পৌৰ সমাজ আৰু ৰাষ্ট্ৰৰ কিছুমান তুলনামূলক বৈশিষ্ট্য হ'ল—

(ক) ৰাষ্ট্ৰৰ গাঁথনি আনুষ্ঠানিক। পৌৰ সমাজৰ গঠন স্বেচ্ছামূলকভাৱে হয়।

(খ) জনসাধাৰণ আৰু ভূ-খণ্ডৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ থাকে। তেনে নিয়ন্ত্ৰণ পৌৰ সমাজৰ নাথাকে।

(গ) সম্পদৰ ওপৰত ৰাষ্ট্ৰৰ কৰ্তৃত্ব থাকে। পৌৰ সমাজৰ এই ক্ষমতা নাথাকে।

(ঘ) ৰাষ্ট্ৰ সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী। পৌৰ সমাজৰ এই আত্মাসদৃশ ক্ষমতা নাথাকে।

(ঙ) ৰাষ্ট্ৰৰ ধাৰণা সাৰ্বজনীন আৰু ব্যাপক। পৌৰ সমাজৰ ধাৰণাত কিছু সংকীৰ্ণতা থাকে।

**অগ্ৰগতিৰ খতিয়ান**

। পৌৰ সমাজ সম্বন্ধে দুজন চিন্তাবিদৰ অভিমত ব্যক্ত কৰক।

**আত্মমূল্যায়ন প্ৰশ্ন**

।বৰ্তমান সময়ত পৌৰ সমাজৰ প্ৰাসঙ্গিকতা কি ? আপোনাৰ অভিমত ব্যক্ত কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

### ৩.৬.৩ পৌৰ সমাজ আৰু গণতন্ত্ৰ (Civil Society and Democracy) ঃ

গণতন্ত্ৰৰ বিকাশত পৌৰ সমাজৰ ভূমিকা অপৰিসীম। নাগৰিক সচেতনতা আৰু সু-নাগৰিক সৃষ্টিত অসামৰিক সমাজে এক সক্ৰিয় অৰিহণা যোগাই আহিছে। গণতন্ত্ৰ আৰু অসামৰিক সমাজৰ বিকাশেৰে আমি নাগৰিক সকলৰ সমাজৰ প্ৰতি থকা কৰ্তব্য আৰু দায়বদ্ধতাৰ বিষয়ে সচেতন কৰিব পাৰোঁ। পৌৰ সমাজৰ প্ৰয়োজনীয়তাক টকভেলিয়ে সমৰ্থন আৰু পৃষ্ঠপোষকতা কৰিছিল। সু-নাগৰিক গঢ়াৰ ক্ষেত্ৰত পৌৰ সংগঠনৰ ভূমিকাক গেব্ৰিয়েল আলমণ্ড আৰু চিডনি ভাৰ্বয়ো স্বীকাৰ কৰিছে। বৰ্তমান সময়ত পৌৰ সমাজৰ ধাৰণাটো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। অৱশ্য সমালোচক সকলে মত পোষণ কৰিছে যে পৌৰ সমাজে গণতন্ত্ৰক কিছু পৰিমাণে দুৰ্বল কৰিছে। কিয়নো বহু সময়ত কিছু পৌৰ সংগঠনে কৰ্তৃত্বমূলক স্থিতিত অটল হৈ থাকে। তাৰোপৰি কৰ্তৃপক্ষৰ লগত আলোচনাত মিলিত হ'ব নোখোজে। সমালোচক সকলৰ এনে ধাৰণাক আমি সকলো সময়তে মানি লব নোৱাৰোঁ। কাৰণ পৌৰ সমাজে জনসাধাৰণক সংগঠিত ৰূপত ৰাখি চৰকাৰী কৰ্তৃপক্ষৰ কাৰ্য্যকলাপ নিৰীক্ষণ কৰে আৰু এখন সুস্থ-সবল সমাজ গঢ়াত সহায় কৰে।

**জানি থওঁ আহঁক**

চিডনি ভাৰ্বই পৌৰ সংস্কৃতিৰ ধাৰণা আগবঢ়াই ইয়াক এক ৰাজনৈতিক সংস্কৃতি বুলি অভিহিত কৰি দুটা বৈশিষ্ট্যৰ কথা কৈছে—

(ক) পৌৰ সংস্কৃতিয়ে জনগণৰ জৰিয়তে ৰাষ্ট্ৰৰ কৰ্তৃত্বক স্বীকৃতি দিয়ে।

(খ) ব্যক্তিৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত নাগৰিকৰ অংশ গ্ৰহণত বিশ্বাস ৰাখে।

**অগ্ৰগতিৰ খতিয়ান**

। টকভেলিয়ে পৌৰ সমাজৰ পোষকতা কৰিছিল। (সত্য/অসত্য)

**আত্মমূল্যায়ণ প্ৰশ্ন**

। গণতন্ত্ৰৰ শ্ৰীবৃদ্ধিত পৌৰ বা অসামৰিক সমাজৰ ভূমিকা সম্বন্ধে আলোচনা আগবঢ়াওক।

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

**৩.৭ সাৰাংশ (Summing Up)ঃ**

গণতন্ত্ৰৰ বিকাশৰ লগে লগে নাগৰিকসকলে বৰ্ধিত হাৰত অধিকাৰ ভোগৰ সুবিধা পাইছে। ধৰ্মীয় মৌলবাদ, সন্ত্ৰাসবাদ আদিৰ উত্থানে বহু সময়ত ব্যক্তিৰ অধিকাৰ খৰ্গহস্ত কৰিছে যদিও উদাৰীকৰণ, ব্যক্তিগতকৰণ, বিশ্বায়ন আদি ব্যৱস্থাৰ অগ্ৰগতিয়ে অধিকাৰ ভোগৰ সুবিধা বৃদ্ধি কৰিছে। অৱশ্যে অধিকাৰ ভোগৰ সীমা-পৰিসীমা নিৰ্ণয়ৰ দিশটো বৰ্তমানো ৰাষ্ট্ৰৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে।

ৰাজনীতি বিজ্ঞানত লিংগৰ ধাৰণাই জনপ্ৰিয়তা আৰু যথেষ্ট সমাদৰ লাভ কৰিছে, নাৰীৰ মৰ্য্যদা বৃদ্ধি, বিকাশ আৰু সবলীকৰণত এই ধাৰণাই গুৰুত্ব দি আহিছে। অৱশ্যে পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত মহিলাসকল আজিও অবদমিত হৈ আছে। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সুবিধা লাভৰ ক্ষেত্ৰত নাৰীসমাজ আজিও শোষণমুক্ত হ'ব পৰা নাই। সেয়ে লিংগ বৈষম্য দুৰ কৰি পুৰুষ-মহিলা উভয়ৰে সম বিকাশেৰে সবল-সুস্থ সমাজ এখন গঢ়াত প্ৰত্যেকেই আগভাগ লোৱা উচিত।

ৰাষ্ট্ৰৰ সদস্যপদ অৰ্থাৎ নাগৰিকত্ব প্ৰত্যেক ব্যক্তিৰ বাবে অপৰিহাৰ্য্য। কিয়নো নাগৰিক এজনেহে ৰাষ্ট্ৰই প্ৰদান কৰা স্বাধীনতা, অধিকাৰ, ন্যায় আদি ভোগ কৰিব পাৰে। নাগৰিকসকল ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধ হৈ থাকে আৰু ৰাষ্ট্ৰইয়ো তেওঁলোকৰ বিকাশৰ দিশবোৰ উন্মোচিত কৰে।

অধ্যয়নৰ বিষয়বস্তু হিচাপে পৌৰ বা অসামৰিক সমাজ আৰু ৰাষ্ট্ৰ অতি গুৰুত্বপূৰ্ণ। বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰত পৌৰ সংগঠনৰ ভূমিকা আমি নুই কৰিব নোৱাৰো। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি সংগঠিত ৰূপত এই সংগঠনে ৰাষ্ট্ৰৰ দিশ নিৰ্ণয়ত সহায় কৰে। এইদৰে দেখা যায় যে অধিকাৰ, লিংগ, নাগৰিকত্ব, পৌৰ সমাজ আৰু ৰাষ্ট্ৰ এই আটাইকেইটাই পৰস্পৰ সম্পৰ্কিত বিষয়।

### ৩.৮ আৰ্হি প্ৰশ্ন (Model Questions) ঃ

**অধিকাৰ ঃ**

। অধিকাৰৰ অৰ্থ আৰু সংজ্ঞা লিখক।

। অধিকাৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

। বিভিন্ন প্ৰকাৰৰ অধিকাৰৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

। অধিকাৰৰ লগত কৰ্তব্যৰ কি সম্পৰ্ক আছে? যুক্তিৰে বৰ্ণনা কৰক।

। স্বাধীনতা আৰু অধিকাৰৰ মাজত থকা সম্পৰ্ক ব্যাখ্যা কৰক।

। চমুটোকা লিখক ঃ (ক) ৰাজনৈতিক অধিকাৰ

(খ) অৰ্থনৈতিক অধিকাৰ

(গ) মানৱ অধিকাৰ

**লিংগ ঃ**

। লিংগ বুলিলে কি বুজে? Sex আৰু Gender ৰ মাজত কি পাৰ্থক্য পৰিলক্ষিত হয়?

। লিংগ অসমতাৰ কাৰণ সমূহ ব্যাখ্যা কৰক।

। লিংগ অসমতা দুৰীকৰণৰ ব্যৱস্থা সমূহৰ বিষয়ে আলোচনা কৰক।

। নাৰীসবলীকৰণৰ উপায় সমূহ কি কি ? বৰ্ণনা কৰক।

। লিংগ বিভাজনৰ বিভিন্ন ক্ষেত্ৰ সমূহৰ ওপৰত আলোচনা আগবঢ়াওক।

। সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ আৰু ভূমিকা কেনেকুৱা হোৱা উচিত?

**নাগৰিকত্ব ঃ**

। নাগৰিকত্বৰ অৰ্থ আৰু সংজ্ঞা লিখক।

। নাগৰিক আৰু বিদেশীৰ মাজত পাৰ্থক্য কি?

। নাগৰিকত্ব অৰ্জনৰ বিভিন্ন পদ্ধতি সমূহ আলোচনা কৰক।

। কোনবোৰ কাৰণত নাগৰিক এজনৰ নাগৰিকত্ব হনন হ'ব পাৰে? ব্যাখ্যা কৰক।

। সুনাগৰিকৰ গুণ সমূহ আলোচনা কৰক।

। সু-নাগৰিকৰ প্ৰতিবন্ধকতা সমূহ আঁতৰ কৰাৰ উপায়সমূহ ব্যাখ্যা কৰক।

**পৌৰ সমাজ আৰু ৰাষ্ট্ৰ ঃ**

। পৌৰ সমাজ বুলিলে কি বুজে?

। কোনে ৰাষ্ট্ৰক সংস্থা সমূহৰ সংস্থা বুলি অভিহিত কৰিছিল?

।ৰাষ্ট্ৰ আৰু অসামৰিক সমাজ সম্পৰ্কে মত পোষণ কৰা তিনিজন পৌৰাণিক চিন্তাবিদৰ নাম উল্লেখ কৰক।

। পৌৰ সমাজৰ সংগঠন সমূহে কেনেদৰে ৰাষ্ট্ৰক প্ৰভাবিত কৰি আহিছে? এটি চমু আলোচনা দাঙি ধৰক?

। গণতন্ত্ৰত পৌৰ বা অসামৰিক সমাজৰ প্ৰয়োজনীয়তা আৰু ভূমিকা সম্বন্ধে এটি বিশ্লেষণ আগবঢ়াওক।

### ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ

এইখিনিতে স্বীকাৰ্য যে বিষয়বস্তুৰ ধাৰণা লবলৈ গৈ কিছু সংখ্যক লিখক আৰু গ্ৰন্থৰ আশ্ৰয় লব লগা হৈছে। যিবোৰ লিখকৰ ধাৰণা আৰু গ্ৰন্থই শিকাৰু সমাজক বহুল জ্ঞান প্ৰাপ্তিৰ ক্ষেত্ৰত সহায় কৰিব।

Nath Praneswar ঃ Contemporary Political Issues.

Chakrabarty - Paul - Nayak ঃ Political Theory.

Dutta Debajit and Das Dipjyoti ঃ Contemporary Political Issues.

Pathak Mintu - Pathak Jyotiraj, Konwar Suvrajit, Deka Barnali ঃ Political Theory.

### ৩.১০ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰ ঃ

নং প্ৰঃউঃ- অধিকাৰক মূলত তিনিটা ভাগত ভাগ কৰিব পাৰি।

যেনে - (ক) প্ৰাকৃতিক অধিকাৰ

(খ) নৈতিক অধিকাৰ

(গ) বৈধিক বা আইনগত অধিকাৰ

নং প্ৰশ্ন উত্তৰ ঃ- বৈধিক অধিকাৰৰ ভাগবোৰ হ'ল --

(ক) পৌৰ অধিকাৰ

(খ) ৰাজনৈতিক অধিকাৰ

(গ) অৰ্থনৈতিক অধিকাৰ

(ঘ) সামাজিক অধিকাৰ

নং প্ৰশ্ন উত্তৰ ঃ জৈৱিক দৃষ্টিকোণৰ পৰা মানৱ সমাজক দুটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ দুটা হ'ল --

(ক) পুৰুষ

(খ) নাৰী

নং প্ৰশ্ন উত্তৰ ঃ- লিংগ বিভাজন বা পৃথকীকৰণৰ যিকোনো তিনিটা ক্ষেত্ৰ হ'ল—

(ক) পৰিয়াল

(খ) সমাজ

(গ) ৰাজনীতি

নং প্ৰশ্ন উত্তৰ ঃ- জন্মসূত্ৰে নাগৰিকত্ব লাভৰ দুটা পদ্ধতি হ'ল --

(ক) তেজৰ সম্পৰ্ক সুত্ৰে

(খ) জন্মস্থান সুত্ৰে

নং প্ৰশ্ন উত্তৰ ঃ - সঁচা

নং প্ৰশ্ন উত্তৰ ঃ- সু-নাগৰিকৰ যিকোনো তিনিটা গুণ হ'ল-

(ক) শিক্ষা

(খ) আত্মসচেতনতা

(গ) ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ

নং প্ৰঃ উঃ- অসামৰিক সমাজ গঠনত অবদান আগবঢ়োৱা যিকোনো তিনিটা সংগঠন হ'ল --

(ক) ছাত্ৰ সংগঠন

(খ) ব্যৱসায়িক সংগঠন

(গ) মহিলা সংগঠন

নং প্ৰশ্ন উত্তৰ ঃ- পৌৰ সমাজ সম্বন্ধে যিকোনো এজন চিন্তাবিদৰ অভিমত তলত লিখা ধৰণে উল্লেখ কৰিব পাৰি --

মিছেল এডৱাৰ্ডৰ মতে -- পৌৰ সমাজ হ'ল এখন সুস্থ সমাজৰ অন্বেষণত হোৱা সামুহিক কাৰ্য্য, যি সময়, স্থান, সংস্কৃতি আদি বিভিন্ন দিশত প্ৰকাশিত হয়।

নং প্ৰশ্ন উত্তৰ ঃ- সত্য।

---×---